# ...নে বাণিজ্য বিদ্যালয় আলোচনা



: পার্থপ্রতিম ভূক্ষ

# ডিব্ৰুগড় এইচ, এছ কানৈ কমাৰ্চ কলেজ আলোচনী

## ( বাণিজ্য দৰ্পন )

( বছেৰেকীয়া প্ৰকাশ )

১৯৮১-৮২

সম্পাদনাত :

শ্ৰীপাৰ্থপ্ৰতীম ভূঞা।

# শ্ৰদ্ধাঞ্জলী

বিদগ্ধ পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ

প্ৰথম অসমীয়া কথাছবি নায়ক ফুনু বৰুৱা

চলচিত্ৰ আৰু মঞ্চশিল্পী তচদ্দুক ইউচুফ

অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মহেন্দ্ৰমোহন চৌধুৰী

বকুল বনৰ কবি আনন্দ চন্দ্ৰ বৰুৱা

অসম সাহিত্য সভাৰ সভাপতি সীতানাথ ব্ৰহ্মচৌধুৰী

আৰু

আমাৰ কলেজৰ আকস্মিক ভাৱে মৃত্যু বৰণ কৰা

স্নাতক মহলাৰ ছাত্ৰী ডালিয়া বেনাৰ্জী ।

এই পৰলোকগত ব্যক্তি সকলৰ প্ৰতি আমি আন্তৰিকতাৰে শ্ৰদ্ধাঞ্জলী যাচিলোঁ। তেখেত সকলৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক, ঈশ্বৰৰ ওচৰত এয়েই আমাৰ সৰল প্ৰাৰ্থনা ।

বিনীত—

সমূহ কটন বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ বৃন্দ

## সূচীপত্ৰ


| | | |
|---|---|---|
| **সম্পাদকীয়** | | |
| সংস্থানমূখী উচ্চ শিক্ষা আৰু বাণিজ্যছাত্ৰৰ ভৱিষ্যতৰ বেঙনি | ১ | — দীপক লাল বৰুৱা |
| মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেওঁৰ প্ৰতিভা | ৮ | — নবেন ভূঞা |
| অসমৰ জনশক্তি আৰু ভাৰত চৰকাৰ | ১৩ | — বিৰাজ মোহন দত্ত |
| **গল্প —** | | |
| লাইফ ইঞ্জিওৰ | ১৬ | — চাজিদুৰ ৰহমান |
| অশৰীৰী | ১৯ | — উৎপল বৰুৱা |
| অতীত আৰু বৰ্ত্তমান | ২৪ | — সঞ্জীৱ বৰপূজাৰী |
| সন্ধ্যা তৰাৰ অশ্ৰু | ২৯ | — হেমন্ত কুমাৰ বৰা |
| মৃত্যুৰ কাৰণ বিচাৰি | ৩৩ | — শ্যামসুন্দৰ সিংহাৰিয়া |
| প্ৰেমক সত্য | ৩৬ | — উৎপল শৰ্ম্মা |
| **কবিতা —** | | |
| পূৰ্ত্তি নিশাৰ এজাক কল্পনা | ৪৭ | — ৰণজিৎ বৰুৱা |
| শব্দ বোৱেও কথা কয় | ৪৮ | — প্ৰদীপ গগৈ |
| বিহুৱান | ৪৮ | — প্ৰবীণ বৰুৱা |
| ভেজাল দেশ ক'ত | ৪৯ | — ভুবন গগৈ |
| প্ৰতিধ্বনী | ৪৯ | — নবেন ভূঞা |
| মাজ নিশাৰ কান্দোন | ৫০ | — প্ৰবোধ চন্দ্ৰ বুঢ়াগোহাঁই |
| ডিব্ৰুগড় : ডিব্ৰুগড় | ৫১ | — পূৰ্ণানন্দ চুতীয়া |
| খন্তেকীয়া মানৱ জীৱন | ৫২ | — ইনামুল হুছেইন |
| নৱ পৰিবৰ্ত্তন | ৫৩ | — ৰূপকান্ত বড়া |
| মুক্তি | ৫৪ | — ৰণজিৎ গগৈ |
| মৃত্যুপণ | ৫৫ | — নবেন ভূঞা |
| এই সংগ্ৰাম. শেষ সংগ্ৰাম | ৫৬ | — প্ৰবোধ বুঢ়াগোহাঁই |
| জীৱন্ত জকা | ৫৭ | — ৰণজিৎ বৰুৱা |
| স্বপ্ন প্ৰেম | ৫৮ | — মুনু বৰুৱা |
| কাৰ'ৱা ( ইৰাণীয় কবিতা ) | ৫৯ অনুবাদক | — চহনলাল আগৰৱালা |
| **সানমিহলি —** | | |
| বাঘ আৰু হৰিণ ( গল্প ) | ৬১ | — উত্তম বৰুৱা |
| মহান পুৰুষৰ মহান বাণী | ৬৫ | — প্ৰদীপ শৰ্ম্মা |
| হাঁহিৰ নেপায় | ৬৭ | — সুদীপ্ত গাংগুলি |
| অসমৰ গ্ৰাম্য অঞ্চলত ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীৰ কৰ্ত্তব্য ( প্ৰবন্ধ ) | ৬৯ | — চাখাৱত আলি |
| সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | ৭২ | — জিতেন কাকতি |
| সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন | ৭৩ | — প্ৰদীপ শৰ্ম্মা |


→ ○ ←

# সম্পাদকীয়

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বৃন্দই ১৯৮১-৮২ চনৰ আলোচনী সম্পাদনাৰ গধুৰ দায়িত্ব লবলৈ সুবিধা দিয়াৰ বাবে মোৰ আন্তৰিক কৃতজ্ঞতা জনালো। আমাৰ মহাবিদ্যালয়ৰ আলোচনী "বাণিজ্য দৰ্পণৰ" সম্পাদনাৰ দায়িত্ব হাতত লৈয়েই গল্প, প্ৰবন্ধ আৰু কবিতা আদি বিচাৰি কেইবাবাৰো জাননী দিয়াৰ উপৰিও ব্যক্তিগত ভাবেও বহুতক অনুৰোধ কৰিলো। কিন্তু কম সংখ্যক লেখনিহে আমাৰ হাতত পৰিলেহি। সেই বিলাকৰ বেছিভাগেই উচ্চ মানদণ্ডৰ নহয়। যি কি নহক তাৰেই চালি-জাৰি চাই কিছুমান প্ৰকাশৰ বাবে দিয়া কৰা হল। মহাবিদ্যালয়ৰ আলোচনী হল এটা শক্তিশালী মাধ্যম, কিন্তু মহাবিদ্যালয়ৰ আলোচনী অত্যন্ত দুখ জনক পৰিস্থিতিত প্ৰকাশিত হয়। বিশেষকৈ আমাৰ কলেজৰ আলোচনী "বাণিজ্য দৰ্পন"ত এই দিশ বেদনাদায়ক ভাৱে পৰিলক্ষিত হয়। আমাৰ কলেজৰ আলোচনীৰখনৰ পুজি বৰ কম। এই কথাষাৰ আগৰ সম্পাদক সকলে নিশ্চয় জানে। আলোচনীখন উচ্চমানদণ্ডৰ কৰিবৰ কাৰণে এই বাৰ কলেজ কতৃপক্ষৰ অনুমতি লৈ—বিজ্ঞাপন বিচাৰিব লগা হল। এইখিনিতে যি সকলে আলোচনীত বিজ্ঞাপন দি আৰ্থিক ভাৱে সহায় কৰিলে সেই সকললৈ মোৰ কৃতজ্ঞতা থাকিল। আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰ... একজনৰ মত আন একজনৰ সৈতে একে নহব... পাৰে। মোৰ অভিজ্ঞতাৰ ফালৰ পৰা কৈছে... সম্পাদকে কিছু স্বাধীনতা পাব লাগে। সে... অজানিত ভাৱে কৰা দোষ ত্ৰুটি সহৃদয় পাঠকে... আঙুলিয়াই ভৱিষ্যতলৈ সংশোধন কৰাত সহায়... কৰে তেন্তে—কৃতাৰ্থ হম।

১৯৮২-৮৩ চনত শিক্ষাৰ বছৰটোতো বিদ্যাৰ্থী... সমাজক ৭৯ চনৰ পৰা আৰম্ভ হোৱা বিদেশী... বহিস্কাৰ তথা অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ ঘটন... প্ৰবাহে লিপ্ত হবলৈ বাধ্য কৰালে।

১৯৮৩ চনৰ বছৰটো আৰম্ভ হোৱাৰ লগে... লগে কৌশলপূৰ্ণ ভাৱে নেতৃবৃন্দক আলোচনাৰ মঞ্চ... বালৈ আমন্ত্ৰণ কৰি হঠাতেই আলোচনা বাদ... কৰি দি। বাটতে কাৰাৰুদ্ধ কৰি সম্পূৰ্ণ অবৈধ... ভাৱে সাধাৰণ নিৰ্বাচন জাপি দি ভুৱা আৰু... প্ৰহসন মাধ্যমে এটা পুতলা চৰকাৰ পাতি দি... গণতান্ত্ৰিক শাসন প্ৰথাৰ মূলভেটি বিনষ্ট কৰিবলৈ... সক্ষম হ'ল। স্বাধীনতাৰ বহু অৰ্থ বহু উদ্দেশ্য... আছে সঁচা কিন্তু স্বাধীনতাৰ মূল অৰ্থ হ'ল... স্বনিয়ন্ত্ৰণৰ অধিকাৰ। স্বনিয়ন্ত্ৰণ বিনে আনকি... উন্নত জীৱন বা জীৱনৰ মানদণ্ড উচ্চ হলেও... তেনে জীৱন পৰাধীন জীৱন। বৃহ স্বেচ্ছাচাৰী... শাসনত জীৱনৰ মানদণ্ড ওখ আছিল কঙ্কোৰ...

স্পেইনত, হয়তো হিটলাবৰ জাৰ্মানীত কিন্তু সেয়া ভুৱা পৰিস্থিতি। ক্ষণস্থায়ী পৰিস্থিতি। স্বনিয়ন্ত্ৰণ আৰু মৌলিক অধিকাৰ বিনে সামাজিক জীৱন কেতিয়াও মুক্ত আৰু স্বাধীন জীৱন বুলি গণ্য হ'ব নোৱাৰে।

অসম আন্দোলনৰ এটা মীমাংসা বা সু-মীমাংসা নৌ হওঁতেই পঞ্জাবত সমস্যাই দেখা দিছে। বিহাৰ, হিমাচল প্ৰদেশ, হাৰিয়ানাত ৰাজনৈতিক অস্থিৰতাই দেখা দিছে। বিহাৰ, উত্তৰপ্ৰদেশ, মধ্যপ্ৰদেশ, ৰাজস্থানৰ সমাজবিৰোধী শক্তি সমূহ অদমনীয় হৈ পৰিছে। পুলিচী প্ৰসাশন অক্ষম বুলি প্ৰমাণিত হৈছে। মহাৰাষ্ট্ৰ ৰাজ্যত নিবাসস্থানৰ অভাৱে সাধাৰণ চাকৰিজীবি সকলক ফুট-পাথৰ (Foot path) বাসিন্দাত পৰিণত কৰিছে।

এহাতে দ্ৰব্যমূল্য দিনকদিনে বাঢ়িব লাগিছে নিবন্নুৱাৰ সংখ্যা ভাবিব নোৱাৰা হাৰত বৃদ্ধি পাইছে, নিবাস স্থানৰ অভাৱে সৎ চাকৰিজীবি, স্ব-নিয়োজিত সকলক বাটৰ বাসিন্দা কৰিছে। কুকৰ্ম্ম, সমাজবিৰোধী ক্ৰিয়া কলাপ এই সকলোবোৰ পৰিস্থিতিৰ আহে আহে শিপাবৈ সুবিধা গ্ৰহণ কৰি অদমনীয় প্ৰাধান্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। অসমৰ ছাত্ৰ সমাজ নীতি আৰু আদৰ্শৰ প্ৰতি সম্পুৰ্ণ আনুগত্য বজাই ৰাখি আন্দোলনৰ প্ৰতি সম্পুৰ্ণ সহাৰি আগবঢ়োৱাৰ উপৰিও এক বিশিষ্ট আৰু সক্ৰিয় আৰু সংগ্ৰামী ভূমিকা লবলৈ সক্ষম হৈছে। সেয়েহে এহাতে অসমৰ ছাত্ৰ সমাজৰ ওপৰত সামুহিকভাৱে অত্যাচাৰৰ এক অভিযান জাৰী কৰা হৈছে। পুলিচৰ কৰায়ত্ত হোৱা আৰু কাৰাজীৱন গ্ৰহণ কৰা এক অতি সাধাৰণ, তুচ্ছ আৰু নগণ্য পৰিস্থিতি মাত্ৰ। তাতোতকৈ প্ৰায় মুখেৰে মাতিব পৰা, পৰিস্থিতি হৃদয়ঙ্গম কৰিব পৰা, পৰামৰ্শ দিব পৰা আৰু সিদ্ধান্ত নিৰ্ণয় কৰিব পৰা সকলো ছাত্ৰ-ছাত্ৰীকেই আতক বন্দী কৰা হৈছে, মাৰ ধৰ কৰা হৈছে—পঙ্গু কৰিবৰ ব্যৱস্থা কৰা হৈছে, হীন আৰু স্থানীয় অভিযোগ জাপি দি'লৈ চেষ্টা কৰা হৈছে। আনহাতে প্ৰলোভন দিয়া হৈছে নিৰন্নুৱা বানচৰ কথা কোৱা হৈছে।

তথাপিও অসমৰ ছাত্ৰ সমাজে অগ্ৰজ সমাজ্ঞনৰ লগতে নিজ ব্ৰতত আৱদ্ধহৈয়েই আছে।

পাঠ্যক্ৰম অনুধাবন কৰা। শিক্ষা অৰ্হতা আৰ্জ্জনৰ বাবে যি পৰিস্থিতিৰ আৱশ্যক সেই পৰিস্থিতি কাহানিবাই হেৰাই গৈছে তথাপিও পৰিয়াল, সমাজ আৰু নিজ দায়িত্ব সম্পন্নৰ বাবেই ছাত্ৰ-ছাত্ৰী সকলে পৰীক্ষাগৃহৰ ফাললৈ আগবাঢ়ি গৈছে। সেই পৰিস্থিতিতো পৰীক্ষা গৃহৰ বাহিৰে ভিতৰে পৰীক্ষাৰ্থী সকলক গ্ৰেপ্তাৰ মাৰধৰ কৰিবলৈ চৰকাৰে এৰা নাই। বহুজনেই পৰীক্ষা দিয়াৰ পৰা বাধাপ্ৰাপ্ত হৈছে। বহুতে হয়তো নিয়ম ৰক্ষা কৰিবলৈ গৈ পোতাশালৰ পৰাই পৰীক্ষা দিছে।

ছাত্ৰ সমাজৰ বাবে এই সংকটাপুৰ্ণ পৰিস্থিতিত - একতা মনোবল, আদৰ্শ নীতিৰ, প্ৰতি নিষ্ঠাবান অগ্ৰহেই আমাৰ একমাত্ৰ সম্বল সেই আগ্ৰহৰ অধিকাৰী অসমৰ ছাত্ৰ সমাজলৈ আশ্বাস আৰু অভিনন্দ আগবঢ়াইছো।

মহাবিদ্যালয়ৰ দৃষ্টিপাত :— ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয় অসমৰ ভিতৰতে এখন ভাল

মহাবিদ্যালয়। প্ৰত্যেক বছৰেই আমাৰ মহাবিদ্যালয়ৰ প্ৰাক স্নাতক আৰু স্নাতক মহলাৰ পৰীক্ষাৰ ফলাফল ভাল হয়। কিন্তু আমাৰ মহাবিদ্যালয়ৰ দৈনিক শ্ৰেণী নিয়মিত ভাবে নহয়। এই ক্ষেত্ৰত অধ্যক্ষই আগ ভাগ লব লাগে তেতিয়াহলে হয়তো আমাৰ পৰীক্ষাৰ ৰিজাল্ট আৰু ভাল হব। সেই দৰে ছাত্ৰ ছাত্ৰী সকলেও শিক্ষাৰ ক্ষেত্ৰত মনোযোগ দিব লাগিব।

আমাৰ মহাবিদ্যালয়ৰ এখন স্থায়ী খেলপথাৰ নাই। কলেজ কৰ্তৃপক্ষক এই বিষয়ত সোনকালে এখন স্থায়ী খেলপথাৰৰ ব্যবস্থা কৰিবলৈ অনুৰোধ কৰিলো। বৰ্ত্তমান অস্থায়ী জিৰণি কোঠাটো উন্নতি কৰিবলৈ যত্ন কৰিব লাগে। মহাবিদ্যালয়ৰ সম্মুখত এটা স্বহীদ বেদী নিৰ্মাণ কৰিবলৈ কলেজৰ ১৯৮১-৮৩ চনৰ ছাত্ৰ সংস্থাৰ সদস্য সকলে যাতে খৰটকীয়াকৈ কামত আগ বাঢ়ে তাৰ বাবে চেষ্টা কৰিব লাগে।

কানৈ বাণিজ্য মহাবিদ্যালয়লৈ বহু দূৰৈৰ পৰা ছাত্ৰ ছাত্ৰী সকলে শিক্ষা গ্ৰহণ কৰিবলৈ আহে কিন্তু মহাবিদ্যালয়ৰ ছাত্ৰবাসৰ Seatৰ সংখ্যা বৰ কম হোৱাত বাহিৰৰ পৰা অহা ছাত্ৰ-ছাত্ৰী সকলে অনেক কষ্ট ভুগিব লগীয়া হয় এতিয়া খালিহৈ থকা মাটিখিনিত ছাত্ৰবাসৰ কোঠাৰ সংখ্যা যাতে বঢ়াবৰ পাৰে বাবে কলেজ কৰ্ত্তৃপক্ষক টানি অনুৰোধ জনালো।

আলোচনী খন প্ৰকাশ কৰাৰ ক্ষেত্ৰত অনেকৰ পৰা উপদেশ, পৰামৰ্শ, আৰু সহায় যথেষ্ট লাভ কৰিছিলো। এই ক্ষেত্ৰত শ্ৰীপ্ৰেমচাঁদ জৈন, অধ্যাপক ঘনশ্যাম অধিকাৰী, দেবৰঞ্জন ধৰ, মনমোহন দাস, দেবব্ৰত বৰুৱা আৰু আধ্যাপিকা কল্পনা খাউণ্ড বাইদেউ আৰু কলেজৰ ছাত্ৰ-সংস্থাৰ বিষয় ববীয়া সকলৰ উপৰিও ছাত্ৰ বন্ধু সমৰ, নাগেশ, প্ৰশান্ত, আত্মানন্দ, অনন্ত, বুবু পৰান, উজ্জল, অতুল, আৰু ৰঞ্জিতদাৰ ওচৰত মই চিৰ কৃতজ্ঞ।

অৱশেষত যি সকল শিক্ষা গুৰু আৰু ছাত্ৰ ছাত্ৰীয়ে এই আলোচনীত তেখেত সকলৰ লিখা প্ৰবন্ধ পাতি প্ৰকাশ কৰিবলৈ দি সহায় কৰিলে তেখেত সকললৈ পুণৰবাৰ কৃতজ্ঞতা আৰু ভবিষ্যতলৈ অধিক শুভেচ্ছা জনাই আজিলৈ ইমানতে সামৰণি মাৰিলো

॥ জয় আই অসম ॥

শ্ৰীপাৰ্থপ্ৰতীম ভূঞা, সম্পাদক
কানৈ বাণিজ্য মহাবিদ্যালয় আলোচনী
( ১৯৮১-৮২ )
ডিব্ৰুগড়, অসম।

# COLLEGE WEEK — 1981-82



১৯ তম্ মহাবিদ্যালয় সপ্তাহ উদ্বোধন কৰে ডিব্রুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক ড° মহেন্দ্ৰ বৰা দেৱে।

শ্ৰীদীপক লাল বৰুৱা
স্নাতক চুৰান্ত বাৰ্ষিক।

# সংস্থানমূখী উচ্চ শিক্ষা আৰু বাণিজ্য ছাত্ৰৰ ভৱিষ্যতৰ ৰেঙণি

সু-মৰ্য্যাদা আৰু সুখ-শান্তিৰে জীৱন নিৰ্বাহৰ হেতু সকলো মানুহেই একোটা উপযুক্ত কৰ্ম্ম-সংস্থান বিচাৰে। কিন্তু বৰ্ত্তমানৰ প্ৰগতি-শীল বিজ্ঞানৰ যুগত এই সংস্থানৰ বাবে উপযুক্ত শিক্ষা অপৰিহাৰ্য্য। উপযুক্ত শিক্ষাৰ অবিহনে আজিৰ মানৱ সমাজত নিজকে প্ৰতিষ্ঠিত কৰি লোৱাটো দুৰূহ।

থোৰতে কবলৈ হলে, যি শিক্ষাই কোনো পুৰুষ-মহিলাক নিজৰ কৰ্মঠ জীৱনত সহজে আত্ম-প্ৰতিষ্ঠা লাভ কৰি স্বাৱলম্বিতা অৰ্জনৰ সুযোগ দিব পাৰে সিয়েই উপযুক্ত শিক্ষা। এনে বিশ্লেষণে আমাক সোঁৱৰাই দিয়ে যে, ভৌগলিক কাৰক সমূহ, ব্যক্তি বিশেষৰ স্বকীয় গুণাৱলী আৰু ব্যক্তিত্ব তথা সামাজিক প্ৰগতিৰ ধাৰা ইত্যাদি অনুযায়ী ভিন্ ভিন্ লোকৰ বাবে ভিন্ ভিন্ শিক্ষা উপযুক্ত বিবেচিত হোৱাটো সম্ভৱ।

গতিকে, একোটা সফল সংস্থানৰ আশা কৰা সকলে ছাত্ৰাৱস্থাতেই নিজৰ ৰুচি আৰু স্বাভাৱিক গুণাৱলীৰ লগত সংগতি ৰাখি তেওঁ-লোকৰ লক্ষ্য বা শিক্ষাৰ ধাৰা ( Stream of Ed. ) স্থিৰ কৰি লোৱাটো বাঞ্চনীয়। আমাৰ ছাত্ৰ সকলে মুখ্যতঃ হাইস্কুলৰ দেওনা পাৰ হোৱাৰ পিচতে ভৱিষ্যৎ শিক্ষাৰ পথ নিৰ্দ্ধাৰণ কৰিব লগা হয়। ছাত্ৰ - ছাত্ৰীৰ বাবে ই এক গুৰুতৰ সন্ধিক্ষণ। কিন্তু বেচি ভাগ ক্ষেত্ৰতে আমাৰ দেশ তথা ৰাজ্যখনত সিঁচৰিত হৈ থকা শিক্ষা আৰু সংস্থানৰ বিস্তৃত ক্ষেত্ৰখনৰ সঠিক সম্ভেদ নোপোৱাৰ ফলত ছাত্ৰ-ছাত্ৰী সকল বিমোৰত পৰে। এই থিনিতে তেওঁলোকক উপযুক্ত পথ প্ৰদৰ্শনৰ ( Adequate Guid-ance ) প্ৰয়োজন হয়, যাৰ দ্বাৰা তেওঁলোকৰ মহান শক্তিৰ আৰু মূল্যবান সময়ৰ ভুল দিশত ( Wrong Direction ) অপচয় হোৱাটো ৰোধ কৰিব পাৰি।

কিন্তু, বাস্তৱিকতে আমাৰ শিক্ষা ব্যৱস্থাত উপযুক্ত পথ-প্ৰদৰ্শনৰ কাৰ্য্যকৰী প্ৰচেষ্টা নিচেই সীমিত। এইটো অপ্ৰিয় সত্য যে, আমাৰ এচাম মুষ্টিমেয় শিক্ষিত অভিভাৱকৰ বাদে বেচিভাগ অশিক্ষিত নাইবা অৰ্দ্ধশিক্ষিত অভি-ভাৱকেই নিজৰ নিজৰ লৰা - ছোৱালীৰ এই জৰুৰী প্ৰয়োজনীতা পূৰণ কৰাত ব্যৰ্থ হয়। ফলত, তেনে ছাত্ৰ-ছাত্ৰীয়ে প্ৰায়ে ভুল নাইবা অপৰিপক্ক ধাৰণাৰ ভিত্তিত কলা, বাণিজ্য বা বিজ্ঞানৰ সাধাৰণ পাঠ্যক্ৰমৰ যি কোনো এটা হাতত তুলি লয়। এনে অৱস্থাত প্ৰায়ে তেওঁ-

লোকৰ শক্তিৰ ব্যাপক অপচয় হোৱা দেখা যায়। কিয়নো, নিজৰ স্বাভাবিক গুণ তথা অন্যান্য আনুসাঙ্গিক পৰিস্থিতিৰ বিপৰীত ধৰ্মী একোটা পাঠ্যক্ৰম গ্ৰহণ কৰিলে ছাত্ৰ-ছাত্ৰীৰ ভবিষ্যৎ অন্ধকাৰ হৈ পৰাটো একো অস্বাভাৱিক নহয়। সেইবাবেই পাঠ্যক্ৰম নিৰ্বাচনৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলে অতিশয় সচেতনতা অৱলম্বন কৰাটো অপৰিহাৰ্য্য। সেইমতে তাক গ্ৰহণ কৰিব পাৰিলে একোজন কম মেধাৰ ছাত্ৰইও একোটা উজ্বল ভৱিষ্যৎ গঢ়ি লবলৈ সক্ষম হয়।

গতিকে শিক্ষা জীৱনৰ গুৰুত্বপূৰ্ণ সন্ধিক্ষণ বোৰত ছাত্ৰ-ছাত্ৰীসকলে অভিজ্ঞ লোক নাইবা সংশ্লিষ্ট আলোচনী তথা প্ৰকাশৰ জৰিয়তে প্ৰচলিত সকলোৰ বিভিন্ন পাঠ্যক্ৰম সমূহৰ সম্বেদ পাবলৈ যত্ন কৰিব লাগে। তাৰ পাচতহে, আৰ্থিক, সামাজিক আৰু ব্যক্তিগত গুণাগুণৰ বিশ্লেষণ কৰি সু-বিবেচনাৰে এটি উপযুক্ত পাঠ্যক্ৰম গ্ৰহণ কৰিব লাগে। কিন্তু পৰিতাপৰ কথা যে আমাৰ সৰ্ব-সাধাৰণ ছাত্ৰ সমাজে শিক্ষা জীৱনৰ এই অতিশয় গুৰুত্বপূৰ্ণ দিশটোক প্ৰায়ে অৱহেলা কৰে। পৰিণামত তেওঁলোকে উচ্চ তথা আকৰ্ষণীয় পাঠ্যক্ৰমৰ শিক্ষালাভৰ পৰা বঞ্চিত হব লগাও হয়। যাৰ ফলত, অনেক ছাত্ৰ-ছাত্ৰী একোটা হতাশ গ্ৰস্ত জীৱনত আবদ্ধ হৈ পৰে আৰু নিবনুৱা সমস্যাটো ইয়ে ইন্ধন যোগায়।

এই প্ৰবন্ধত, বাণিজ্য ছাত্ৰ-ছাত্ৰীৰ বাবে সুবিধাজনক কেইটামান বিশেষ বিশেষ উচ্চ শিক্ষাৰ আৱাসিক (Residential) আৰু ডাক পাঠ্যক্ৰম (Correspondence) ৰ বিষয়ে কিছু প্ৰয়োজনীয় তথ্যৰ যোগান ধৰাৰ প্ৰয়াস কৰা হৈছে। এই তথ্যসমূহে উচ্চাকাংক্ষী ছাত্ৰ-ছাত্ৰী সকলক কিছু উপকৃত কৰিব।

ইয়াত আলোচ্য পাঠ্যক্ৰম কেইটা হ'ল—

১) পৰিচালনাৰ পাঠ্যক্ৰম (Management Courses)

২) হিচাপ-ৰক্ষকৰ পাঠ্যক্ৰম (Accountants' Courses)

৩) কোম্পানী সচিবৰ পাঠ্যক্ৰম (Company secretaries courses)

৪) অন্যান্য ডাক পাঠ্যক্ৰম সমূহ (Other Correspondence Courses)

১ <u>পৰিচালনাৰ পাঠ্যক্ৰম (Management Courses)</u>

ই এক দুবছৰীয়া আৱাসিক বৃত্তিমূলক Professonal পাঠ্যক্ৰম আহমেদাবাদ বাঙ্গালোৰ আৰু কলিকতাত থকা "ভাৰতীয় পৰিচালনাৰ প্ৰতিষ্ঠান" Indian Institute of Management) এ এই পাঠ্যক্ৰম পৰিচালনা কৰে। পৰিচালনাৰ এই স্নাতকোত্তৰ (G.P.) পাঠ্যক্ৰমৰ যোগেদি উক্ত প্ৰতিষ্ঠানে বৃত্তিধাৰী পৰিচালক গঢ়ি তোলে আৰু শিক্ষাৰ অন্তত শিক্ষাৰ্থী সকলক M B.A. (Master of Business Administration) উপাধি প্ৰদান কৰে।

<u>নাম ভৰ্ত্তি (Admission)—</u>

নিম্নতম শিক্ষাগত অৰ্হতা হল যি কোনো বিষয়ৰ স্নাতক। লগতে উক্ত প্ৰতিষ্ঠানে প্ৰতিবছৰে নিদ্ধাৰিণ কৰি দিয়া অৰ্হতাৰ

অন্যান্য চৰ্তসমূহো পূৰণ কৰিব লাগিব। সাধাৰণতে প্ৰতিবছৰে অক্টোবৰ মাহত ভৰ্তিৰ আবেদন বিচৰা হয়। আবেদনকাৰী সকলে তিনিওটা শিক্ষা কেন্দ্ৰই যুটিয়াভাবে পৰিচালনা কৰা ভৰ্তিৰ পৰীক্ষাত (Admission Test বহিব লাগে। শিক্ষাজীৱনৰ তথ্য পাতি (Academic Records), ভৰ্তিৰ পৰীক্ষাৰ ফলাফল, সমূহীয়া আলোচনা চক্ৰ (Group-discussion) আৰু ব্যক্তিগত সাক্ষাৎকাৰৰ ভিত্তিত প্ৰাৰ্থী সকলক বাচনি কৰা হয়।

কাৰ্যক্ষেত্ৰ আৰু ভৱিষ্যৎ (Scope & Future)

M. B. A. সকলে ব্যক্তিগত আৰু ৰাজহুৱা (Private and Public) এই দুই ক্ষেত্ৰতে পৰিচালনাৰ মধ্য-পৰ্য্যায়ত অতি সহজে নিযুক্তি পায়। এওঁলোকৰ নিযুক্তিৰ ক্ষেত্ৰবিলাক হল বিত্ত (Finance), ক্ৰয়-বিক্ৰয় (Marketing), বিষয়া (Personel), পৰিকল্পনা (Planning), নিয়ন্ত্ৰণ (Control), উৎপাদন (Production) ইত্যাদি। M. B A. সকলৰ কৰ্মজীৱনৰ ভৱিষ্যৎ প্ৰতিশ্ৰুতি পূৰ্ণ (Promising), উজ্বল আৰু তেওঁলোকে প্ৰায়ে পৰিচালনাৰ উচ্চতম শিখৰত অধিষ্ঠিত হোৱাৰ সুযোগ পায়। এওঁলোকৰ দৰমহা আৰু অন্যান্য সা-সুবিধা নিৰিখো সদায় অত্যন্ত উচ্চ।

২। হিচাপ ৰক্ষকৰ পাঠ্যক্ৰম (Accountants' Courses)

এই বিষয়ৰ প্ৰধান পাঠ্যক্ৰম দুটা

ক) চনদপ্ৰাপ্ত হিচাপ ৰক্ষকৰ পাঠ্যক্ৰম।
Chartered Accountants Courses

খ) কষ্ট একাউনটেন্টৰ পাঠ্যক্ৰম।
Cost Accountants Courses

ক) চনদপ্ৰাপ্ত হিচাপ-ৰক্ষকৰ পাঠ্যক্ৰম :-

নতুন দিল্লীৰ ভাৰতীয় চনদপ্ৰাপ্ত হিচাপ ৰক্ষকৰ প্ৰতিষ্ঠানে (The Indian Institute of Chartered Accountants, New Delhi) এই বৃত্তিমূলক পাঠ্যক্ৰম পৰিচালনা কৰে। সকলো বৃত্তিমূলক হিচাপ ৰক্ষকৰ (Professional Accounts) ভিতৰত চাৰ্টাড-একাউণ্টেন্ট সকলেই সৰ্বাধিক গুৰুত্বপূৰ্ণ। উক্ত প্ৰতিষ্ঠানৰ সভাসকলেহে কেৱল নিজকে C. A. (Chartered Accountant হিচাবে পৰিচয় দিব পাৰে আৰু কাৰ্য্য নিৰ্বাহ কৰিব পাৰে।

উক্ত প্ৰতিষ্ঠানৰ সভ্য পদৰ (Membership) অধিকাৰী হবলৈ এচাম লোকে প্ৰতিষ্ঠানটোৰ দ্বাৰা পৰিচালিত Intermediate (Three Groups) আৰু Final (Three Groups) পৰীক্ষাত কৃতকাৰ্য্য হব লাগিব। তদুপৰি, তেওঁলোকে Article Clerk বা Audit Clerk হিচাবে নিৰ্দ্ধাৰিত সময়ৰ কাৰ্য্যকৰী প্ৰশিক্ষণো (Practical Training) সমাপ্ত কৰিব লাগিব।

নাম-ভৰ্তি (Admission) –নিম্নতম ১৭ বছৰ বয়সৰ স্নাতক সকলে এই পাঠ্যক্ৰমত ভৰ্ত্তি হব পাৰে অৱশ্যে স্নাতক পৰীক্ষাত ৫০%ৰ কম নম্বৰ পোৱা সকলে এটা এনট্ৰেন্স (Entrance) পৰীক্ষাত অৱতীৰ্ণ হব লাগে। মন কৰিব লগীয়া যে বাণিজ্য স্নাতক (Commerce Graduate) এই পৰীক্ষাৰ কোনো কোনো প্ৰশ্নকাকতৰ পৰীক্ষাৰ পৰা ৰেহাই (Exemption) পায়।

**অধ্যয়ন আৰু প্ৰশিক্ষণ (Study & Training)-**

আচলতে ই এটা ডাকযোগে চলোৱা পাঠ্যক্ৰম ( Postal Course ); অৰ্থাৎ শিক্ষাৰ্থী সকলে কোনো নিৰ্দ্ধাৰিত শিক্ষাকেন্দ্ৰলৈ গৈ শিক্ষা-লোৱাৰ প্ৰয়োজন নহয়। কেৱল পৰীক্ষাসমূহ দিবলৈহে নিৰ্দ্ধাৰিত শিক্ষাকেন্দ্ৰলৈ যাব লাগে। অসমৰ গুৱাহাটীও বৰ্ত্তমান এনে পৰীক্ষা কেন্দ্ৰ আছে। C. A. Intermediate & Final পৰীক্ষাত বহিবৰ বাবে শিক্ষাৰ্থী সকলে ডাক যোগে উক্ত অনুষ্ঠানে পঠোৱা নিৰ্দ্দিষ্ট সময় সীমাৰ পাঠ অধ্যয়ন কৰাৰ উপৰিও যি কোনো এজন Practising Qualified C. A. ৰ ওচৰত নিৰ্দ্দিষ্ট সময়ৰ বাবে প্ৰশিক্ষাৰ্থী হিচাবে সেৱা Apprentice service প্ৰদান কৰিব লাগিব। অৱশ্যে এই সেৱাৰ বাবে তেওঁ-লোকে সামান্য বৃত্তিও (stipend) পায়।

**কাৰ্য্যক্ষেত্ৰ আৰু ভৱিষ্যৎ (Scope & Future)** ব্যক্তিগত আৰু ৰাজহুৱা (Private and Public) উভয় খণ্ডতে বিত্তীয় পৰিচালনা (Financial Management) কৰ (Taxation), হিচাপ ৰক্ষা ( Accountancy ) হিচাপ পৰীক্ষা (Auditing) বিত্তীয় পৰামৰ্শ (Financial Advisory Work) ইত্যাদি গুৰুত্বপূৰ্ণ ক্ষেত্ৰ সমূহত C.A সকলে বিশেষ ভূমিকা বহন কৰে। আনহাতে, এওঁলোকে কোম্পানীৰ হিচাপ-পৰীক্ষা কৰ-উপস্থাপন ( Tax Representation ) আৰু পৰিচালনাৰ পৰামৰ্শদাতা ( Management Consultant ) ইত্যাদি বিষয়ত স্বাধীন ব্যৱসায় কৰাৰ অধিকাৰো পায়। এওঁলোক প্ৰায়ে গুৰুত্ব পূৰ্ণ প্ৰতিষ্ঠানৰ সভাপতি ( Chairman ) সঞ্চালক ( Director ) ইত্যাদি দায়িত্ব সম্পন্ন পদবীত অধিস্থিত হোৱা দেখা যায়। মুঠতে ই হ'ল অতি উজ্জ্বল ভবিষ্যতৰ বাবে এটা প্ৰতিশ্ৰুতি পূৰ্ণ পাঠ্যক্ৰম।

**২) খ) কষ্ট একাউনটেন্টৰ পাঠ্যক্ৰম:—** কলিকতাৰ কষ্ট একাউনটেন্টৰ প্ৰতিষ্ঠানে ( The Institute of Cost & Works Accountants' of India, Cal. ) এই পাঠ্যক্ৰম পৰিচালনা কৰে। ইও এক অন্যতম বৃত্তি মূলক হিচাপ-ৰক্ষণৰ পাঠ্যক্ৰম আৰু গুৰুত্বৰ ফালৰ পৰা ( Chartered Accountant ৰ প্ৰায় সমপৰ্যায়ৰ। এই পাঠ্যক্ৰম এটা Inermediate ( Three Groupes ) আৰু এটা Final ( Three Groupes ) পৰীক্ষা দিব লাগে।

**নাম ভৰ্ত্তি ( Abmission ) :** এই প্ৰতিষ্ঠানত নাম ভৰ্ত্তিৰ ক্ষেত্ৰত বিশেষ সুবিধা হল যে ১) কোনো ভৰ্ত্তিৰ পৰীক্ষা ( Entrance Exam. ) দিব নালাগে। ২) নিম্নতম শিক্ষাগত অৰ্হতা ( বৰ্ত্তমানলৈকে ) কোনো বিশ্ববিদ্যালয়ৰ Intermediate হলেই হয়। এই যোগ্যতা থকাসকলে নিৰ্দ্দিষ্ট পৰিমাণৰ ফিজৰ বিনিময়ত প্ৰথমে নিজৰ নাম উক্ত প্ৰতিষ্ঠানত পঞ্জীভুক্ত কৰি লব লাগে। অৱশ্যে তেওঁলোকৰ বয়স ১৮ বছৰ কম হব নালাগিব।

**অধ্যয়ন ( Study ) :—** নাম পঞ্জীভুক্ত কৰাৰ পাছত ছাত্ৰসকলে পুনৰ নিৰ্দ্দিষ্ট পৰিমাণৰ ফিজৰ বিনিময়ত নিজৰ নাম এই প্ৰতিষ্ঠানৰ

Coaching Administration নাম ভৰ্ত্তি ( Enroll ) কৰিব লাগে । ইয়াৰ পাচতে ছাত্ৰসকলক ডাকযোগে পাঠ প্ৰেৰণ কৰা হয়; অৱশ্যে ইচ্ছুক ছাত্ৰ সকলে ভাৰতৰ কেইখন-মান ডাঙৰ মহানগৰীত পৰিচালিত নিয়মীয়া শ্ৰেণীতো এই পাঠগ্ৰহন কৰিব পাৰে । নিম্ন-তম ১৫ মাহৰ বাবে এই ডাক শিক্ষা ( Postal Tuition ) নাইবা নিয়মীয়া শিক্ষা ( Oral Tnition ) গ্ৰহন কৰাৰ পাচত ছাত্ৰসকলে Intermeidate পৰীক্ষাত বহাৰ যোগ্যতা লাভ কৰে । মন কৰিবলগীয়া যে বাণিজ্য-স্নাতক সকলে এই Intermediate পৰীক্ষাৰ কোনো কোনো প্ৰশ্নকাকতৰ পৰা ৰেহাই পায় ।

Intermediate ( Three Groups ) পাচ কৰাৰ পাচত পুনৰ নিৰ্দ্দিষ্ট সময় সীমাৰ ডাক বা নিয়মীয়া পাঠ গ্ৰহণ কৰাৰ পাচত ছাত্ৰসকলে Final পৰীক্ষাত বহিব । Final ( Three Groups ) পৰীক্ষাত উত্তীৰ্ণ হোৱা সকলক উক্ত প্ৰতিষ্ঠানৰ সভাপদ দিয়া হয় ।

কাৰ্য্য-ক্ষেত্ৰ আৰু ভৱিষ্যৎ ( Scope and Future : ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ উৎপাদন প্ৰতিষ্ঠান সমূহেই হল Cost Accountant সকলৰ প্ৰধান কাৰ্য্যক্ষেত্ৰ । এওঁলোকে শিল্প উদ্যোগৰ নীতি নিৰ্দ্ধাৰণ ( Policy Making ) আৰু নীতিৰ কাৰ্য্যকৰীধাৰণ ( Execution of Policy ) ৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে । বৰ্ত্তমানৰ তীব্ৰ প্ৰতিযোগীতাৰ যুগত যি কোনো উৎপাদন প্ৰতি-ষ্ঠানৰ ( Production Establishment ) পৰিচালনা আৰু উত্তৰোত্তৰ উন্নয়নৰ ক্ষেত্ৰত এওঁলোকৰ গুৰুত্ব অপৰিসীম ।

শিক্ষিত ক'ষ্ট একাউন্টেট সকলে ( Qualifi-d Cost Accountants ) অতি সহজেই বৃহৎ আৰু ক্ষুদ্ৰ উদ্যোগ সমূহত নিযুক্তিৰ সুবিধা পায় । এনে প্ৰধান উদ্যোগবিলাক হল লো তীখা, চিমেণ্ট, ল'কমটিভ ( Locomotive ) আৰু বিভিন্ন যন্ত্ৰ, পাতিৰ উদ্যোগ সমূহ । আনহাতে, জাহাজ নিৰ্মাণ উদ্যোগ শক্তি প্ৰকল্প ( Power Plant ), ৰেইলৱে, সামৰিক প্ৰতি-ষ্ঠান, ৰাষ্ট্ৰীয় উদ্যোগ সমূহ, জন কল্যাণমূলক সেৱা সমূহ ( Public utility Services ) ইত্যাদিকে এওঁলোকৰ এখন সু-বিস্তৃত কাৰ্য্য-ক্ষেত্ৰ আছে । প্ৰায়ে এওঁলোকে গুৰুত্ব পূৰ্ণ প্ৰতিষ্ঠানৰ শীৰ্ষ স্থানীয় পদবীত অধিস্থিত হোৱাৰ সুযোগ পায় । এওঁলোকৰ দা দৰমহা আৰু অন্যান্য সা-সুবিধাও অতি উচ্চ পৰ্য্যায়ৰ ।

বৰ্ত্তমানে দ্ৰুত গতিত প্ৰসাৰতা লাভ কৰা ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ সমূহে ক'ষ্ট একা-উনটেণ্ট সকলৰ স্বাধীন ব্যৱসায়ৰ ক্ষেত্ৰও ব্যাপ-কতৰ কৰি তুলিছে ।

যোগাযোগৰ ঠিকনা :— ( Address for Commnunication

The Secretary, The Institute of cost & Works Accountants of India' 12 Sudeler Street, Calcutta- 700016

৩) কোম্পানী সচিবৰ পাঠ্যক্ৰমঃ – ( Company Secretaries Courses )

ভাৰতীয় কোম্পানী সচিবৰ প্ৰতিষ্ঠান, নতুন দিল্লীয়ে এই পাঠ্যক্ৰম পৰিচালনা কৰে । ই এক অতি মৰ্য্যাদাসম্পন্ন ডাক-পাঠ্যক্ৰম

rrespondanoe Courses ) । যৰতে
শিক্ষাৰ্থীসকলে এই পাঠ্যক্ৰম গ্ৰহণ কৰিব
। কেৱল পৰীক্ষা আৰু পাঠ্যক্ৰমৰ
বিশেষ প্ৰশিক্ষণৰ বাবেহে নিৰ্দিষ্ট ঠাইলৈ
াগে । আংশিক সময়ৰ ( Part time )
ম হোৱাত ই বিশেষকৈ কৰ্মী শিক্ষাৰ্থী
বেচি আকৰ্ষিত কৰে । কোম্পানী
ৰ ব্যৱস্থাৱলী আৰু এই প্ৰকাৰ সংগঠনৰ
তাই এই পাঠ্যক্ৰমৰ প্ৰতিশ্ৰুতি পূৰ্ণ
তৰ ইঙ্গিত দিয়ে ।

ভৰ্তি ( Admission ): উক্ত প্ৰতিষ্ঠানত
ভৰ্তিৰ বাবে এজোজন প্ৰাৰ্থীৰ ১৮ বছৰ
ৰ লাগে । প্ৰাৰ্থীজনৰ, নাম ভৰ্তিৰ আগেয়ে
প্ৰাথমিক ( Preliminary ) পৰীক্ষাত
উত্তীৰ্ণ হব লাগে । প্ৰাথমিক পৰীক্ষাৰ
যোগ্যতাৰ চৰ্ত হ'ল যি কোনো বিশ্ব-
দ্যৰ স্নাতক । বাণিজ্য স্নাতক আৰু
নম্বৰ পোৱা যি কোনো স্নাতকে এই
াৰ পৰা বেহাই পায় ।

ন ( Study ): – শিক্ষাৰ্থী সকলে প্ৰাথ-
পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত নাইবা
পৰা বেহাই পোৱাৰ পাছত নিজৰ নাম
প্ৰতিষ্ঠানত পঞ্জীভুক্ত কৰিব লাগে । ইয়াৰ
নিৰ্দিষ্ট সময় আৰু বিষয়ৰ বাবে বাধ্যতা
Postal tutiion গ্ৰহণ কৰিব লাগে ।
সভ্য পদৰ বাবে তেওঁলোকে এই প্ৰতি-
দ্বাৰা পৰিচালিত 1) Intermediate
2) Final পৰীক্ষাত উত্তীৰ্ণ হব লাগে ।
এই প্ৰতিষ্ঠানৰ পৰীক্ষা সমূহ সাধাৰণতে
ছবাৰকৈ জুন আৰু ডিচেম্বৰ মাহত

দেশৰ বিভিন্ন পৰীক্ষা কেন্দ্ৰত অনুষ্ঠিত হয় ।

যোগাযোগৰ ঠিকনা :—

The Secretary, The Institute of
Company Secretaries of India.
A— I/III, SAFDARJANG ENCLAVE
New Delhi - 110029

অন্যান্য ডাক পাঠ্যক্ৰম সমূহ — ( Other Correspondence Courses ) :—

ওপৰত ডাকযোগে গ্ৰহণ কৰিব পৰা পাঠ্যক্ৰম বৃত্তিমূলক ( Professional Courses ) কেইটাৰ বিষয়ে উল্লেখ কৰা হ'ল । এতিয়া ডাক যোগে গ্ৰহণ কৰিব পৰা ডিগ্ৰী আৰু ডিপ্লোমা পাঠ্যক্ৰম সমূহৰ এটি আভাষ দি এই প্ৰবন্ধৰ সামৰণি মৰা হব ।

আজিৰ মানৱ সমাজে সকলো প্ৰয়োজনীয় দিশতে উত্তৰোত্তৰ উন্নতি কৰি অতি দ্ৰুত গতিত ক্ৰমবিকাশৰ পথত অগ্ৰসৰ হৈছে । বৰ্তমানৰ মানৱ সমাজৰ প্ৰতিষ্ঠিত নীতিয়েই হৈছে, কেৱল আগবাঢ়ি গৈ থকাৰ । জীৱন পথত থমকি ৰোৱাৰ নৈতিক আজিৰ মানুহে প্ৰশ্ৰয় দিব নোখোজে । শিক্ষাৰ প্ৰসাৰ আৰু উন্নয়নৰ ক্ষেত্ৰতো এই নীতি অতি স্পষ্ট । জীৱিকা অৰ্জন, গ্ৰাম্য সমাজৰ বাধ্যবাধকতা, ওচৰতে শিক্ষানুষ্ঠানৰ সুবিধা নথকা স্কুল/কলেজত চিটৰ অভাৱ, শাৰীৰিক অক্ষমতা, নিয়মীয়া শিক্ষাৰ অতিমাত্ৰা খৰচ আৰু গৃহিনীৰ কৰ্মব্যস্ততা ইত্যাদি অজুহাতে ব্যক্তি-বিশেষৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত বাধাৰ প্ৰাচীৰ সৃষ্টি কৰাৰ দিন আৰু আজি নাই । প্ৰয়োজন কেৱল মনৰ দৃঢ়তা আৰু থাউতিৰ ।


জি, ব্যাপকভাবে প্ৰচলিত ডাক-মূহে ( Correspondance Cour-ক্ৰ লোকসকলক শিক্ষাৰ পথত নিয়াৰ সুবিধা প্ৰদান কৰিছে। বাৱস্থাত ডাক যোগে নিয়মীয়াকৈ প্ৰেৰণ কৰি ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা আৰু নিৰ্দিষ্ট সময়ৰ পাছত বিভিন্ন দ্ৰত পৰীক্ষা দিয়াৰ সুযোগ দিয়া হয়। লোৱা পৰীক্ষাৰ অন্তত কৃতকাৰ্য্য লক অন্যান্য নিয়মীয়া পৰীক্ষাৰ ডিগ্ৰী আৰু ডিপ্লোমা প্ৰদান কৰা ই পৰীক্ষা সমূহৰ পাঠ্যক্ৰম আৰু া নিয়মীয়া ছাত্ৰৰ দৰেই একে। ই শিক্ষা পদ্ধতিও নিয়মীয়া শ্ৰেণীৰ মানেই গ্ৰহণীয়। কেৱল, শিক্ষা-চনত বিশেষ সতৰ্ক হোৱা প্ৰয়োজন Recognised ) ডিগ্ৰী আৰু ডিপ্লোমা লে বিভিন্ন বিশ্ববিদ্যালয়সমূহে পৰি-ৰা Correspodence Course উচিত। এনে পাঠ্যক্ৰম পৰিচালনা ন বিশ্ববিদ্যালয় সমূহ হ'ল Delhi, Mysore, Madurai, Osmania Allahbad, Bombay, Patna, Madras, ইত্যাদি প্ৰায় ২৭ খন ভাৰতীয় বিশ্ববিদ্যালয়।

এই বিশ্ববিদ্যালয়ৰ সমূহে নিজ নিজ বিশেষ শাখাৰ জৰিয়তে পৰিচালনা কৰা পাঠ্য-ক্ৰম সমূহৰ ভিতৰত Pre-Degree/Interme-diate ৰ পৰা M. A /M. Com. আৰু B Ed/.M Ed. আদিলৈকে অন্তৰ্ভুক্ত।

এই পাঠ্যক্ৰম সমূহৰ বিষয়ে অধিক তথ্য সন্নিবিষ্ট কৰাৰ পৰা বিৰত থকা হ'ল।

তথ্যৰ উৎস সমূহ ( Sourses of Data and Informations )

1) Prospectus The Institute of Cost and works Accountants of India.
2) Prospactus, The institute of Company Secretaries of India.
3) Carrier, Information Series, Published by Carrier Study. Cantre, Ministry of Labour. Govt. of India.
4 Carrier Magazines:—
a) Carriers Digest, November, 1981
b) Carriers &. Competition Times, July, 1982



# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেওঁৰ প্ৰতিভা

শ্ৰীনৰেন ভূঞা
প্ৰাক্ স্নাতক, ২য় বাৰ্ষিক।

যেতিয়াই এখন দেশত ধৰ্মৰ নামত ব্যাভিচাৰ, মুষ্টিমেয় কেইজ মান লোকৰ পৈত্ৰিক সম্পত্তিৰ দৰে ধৰ্মক ভাগ ভাগ কৰি সমাজত আধিপত্য বিস্তাৰ কৰিবলৈ প্ৰয়াস কৰে আৰু যেতিয়াই ৰাজনৈতিক অনৈক্য, সামাজিক বিশৃঙ্খলতা, সাংস্কৃতিক বিপৰ্যয় আদি সংঘটিত হয়, তেতিয়াই সেইখন দেশত এজন ঈশ্বৰ স্বৰূপে বহু প্ৰতিভা সম্পন্ন ব্যক্তিয়ে জন্মগ্ৰহণ কৰি ভাঙনমুখী সমাজক নিজ ব্যক্তিত্বৰ প্ৰতিভাত সমাজৰে আমূল পৰিবৰ্ত্তন সাধি পোহৰৰ পথত আগুৱাই নিয়ে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ এনে এক অৱতাৰ যি জনে প্ৰাক-শঙ্কৰী যুগৰ তিমিৰাচ্ছন্ন অসমভূমিক দেৱ দেৱীৰ পূজাৰ কৰাল গ্ৰাসৰ পৰা উদ্ধাৰ কৰি শান্তি, মৈত্ৰী, ভাতৃত্ব আৰু প্ৰকৃত মানৱ ধৰ্ম্মৰে সমৃদ্ধ সনাতন ধৰ্ম

"এক দেৱ এক সেৱ,
এক বিনে নাই কেৱ।"

প্ৰবৰ্ত্তন কৰি থৈ গল। তেৰাৰ ধৰ্ম বিশেষ জাতি, ধৰ্ম্ম, বৰ্ণ বা সম্প্ৰদায়ৰ বাবে প্ৰচাৰ কৰা নাই। এই ধৰ্ম বিশ্বজনীন, সাৰ্ব্বজনীন। মাধৱদেৱ পুৰুষে গুৰু বন্দনাত উল্লেখ কৰিছে।

"হৰি ভকতিৰ পাতিলন্ত হাট
শঙ্কৰে জগত জুৰি,
ৰাম নাম ৰত্ন বিকায়া জগতে
চলয় বৈকুণ্ঠ পুৰী।"

শঙ্কৰদেৱ একেধাৰে একজন কবি, সাহিত্যিক সমাজ সংস্কাৰক, সঙ্গীত কলা বিশাৰদ, শিল্পী ব্যায়ামবীৰ, ন্যায়নিষ্ঠ ধৰ্ম্ম প্ৰচাৰক আদি। সেয়েহে বোধহয় অধ্যাপক বাসুদেৱ চৰণ অগ্ৰৱালে কৈছে। "শঙ্কৰদেৱ এনে এক জ্যোতিষ্মান সূৰ্য্য যি জনৰ মনৰ উত্তাপ লাগি অসম এপাহি সহস্ৰদল কমলৰ বিকশিত হৈ উঠিছিল"। প্ৰাচ্যৰ এগৰাকী শ্ৰেষ্ঠ মনীষী ডাঃ সুনীতি কুমাৰ চট্টোপাধ্যায় দেৱে শঙ্কৰদেৱৰ বিষয়ে লিখিছে — "Sankardev is specially connected with Assam, but he belongs to the whole of

India and he has also universal quality - as a m:n of faith and relegion of learning and organisation, তদুপৰি পাশ্চাত্যৰ পণ্ডিত সকলেও শঙ্কৰদেৱক মহাপুৰুষৰ শাৰীৰ পৰা আতৰাবলৈ চেষ্টা কৰা নাই।

অসমীয়া ভাষাত এষাৰ প্ৰৱচন আছে। " যি মূলা বাঢ়ে তাৰ দুপাতে চিন "। শঙ্কৰদেৱৰ ক্ষেত্ৰত এই ফকৰা প্ৰযোজ্য। সৰ্ব্ব সু-লক্ষণেৰে সু-শোভিত পুৰুষ সুলভ অনিন্দ্য সুন্দৰ শঙ্কৰদেৱক সকলোৱে ভৱিষ্যতে মহান পণ্ডিত হ'ব বুলি শৈশৱ কালতেই ঠাৱৰ কৰিছিল। বাৰ বছৰ বয়সলৈকে শিক্ষাবস্ত নকৰা শঙ্কৰদেৱক বুঢ়ীমাক খেৰসুতীয়ে বঢ়াই বুজাই ছাত্ৰাশালালৈ যাবলৈ মান্তি কৰালে। ছাত্ৰাশালাত ভৰ্ত্তি হোৱাৰ পিছৰে পৰাই তেওঁৰ স্বভাৱ পৰিবৰ্ত্তন হ'ল আৰু মেধাবী ছাত্ৰৰূপে স্বীকৃতি পালে। অতি কম দিনৰ ভিতৰতে সন্ধি সূত্ৰ নিশিকাকৈ এই স্তোত্ৰটি লিখিছিল।

" কৰতল কমল কমলদল নয়ন।
ভৱদৱ দহন গহন বন শয়ন ॥
নপৰ নপৰ পৰ সতৰত গময়।
সভয় মভয় ভয় মমহৰ সততয় ॥
খৰতৰ বৰশৰ হতদশ বদন।
খগচৰ নগধৰ ফণধৰ শয়ন ॥
জগদঘ মপহৰ ভৱভয় তৰণ।
পৰপদ লয়কৰ কমলজ নয়ন ॥ "

শিক্ষক মহেন্দ্ৰ কন্দলিয়ে শঙ্কৰদেৱৰ প্ৰতিভাত আকৃষ্ট হৈ ওজা ছাত্ৰৰূপে স্বীকৃতি দিলে। সোতৰ বছৰ বয়সত বেদ, শিক্ষা, কল্প, জ্যোতিষ ব্যাকৰণ, কাব্য, তৰ্ক, শ্ৰুতি, পুৰাণ আদি শাস্ত্ৰৰ অধ্যয়ণ সাং কৰি গুৰু গৃহৰ পৰা বিদায় লয়। উনৈশবছৰ বয়সত তেওঁ চিহ্ন যাত্ৰাৰ অভিনয় পাতি অসমত নাট্য কলাৰ সৃষ্টি কৰে আৰু লগতে ঈশ্বৰ চিন্তা, বেদ অধ্যয়ণ আদি যে কেৱল ব্ৰাহ্মণ সকলৰহে কাৰ্য্য নহয় তাক চিহ্ন যাত্ৰাৰ জৰীয়তে জনসাধাৰণক বুজাই দিলে। অৱশ্যে এইখিনিতে ৰক্ষণশীল ব্ৰাহ্মণ সকল আৰু শঙ্কৰদেৱৰ মাজতে মনোমালিন্য হয় যদিও অৱশেষত ৰাম সৰস্বতী, বিদ্যা পাঠক আদি ব্ৰাহ্মণ সতীৰ্থ সকলেও শঙ্কৰদেৱৰ চৰণত শৰণ লয়। চিহ্ন যাত্ৰাৰ অন্তত তেৰাৰ প্ৰতি প্ৰগাঢ় ভক্তিত সকলোৰে মুৰ দো খালে আনকি শিক্ষা গুৰু মহেন্দ্ৰ কন্দলিয়ে আশীৰ্বাদ দিয়াৰ পৰিবৰ্ত্তে সভাসদ সকলৰ আগত —

" শুনা শুনা সভাসদ বোলো নিশ্চয় বচন,
শঙ্কৰদেৱত মই পশিলো শৰণ "

বুলি উচ্চস্বৰে ঘোষণা কৰি শঙ্কৰদেৱত শৰণ ললে।

শঙ্কৰদেৱৰ ধৰ্ম্ম প্ৰচাৰ কেউদিশে ব্যাপ্ত হৈ পৰিল। লোক সমাগম অধিক হোৱাত তেওঁ কীৰ্ত্তন ঘৰ সজাই শাস্ত্ৰতত্ব উদ্ধাৰ কৰি তেৰাৰ সত্য শুদ্ধ মত প্ৰচাৰৰ কাৰণে বিভিন্ন গ্ৰন্থ প্ৰণয়ণ কৰিলে। কীৰ্ত্তন ঘৰ নিৰ্ম্মাণ হোৱাৰ পিছত " হৰিচন্দ্ৰ উপাখ্যান " "ৰুক্মিনী হৰণ" আদি কাব্য ৰচনা কৰে বুলি নানা সমালোচকে মত ভাডি ধৰিছে। বেজবৰুৱা দেৱে ৰুক্মিণীহৰণ পুথিখনিৰ ৰসাল বৰ্ণনা সমূহ লক্ষ্য কৰি ডেকা

কালৰ ৰচনা বুলি ঠাৱৰ কৰিছে।

দেৱী পূজা, বলি পূজা আদিত অন্ধ অসমবাসীক আধ্যাত্মিক দিশত সংস্কাৰ কৰিবলৈ যাওঁতেই তেওঁ অসমত পোন প্ৰথমবাৰৰ বাবে ফাকুৱা উৎসৱ ২১ বছৰ বয়সত পালন কৰে। তেওঁ দেখুৱাই থৈ গল যে একশৰণ নহলে জীৱই কদাপি সিদ্ধি লাভ কৰিব নোৱাৰে মাধৱদেৱে নাম ঘোষাত লিখিছে —

"ৰচনে কেৱল মাত্ৰ     হৰিত শৰণ লই
চিত্তে আন দেৱক ভজয়।
জানিবাহা কদাচিতো     সিদ্ধি সিটো নহয়
হৰি তাৰ সন্তোষ নহয় ॥"

তেখেতৰ বহুতো ঐশ্বৰিক প্ৰতিভাৰ কথাও শুনিবলৈ পোৱা যায়। এবাৰ আলিপুখুৰী অঞ্চলত অনাবৃষ্টি হোৱাত প্ৰেমোন্মৰ্ত্ত হৈ নাম কীৰ্ত্তন কৰি আকাশৰ পৰা জলধাৰা নমাই আনিলে। এই জলধাৰাই আকাশী গঙ্গা।

"হৰি নাম ৰসে/বৈকুণ্ঠ প্ৰকাশে/
প্ৰেম অমিতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে/পাৰ ভাঙ্গি দিলে/
বহে ব্ৰহ্মাণ্ডক ভেদি ॥"

শঙ্কৰদেৱৰ বৈষ্ণৱ ধৰ্ম্ম যে কেৱল অসমতেই প্ৰচলিত হৈছিল এনে নহয় বৰং সমগ্ৰ ভাৰতবৰ্ষতেই এই ধৰ্ম্মই প্ৰসাৰ লাভ কৰিছিল। গুৰুজনাৰ সুদীৰ্ঘ বাৰ বছৰ তীৰ্থ যাত্ৰা কালত বৃন্দাবনৰ ৰূপ সনাতন আদিয়েও গুৰুজনাৰ ওচৰত শৰণ লৈছিল।

"এক নাম ধৰ্ম্ম     আন নাহি কৰ্ম্ম
কৰিছো এক শৰণ।
তথু আজ্ঞাচয়     হৰি কৃপাময়
কহিলো নিজ বচন ॥

তাৰোপৰি জগন্নাথ ক্ষেত্ৰৰ পাণ্ডা সকলেও তেওঁৰ শ্ৰেষ্ঠত্ব স্বীকাৰ কৰিছিল।

ড° মহেশ্বৰ নেওগৰ মতে ৫৪ বছৰ বয়সত দ্বিতীয় বিবাহ, ৬০ বছৰ বয়সত জগদীশ মিশ্ৰৰ পৰা ভাগৱত প্ৰাপ্তি আৰু পিছৰ ৭ বছৰৰ কীৰ্ত্তন ৰচনা। তেৰা পুনৰ বিবাহ পাশত আবদ্ধ হ'ল যদিও তেওঁৰ মন বিষয়াসক্তিয়ে বান্ধ খুৱাব নোৱাৰিলে। ত্ৰিহু-তৰ ব্ৰাহ্মণ জগদীশ মিশ্ৰই গুৰু জনাৰ পাণ্ডি-ত্যত মুগ্ধ হৈ সুদূৰ জগন্নাথৰ পৰা বৰদোৱালৈ ভাগৱত পাঠ কৰিবলৈ আহে।

উল্লেখনীয় যে গুৰুজনাই একান্তমনে ধৰ্ম্ম প্ৰচাৰ কৰিব পৰা নাছিল। সেই সময়ৰ এচাম ব্ৰাহ্মণ পণ্ডিতে গুৰুজনাৰ একশৰণ ধৰ্ম্ম স্বীকাৰ কৰা নাছিল আৰু কাজেই তেওঁলোকে গুৰুজনাৰ ধৰ্ম্ম বিকৃত বুলি দেখুৱাবলৈ নানা- অভিসন্ধি কৰিছিল ফলত গুৰুজনাই ৰাজসভাত জবাবদেহি হোৱাৰ পৰা বাসস্থান লৰা ফুৰিব লগা হৈছিল। গুৰুজনাই কিন্তু ব্ৰাহ্ম সকলক কুট ব্যৱহাৰ কৰাৰ পৰিবৰ্ত্তে প্ৰশংস হে কৰিছিল। তেৰাই সকলো কষ্ট নগ পৈত্ৰিক বিষয় বাসনাকো ত্যাগ কৰি বে বেদান্ত, গীতা, ভাগৱত আদিৰ গূঢ়তত্ব উদ্ধা সহজবোধ্য অমৃতোপম শাস্ত্ৰসমূহৰ ভেটি নিৰ্ম্মল ধৰ্ম্মপথ থাপি থৈ গৈছে। কবি ভাগৱতৰ শ্লোকৰ সৰল স্বচ্ছ অসমীয়া ভাঙ কৰি সাধাৰণৰ বোধগম্য কৰি ভক্তিৰস প কৰাব পৰা শক্তি আজিৰ দিনত কেইজ

ওলাব ? ক্ষমা মহাপুৰুষৰ এটা মহান গুণ।

তেখেতৰ প্ৰতিভাৰ অন্য এক জ্বলন্ত উদাহৰণ হল গুনমালা পুথি ৰচনা। নৰ-নাৰায়ণ ৰজাৰ ৰাজসভাত থকা সময়ছোৱাত ব্ৰাহ্মণ পণ্ডিত সকলে তেৰাক হেয় প্ৰতিপন্ন কৰিবৰ মানসেৰে নানান শাস্ত্ৰ তৰ্ক কৰিছিল যদিও অৱশেষত তেওঁলোকৰেই পৰাজয় হৈছিল। এবাৰ মহাৰাজ নৰনাৰায়ণে ( ব্ৰাহ্মণসকলক জুখিবলৈ ) ক'লে যে তেওঁক একে বহাতে ভাগৱত পাঠ কৰি শুনাব লাগে। তাকে শুনি অন্যান্য পণ্ডিত বৰ্গই ক'লে যে এনে কাৰ্য্য ভোৰোকাত হাতী ভৰোৱাৰ তদ্ৰূপ। পিছদিনা ৰাজসভা লোকে লোকাৰণ্য হ'ল। শঙ্কৰদেৱে ৰাতিটোৰ ভিতৰতে ভাগৱতৰ সাৰ সমূহ সংগ্ৰহ কৰি শিতাখিনি লৈ জোল খিনি পেলাই দি গুণমালা পুথি ৰচনা কৰি পিছদিনা ৰজাক ৰাজসভাত শুনালেহি। জীৱনৰ সন্ধিয়া পৰত ৰজা নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত থকা কালছোৱাতেই ৰজাৰ অনুৰোধক্ৰমে ৬০ হাত দীঘল ৩০ হাত বহল বৃন্দাবনীয়া বস্ত্ৰ বোৱায়। এই বস্ত্ৰত বৃন্দাবনৰ নানা চিত্ৰ অঙ্কিত হৈছিল। কিন্তু কালৰ চাকনৈয়াত পৰিয়েই হওক বা অসমীয়াৰ দূৰদৰ্শিতাৰ অভাৱতেই হওক আজি সেই বৃন্দাবনীয়া বস্ত্ৰও পাবলৈ নাই আৰু তেৰাৰ স্বহস্ত লেখাও পোৱা নগ'ল।

গুৰুজনাই অতি কষ্টেৰে বৈষ্ণৱ ধৰ্ম্মৰ বৃক্ষ জোপা ৰুই থৈ গ'ল। এই ধৰ্ম্ম অতি উচ্চ ধৰ্ম্ম। আগতেই উল্লেখ কৰি অহা হৈছে যে এই বৈষ্ণৱ ধৰ্ম্মৰ মূঁতত জাতি ভেদৰ প্ৰথা নাই। তেৰাৰ ভক্ত সকলৰ ভিতৰত গাৰোৰ গোবিন্দ, মিৰিৰ পৰমানন্দ, কৈবৰ্ত্তৰ পূৰ্ণানন্দ, বনিয়াৰ হৰিদাস, নগাৰ নৰোত্তম আদি ভকতসকলে কুলীন ? ভকত মিশ্ৰ, কন্দলি আদিৰ লগত শাৰী পাতি বহিব পাৰিছিল। নামঘৰৰ চাৰিবেৰ নথকাৰ মূলতেই হল ই সকলো ভাষিক, বৰ্ণ, ধৰ্ম্ম, সম্প্ৰদায়ৰ বাবে মুক্ত। মহাপুৰুষজনাই কীৰ্ত্তনত উল্লেখ কৰিছে —


কুকুৰ শৃগাল গৰ্দভৰো আত্মা ৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম ॥

তেখেতৰ বিখ্যাত ৰচনা কীৰ্ত্তন, ভাগৱতৰ প্ৰথম আৰু দ্বিতীয় স্কন্ধ, অনাদি পতন, অজা-মিল উপাখ্যান, প্ৰহ্লাদ চৰিত্ৰ, বলিছলন, অমৃত মথন, হৰিশ্চন্দ্ৰ উপাখ্যান, আদ্য দশম, একাদশ আৰু দ্বাদশ স্কন্ধৰ প্ৰথম ভাগ সমন্বিতে নিমি নৱসিদ্ধ সংবাদ, ভক্তি ৰত্নাকৰ, ভক্তি প্ৰদীপ আদি অনেক ভক্তি শাস্ত্ৰ আৰু অঙ্কীয়া নাট বৰগীত, গুণমালা, ভটিমা, তোটয়, চপয় আদিও ৰচনা কৰি অসমীয়া ভাষা সাহিত্যৰ ভেটি বান্ধি থৈ গ'ল। এই ধৰ্ম্মই জনগণক সহজে আকৰ্ষণ কৰা উদ্দেশ্যত সমাজত যাত্ৰা, ভাওনা সংকীৰ্ত্তন আদিৰো বেহা মেলি তাৰে সাধনৰ অৰ্থে বিবিধ তাল, খোল, মৃদং, নাগেৰা, দবা, কাঁহ, ডম্বৰু, খঞ্জৰী আদি নানান বাদ্যযন্ত্ৰ আৱিষ্কাৰ কৰি থৈ গ'ল। তেখেতৰ চিহ্নযাত্ৰা, কালীয় দমন, ৰাসক্ৰীড়া, ৰামবিজয় আদি নাটক সমূহেও জনগণক ধৰ্মীয় দিশত অনুপ্ৰাণিত কৰি তুলিছে। মুঠৰ ওপৰত শঙ্কৰদেৱ সৰ্ব্বগুণৰ অধিকাৰী আছিল।

জয় গুৰু শঙ্কৰ সৰ্ব্ব গুণাকৰ
যাকেৰি নাহি উপমা।

সঁচাকৈয়ে উপমা দিবলৈ একো নাই। আজিৰ অসমীয়া সমাজৰ ধৰ্ম্মধাৰা বাদদিও সাহিত্য, সংস্কৃতি, সভ্যতা, কলা, কৃষ্টি সদাচাৰ, সামাজিক গাথনি আদি সভ্য সমাজৰ সকলো সু-কীৰ্তি শ্ৰীমন্ত শঙ্কৰদেৱৰ অৱদান। বিশ্বৰ সভ্যতাৰ দৰবাৰত অসমীয়াই আজি চিনাকী দিব পাৰিছে কেৱল মাথো এজন ব্যক্তিৰ প্ৰতিভাৰ ফলত সেয়া হ'ল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ। অসমবাসীলৈ দিয়া তেখেতৰ অৱদান তুলাচালনিৰে জুখিব নোৱাৰি। শদিয়াৰ পৰা ধুবুৰীলৈকে গাঁৱে ভুঁয়ে, চহৰে – নগৰে আজি হৰি নামৰ ধ্বনি আৰু খোল তালৰ মৃদু গুঞ্জনে মুখৰিত কৰি তুলিছে। সেয়েহে কবি যতীন্দ্ৰ নাথ দুৱৰা দেৱে যথাৰ্থ ভাবেই উল্লেখ কৰিছে —

তোমাৰ জীৱনী দেৱ লেখে এনে সাধ্য কাৰ,
গোটেই অসম ভূমি বিস্তৃত জীৱনী যাৰ।



শঙ্কৰদেৱে নানাবিধ গীতত ধ্ৰুপদী ৰাগ-ধাৰা প্ৰৱৰ্তন কৰে, নাটকত ধ্ৰুপদী ৰূপকৰ (নাটকৰ) অঙ্গগ্ৰহণ কৰে আৰু নাটকৰ ভিতৰত আৰু স্বতন্ত্ৰভাৱে ভৰত মুনিৰ দিনৰ পৰা চলি অহা ধ্ৰুপদী নৃত্ত-নৃত্য-নাট্য উপাদান কিছু সন্নিবিষ্ট কৰে। আৰু এই ধ্ৰুপদী সম্পদ সৰ্বসাধাৰণৰ সম্পত্তি কৰি থৈ যোৱাতেই শঙ্কৰদেৱৰ বিচিত্ৰ সাংস্কৃতিক কাৰিকৰী কেইবা শতিকাৰো অন্তত আজিও প্ৰকাশ পাই আছে।

—৫৮ পৃ, সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল।

# অসমৰ জনশক্তি
## আৰু
# ভাৰত চৰকাৰ

শ্ৰীবিৰাজ মোহন দত্ত
১ম বাৰ্ষিক, স্নাতক মহলা

গণতান্ত্ৰিক দেশ ভাৰতবৰ্ষৰ উত্তৰ পূব কোণত অৱস্থিত অসমে আজি প্ৰায় তিনিবছৰে নিজৰ অস্তিত্ব ৰক্ষা কৰিবৰ বাবে অবিৰত ভাবে সংগ্ৰাম কৰি আহিছে আৰু সংগ্ৰাম কৰি যাব যি দিনালৈকে অসমীয়াৰ এক গ্ৰহণযোগ্য সমাধান চৰকাৰে দিব নোৱাৰিব। ভাৰত স্বাধীন হোৱাৰ পিছত অসমৰ বৰ্ত্তমান আন্দোলনৰ দৰে অহিংস আৰু দীৰ্ঘলীয়া আন্দোলন হোৱাৰ নজীৰ কতো নাই। ভাৰতবৰ্ষৰ ইতিহাসত মহামানৱ মহাত্মা গান্ধীয়ে দেখুৱাই যোৱা অহিংসা পথেৰে, অসমবাসী ৰাইজে আজি আন্দোলনত নামিছে। লাখ লাখ অবৈধ বিদেশী নাগৰিক বহিষ্কাৰৰ দাবীত অসম বাসীয়ে কৰা গান্ধীবাদী আন্দোলনৰ প্ৰতি ভাৰত চৰকাৰে সমৰ্থন জনাব লাগিছিল। কাৰণ ভাৰত স্বাধীন হোৱাৰ পিছত গান্ধীৰ আদৰ্শৰে আন্দোলন কৰা অসমেই প্ৰথম। কিন্তু ভাৰত চৰকাৰে সমৰ্থন জনোৱাতো দূৰৰ কথা, আজি আমাক চৰকাৰে দেশদ্ৰোহীহে আখ্যা দিছে। লগতে জাতিটোক নিঃশেষ কৰিবলৈ চৰকাৰ আগবাঢ়ি আহিছে। যাৰ ফলত আমাৰ আন্দোলনতো ধৰ্ম নিৰ্বিশেষে প্ৰায় এশ (১০০) জন লোক শ্বহীদ হৈছে আৰু কিমান জন জীৱনৰ বাবে ঘূণীয়া হৈছে সেয়া অতুলনীয়। দেশৰ সংবিধানৰ ওপৰত আৰু গণতন্ত্ৰৰ ওপৰত বিশ্বাসী (?) এখন চৰকাৰৰ পৰা এনে কাৰ্য্য আমি দেশৰ নাগৰিক হিচাবে কেতিয়াও আশা কৰা নাছিলো। অসম বাসীৰ এই আন্দোলনত বিভিন্ন জাতি, বৰ্ণ, ধৰ্ম্ম আৰু ভাষা নিৰ্বিশেষে সকলো লোকৰ যে সক্ৰিয় সমৰ্থন তথা সহযোগ আছে, সেই কথাটো চৰকাৰে বুজি পোৱা উচিত। ইয়াৰ উপৰিও অসমৰ জনশক্তিয়ে এই সমস্যা সমাধান নেহোৱা পৰ্য্যন্ত যে কোনো পথে শান্ত নহয়, সেই কথাটো ভাৰত চৰকাৰে উপলব্ধি কৰিবৰ হ'ল। কাৰণ এই সমস্যাটোৰ ওপৰতেই অসমীয়াৰ

ভৱিষ্যত নিৰ্ভৰ কৰিছে। আনহাতে আমাৰ দুৰ্ভাগ্য যে ভাৰত চৰকাৰৰ বৰ্ত্তমান অ-গণতান্ত্ৰিক কাৰ্য্যক তীব্ৰ প্ৰতিবাদ কৰিবলৈ আমাৰ ৰাজনৈতিক নেতা (?) সকলৰ সময় নাই ! বিদেশী ভোটেৰে জয়ী হোৱা এই সকল নেতা আজি অসম বাসীৰ এই সংকটপূৰ্ণ অৱস্থাত আমাৰ মাজৰ পৰা আঁতৰি আছে। এই ৰাজনৈতিক নেতা সকলে কাক প্ৰতিনিধিত্ব কৰিছে সেয়া আমি ভালদৰে বুজিব পাৰিছো। মুঠতে এই ৰাজনৈতিক সকলে এতিয়া ঘোলা পানীত মাছ ধৰাৰ দৰে, পুনৰ বিদেশী ভোটেৰে জয়ী হৈ আসন লবলৈহে আশা কৰি আছে।

উত্তৰ কামৰূপৰ যেতিয়া অসমীয়া তিৰুতাৰ ওপৰত দানৱ অত্যাচাৰৰ দৰে অত্যাচাৰ চলিছিল, বৰপেটাত যেতিয়া অসমীয়াক বিদেশীয়ে ঘৰতে আলহী কৰিছিল তেতিয়া আমাৰ ৰাজনীতিবিদ সকল নিমাত নিতাল মাৰি শুই আছিল। এই কাৰ্য্যাই চৰকাৰৰ ভিতৰত থকা অসম বিৰোধী কু-চক্ৰক দুগুণে উৎসাহিত কৰিলে। মুঠৰ ওপৰত আমি এই ভুৱা ৰাজনীতিবিদ সকলৰ ওপৰত সম্পূৰ্ণ আস্থা হেৰুৱাই পেলাইছো।

এটা সাংবিধানিক তথা ন্যায্য দাবী মানি লোৱাৰ বাবে চৰকাৰে যি লুকা-ভাকু খেলি আছে, তাৰ পৰা এই চৰকাৰখনৰ গণতন্ত্ৰ আৰু সংবিধানৰ ওপৰত কিমান বিশ্বাস সেই কথা ওলাই পৰিছে। চৰকাৰৰ এই ছল চাতুৰিয়ে অসমৰ জনশক্তিক অকণো আঘাত হানিব পৰা নাই। বৰঞ্চ জনগণক দুগুণে দৃঢ় কৰিহে তুলিছে। যাৰফলত আন্দোলনৰ কাৰ্য্যসূচী কঠোৰমুখী হবলৈ বাধ্য হৈছে। অৱশ্যে চৰকাৰে আন্দোলনৰ ওপৰত দমন-নীতি লোৱা ফলত আমাৰ কিছুমান যুৱকক উগ্ৰ কৰি তুলিছে। আৰু তেনেকুৱা স্বাভাৱিক।

এই সকল যুৱকে ভবা উচিত আমি আজি শান্তিপূৰ্ণ আন্দোলন কৰোতে আমাক যেনেদৰে অত্যাচাৰ কৰিছে, আমি যদি হিংসাৰ আশ্ৰয় লওঁ তেনেহলে আমাৰ ওপৰত কেনে অত্যাচাৰ চলায় সি সহজেই অনুমেয়। চৰকাৰৰ চকুত আজি আমি তথা অসমীয়া সকল হল দেশদ্ৰোহী আৰু অবৈধ বিদেশী সকল হল পৰম বন্ধু তথা দেশপ্ৰেমী। যাৰ ফলত আজি অসমীয়া সকলে অনুভৱ কৰিছে ভাৰত স্বাধীন হোৱা পয়ত্ৰিশ বছৰে চৰকাৰে আমাক কি দিলে ? লাখ, লাখ বিদেশী ??

নিজৰ অস্তিত্ব ৰক্ষাৰ কাৰণে অসমবাসীয়ে আজি চৰম ত্যাগ স্বীকাৰ কৰিবলৈ আগবাঢ়ি আহিছে। বিশ্বৰ আন আন দেশৰ বুৰঞ্জীৰ পাত লুটিয়াই চালে আমি দেখা পাম, যে কোনো সময়তে ত্যাগৰ অবিহনে কোনো জাতিয়ে কোনো গুৰুত্বপূৰ্ণ বিষয়ত সফল হব পৰা নাই। হয়তো কোনোবা জাতিয়ে কম ত্যাগ কৰিছে আৰু কোনোবাই বেছি ত্যাগ কৰিছে। কিন্তু নিৰ্দিষ্ট স্থলত উপনীত হবলৈ ত্যাগ অবশ্যম্ভাৱী। অসমৰ বৰ্ত্তমান গণ-আন্দোলনৰ ক্ষেত্ৰতো ইতিহাসৰ সেই অপ্ৰিয় অথচ জ্বলন্ত সত্য প্ৰযোজ্য। অৱশ্যে যি সকল লোকে হতাশ বা উগ্ৰ হৈ পৰিছে, সেই সকলে বৰ্ত্তমান যথেষ্ট ধৈৰ্য্য ধৰিব লাগিব। কাৰণ বৰ্ত্তমান সময়ত আমাৰ প্ৰধান বস্তু

কেইটা হৈছে ধৈৰ্য্য, শক্তি, সাহস আৰু একতা। বৰ্ত্তমান ভাৰত চৰকাৰে অসমৰ সমস্যা সমাধানৰ নামত জটিলতাৰ সৃষ্টি কৰিছে, সেইয়া আৰু বেছি দিন নচলে। কাৰণ ১৯৮৩ চনৰ মাৰ্চ মাহৰ আগতে এই পলায়নবাদী মনোভাবৰ ফলাফল পোৱা যাব।

যদি সেই দিনটোলৈ চৰকাৰ আগবাঢ়িব নোখোজে তেন্তে অসমবাসীৰ নায্য আন্দোলনৰ দাবী সমূহ মানি লোৱাৰ সময় আহি পৰিছে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ যদি মত সলনি নহয় তেন্তে অসমবাসী ৰাইজে সেই দিনটো বাট চাব লাগিব। একালে অহিংসাৰ পূজাৰী অসমৰ জনশক্তি আৰু আনকালে গণতন্ত্ৰৰ মুখা পিন্ধা ভাৰত চৰকাৰে পৰস্পৰে পৰস্পৰৰ সন্মুখীন হব লাগিব। সেই দিনাই অসম আৰু অসমবাসীৰ ভাগ্য নিৰ্ণয় হব লাগিব। অৱশেষত সকলো কথা নিৰ্ভৰ কৰিছে অসমবাসীক নেতৃত্ব দিয়া সদৌ অসম ছাত্ৰ সন্থা ( AASU ) আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ ( AAGSP ) ওপৰত। ইয়াৰ উপৰিও অসমবাসী ৰাইজৰ নিৰ্দিষ্ট স্থানত উপনীত হোৱাৰ দৃঢ়তা থাকিলে অহিংসাৰ পথৰ পৰা অকণো বিচলিত নহলে আমাৰ জয় সুনিশ্চিত। কাৰণ সত্যৰ সদায় জয় বুলিয়েই আমি জানো আৰু ইতিহাসেও তাকেই কয়।

জয় আই অসম।

"নিজৰ ঘৰখন সুশৃঙ্খল ভাৱে নেৰাখি উদাৰতাৰ বশবৰ্ত্তী হৈ আন স্বাৰ্থপ্ৰণোদিত লোকক অবাধ স্বাধীনতা দিলে সেইখন ঘৰৰ পতন অনিবাৰ্য্য। এই কথাই এখন দেশ বা জাতিৰ ক্ষেত্ৰতো প্ৰযোজ্য। জাতীয়তাবাদৰ সুস্থ সবল ভেটিৰ ওপৰতহে আন্তৰ্জাতীয়তাবাদ প্ৰতিষ্ঠা সম্ভৱপৰ"।

# লা ই ফ ইঞ্জিওৰ

চাজিদুৰ ৰহমান
প্ৰাক্ স্নাতক/ ১ম বাৰ্ষিক


চিগাৰেটটো পুৰি আহি যেতিয়া আঙুলিত লাগিলহি তেতিয়াহে মোৰ সম্বিত আহিল । যিটো খবৰ মোক মানসে আহি দিলেহি, সেইটো খবৰ মোৰ সপোনৰো অগোচৰ । সেইবাবে নিজ চকুৰে চাবলৈ মই অৰুণদাৰ ঘৰলৈ যেনেকৈ আছিলো তেনেকৈ ওলাই গ'লো । মানস মোৰ বাল্যবন্ধু । আমি দুয়োটা একেখন গাঁৱৰে ল'ৰা । বিনীতা বাইদেউ আমাৰ গাঁৱৰ বাবে তেওঁক আমি সকৰ পৰাই জানো । বাইদেৱেও আমাক দুয়োকে নিজৰ ভায়েকৰ দৰে মৰম কৰে । পিচত কলেজলৈ পঢ়িবলৈ আহোতে আমি অৰুণদাক অলপদিন লাইব্ৰেৰীয়ান হিচাপে পাইছিলো । কিন্তু পাচত অৰুণদাই সেই স্থায়ী চাকৰিটো এৰি এখন প্ৰাইভেট ফাৰ্মত এটা চাকৰি লৈছিল আৰু সেইটোৱেই আছিল অৰুণদাৰ জীৱনৰ এটা ডাঙৰ ভুল ।

অৰুণদা আৰু বিনীতা বাইদেউৰ বিয়াখন একপ্ৰকাৰ মানস আৰু মযেই ঠিক কৰি দিছিলো । কাৰণ অৰুণদাৰ মাক-দেউতাক বা আত্মীয় স্বজন কোনো নাই । এইদৰে বিয়াৰ পাচত এই ঘৰখনৰ লগত আমাৰ দুয়োৰে সম্পৰ্ক অতি ঘনিষ্ঠ হৈ পৰিছিল । তেওঁলোকৰ বিয়াৰো আজি দহ-বছৰ অতিবাহিত হৈ গৈছে । বাইদেৱে তিনিটা ল'ৰা-ছোৱালীৰে সৈতে এই দহোটা বছৰ অতি পৰিপাটি আৰু শান্তিৰে সংসাৰ কৰিছে । ভিতৰৰ কথা নাজানিলেও বাহিৰৰ পৰা দেখাত তেওঁলোকৰ পৰিয়ালটি আছিল এটি সুখী আৰু আদৰ্শ পৰিয়াল । সেইবাবেই খবৰটোৱে মোক বেছি আচৰিত কৰি তুলিছিল । কাৰণ যোৱা-কালি ৰাতি মই তেওঁলোকৰ ঘৰৰ পৰা আহিছো । তেওঁলোকৰ ঘৰলৈ মই এয়া এবছৰৰ মূৰত গৈছিলো । যিহেতু যোৱা এবছৰৰ বাবে মই এটা বিশেষ ট্ৰেইনিঙত গৈছিলো । কিন্তু যোৱাকালি আৰু এবছৰৰ আগৰ সংসাৰখনৰ

মাজত মইতো কোনো পৰিবৰ্ত্তন দেখা নাছিলো ঠিক আগৰদৰেই মই পাকঘৰলৈ সোমাই গৈছিলো । বাইদেৱে মোৰ চেহেৰা বেয়া হোৱা বুলি আক্ষেপ কৰি মোলৈ চাহ একাপ আগবঢ়াই দিছিল আৰু দাদাকো দিছিল । কিন্তু এতিয়াহে মই কথাটো ভাবিছো যে বাইদেউক মোৰ কালি আগৰদৰে হাঁহি মুখীয়া যেন লগা নাছিল । তেওঁক বৰ পৰিশ্ৰান্ত যেন লাগিছিল । কিন্তু পৰিশ্ৰান্ত হোৱাতো মই কোনো কাৰণ দেখা নাই ।

আৰু এটা কথালৈ মোৰ মনত পৰিছে । কথা প্ৰসঙ্গত দাদাই কালি কৈছিল —“বুজিছা কমল ! ইংৰাজীত এষাৰ কথা আছে—Man is the maker of own happiness, কিন্তু মোৰ এই কথাষাৰত সমূলি বিশ্বাস নোহোৱা হৈছে ।” মই তেওঁৰ এই ভাবৰ কাৰণ সোধাত তেওঁ কথাটো গুৰুত্ব নিদি আন প্ৰসঙ্গত ধৰিছিল । মই তেতিয়া কথাটোত সিমান গুৰুত্ব নিদিলেও এতিয়া ভাবিবলৈ বাধ্য হৈছো যে তেওঁলোকৰ মাজত নিশ্চয় মতানৈক্যই দেখা দিছিল, যাৰ ফলত তেওঁলোকৰ সংসাৰত হয়তো সুখৰ অভাৱ হৈছিল এইবোৰ কথা চিন্তা কৰি আহি মই কোনো অৰুণদাৰ পতুলিমুখ পালেহি নিজেই কব নোৱাৰো । মই কিন্তু তেতিয়াও ভাবিব পৰা নাছিলো যে তেওঁলোকৰ মাজত কি এনে মতানৈক্যই দেখা দিছিল যাৰ বাবে আজি বিয়াৰ দহ বছৰৰ পাচত এই চৰম পৰিস্থিতিৰ উদ্ভৱ হ'ল, ঘৰৰ সন্মুখ ওচৰ চুবুৰীয়া মানুহেৰে ভৰি পৰিছে ইতিমধ্যে । কিন্তু কোনোৱে পুলিছৰ লগত জড়িত হৈ হাৰাশাস্তি হোৱাৰ ভয়ত কামৰ আগ ভাগ লবলৈ যোৱা নাই । পুলিছৰ বিষয়া এজনে মোক দেখি আগবাঢ়ি আহি সুধিলে — ” আপুনিয়েই জানো কমল দাস নহয় ?” মোৰ সন্মুখীন হৈ তেওঁ পুনৰ কলে “ আপোনাৰটো এই পৰিয়ালৰ লগত ঘনিষ্ঠ সম্পৰ্ক আছিল । আপুনি মিচেচ বৰুৱাৰ আত্মহত্যাৰ কাৰণ কি হব পাৰে বুলি ভাৱে ?” মই তেওঁৰ প্ৰশ্নৰ উত্তৰ নিদি সুধিলো —‘ বাইদেৱে একো স্বীকাৰোক্তি দি যোৱা নাই ?” বিষয়াজনে ক'লে—“ তেওঁ এখন চিঠি লিখি থৈ গৈছে । কিন্তু আমি আপোনাৰ মতামতহে বিচাৰিছিলো ।” এবছৰ বাহিৰত থকাৰ যুক্তি দেখুৱাই মোৰ মতামত আগবঢ়াবলৈ অস্বীকাৰ কৰিলো । তেখেতৰ অনুমতি লৈ মই ভিতৰলৈ সোমাই গ'লো । সোমায়ে দেখিলো অৰুণ দাদাই জুচকুত শূন্য দৃষ্টি লৈ বেৰলৈ চাই বহি আছে । আৰু তেওঁৰ হাতত আছে এখন চিঠি মই সামোৱা তেওঁ কৰই নোৱাৰে । ভিতৰলৈ গৈ দেখিলো বাইদেউৰ মৃতদেহটো ফাঁচ লগা অৱস্থাৰ পৰা নমোৱাৰ ব্যৱস্থা কৰা হৈছে । মই অফিচাৰক পোষ্টমৰ্টেম নকৰিবলৈ অনুৰোধ কৰিলো । কিন্তু তেওঁ মোৰ কথা নামানিলে কাৰণ চুইচাইড্ কেচ যেতিয়া পোষ্টমৰ্টেম কৰিবলৈ তেওঁলোক বাধ্য । বাইদেউৰ ডাঙৰ ছোৱালীজনী বুজা হৈছে । তাই কান্দি কান্দি মোৰ ওচৰ পালেহি । তাইক বুজাবলৈ ভাষা মোৰ হেৰাই গৈছিল । তাইক কোনোমতে সান্ত্বনা দি মই যেতিয়া পুনৰ অৰুণদাৰ ওচৰ পাইছিলোগৈ, তেতিয়াও তেওঁ সেই আগৰদৰে

ভাৱলেশহীন ভাৱে বহি আছিল। দাদাৰ পৰা একো সঁহাৰি নাপাই তেওঁৰ সন্মুখতে বহিলো। মোৰ ওপৰত দৃষ্টি পৰাত দাদাই কান্দোনৰ সুৰত ক'লে— "বাইদেৱেৰে আমাক বচাবলৈ প্ৰাণ দিলে, কিন্তু তেওঁৰ কাৰণেই আমি কোনো-মতে বাচি আছিলো। এই কথা তেওঁ কিয় নাভা-বিলে কমল ? তেওঁৰ অবিহনে কোনে মোক সাহস দিব, প্ৰেৰণা দিব ? কমল, তুমি হয়তো নাজানা কি অপৰিসীম ধৈৰ্য্য আৰু কষ্টেৰে এই ন-মাহে বাইদেৱেৰে ঘৰখন চলাইছিল। মই কাম কৰা প্ৰাইভেট ফাৰ্মখন ফেল কৰিলে। শত চেষ্টা কৰিও মই চাকৰি এটা যোগাৰ কৰিব পৰা নাই। কিন্তু মানুহৰ আগত যাতে দৈনতা ধৰা নপৰে তাৰ বাবে তেওঁ হাতৰ কাণৰ সকলো বেচি অতদিনে চলালে। শেষত ভিতৰ বাহিৰ দুয়োফালে বজাই ৰাখি তেওঁ তেওঁ শ্ৰান্ত হৈ পৰিছিল। আজি দুবছৰ মান আগতে পোন্ধৰ হাজাৰ টকাৰ লাইফ্ ইন্সিঅৰৰ পলিচি এটা দুয়োৰে নামত কৰিছিলো। বাইদেৱে নিজক মৃত্যুৰ কবলৈ ঠেলি দি আমাক জীয়াই থকাৰ শেষ সম্বলকণ দি যাব বিচাৰিছিল। ভাগ্যৰ কি নিষ্ঠুৰ পৰিহাস চোৱা ! তেওঁ কব নোৱাৰৰ যে প্ৰিমিয়ামৰ টকা দিব নোৱাৰাৰ বাবে সেই পলিচি কেতিয়াবাই বন্ধ হৈ গ'ল।" এইখিনি কোৱাৰ পাচত অৰুণদা কান্দোনত ভাঙি পৰিছিল। দাদাক সান্ত্বনা দিবলৈ চেষ্টা কৰি মই বিফল হৈছিলো। মোৰ চিঞৰি চিঞৰি কবৰ মন গৈছিল, অৰুণদা আপুনি ঠিকেই ভাবিছে মানুহে নিজৰ সুখ নিজে সৃষ্টি কৰিব নোৱাৰে। আজিৰ যুগত টকাইহে সুখ সৃষ্টি কৰে। কিন্তু বেদনাত মূক হৈ পৰা মোৰ ডিঙিৰ পৰা এটি শব্দও বাহিৰ ওলোৱা নাছিল।



# অশৰীৰী

শ্ৰীউৎপল বৰুৱা
স্নাতক মহলা, প্ৰথম বৰ্ষ

নিশা বাৰমান বজাত মোৰ কোঠাৰ দুৱাৰত 'নক্' কৰিলে। টোপনিৰ পৰা খপ্-জপ্কৈ সাৰ পাই আন্ধাৰতে দুৱাৰৰ ফালে লক্ষ্য কৰিলোঁ। ঘন আন্ধাৰৰ বুকু ফালি হুংকুৰে দুৱাৰখন বিচাৰি উলিয়াব নোৱাৰিলে। দুৱাৰত টক্ টক্ কৈ 'নক্' কৰিয়েই আছে।

এই নিশাখন কোন আহিছে বাৰু ইমান মিঠা সুন্দৰ টোপনিটো মোৰ তেনেই পানী কৰি দিলে। কোন হব পাৰে বাৰু হোষ্টেলৰ বাকী 'বৰ্ডা'ৰ বিলাকতো এঘণ্টা মানৰ আগতেই শুই নিঃপালি দিলে। এই নিশা-কাল, ঘৰৰ পৰাও কোনোবা ................... । এনেদৰে বেছিপৰ ভাবিব লগীয়া নহল।

'খটংকৈ শব্দ এটা হৈ কোঠাটো পোহৰ হৈ উঠিল। আও, এওঁচোন অভিজ্ঞ লোক। কিন্তু যি দেখিলো সেয়া আচৰিত এগৰাকী গাভৰু। মোৰ গাটো গৰম গৰম লাগি গ'ল। উশাহ লোৱাৰ একো হিচাপ নোহোৱা হৈছে। সেই আগন্তুকৰ ফালে ভেবা লাগি চাই আছোঁ। কি ক'ম কি নকম একো উৱাদিহ পোৱা নাই। কিবা এটা কবলৈ ওঁঠ দুটাই খপ্ জপাই ফুৰিছে। কিন্তু ভাষা বিচাৰি পোৱা নাই।

"ভদ্ৰতা শিকা নাই" ? চকীখন টানি আনি কলে। ছোৱালীৰ মাত ইমান প্ৰবল হব পাৰে বুলি এই প্ৰথম উপলব্ধি কৰিলো। কিন্তু মোৰ ওপৰত ইমান দম্ভ কৰিবলৈ এওঁ কোন। এই নিশা বাৰ বজাত চফল ডেকা এজনৰ কমত ইচ্ছামতে সোমাই যিহকে তিহকে কবলৈ এওঁৰ কি অধিকাৰ আছে। "ক্ষমা কৰিব বৰুৱা। মই বুজিছোঁ অসময়ত অহাৰ কাৰণে আপুনি মোক সহজে লব পৰা নাই। অনধিকাৰ প্ৰবেশৰ কাৰণে খং নকৰিব।

উৱা এওঁচোন উপাধিটোতে ধৰিলে। মই কি ভাবিছোঁ তাকো গম পালে দেখুন। মোৰ কমত আজিলৈকে অসময়তহে নালাগে সময়তো কোনো গাভৰু পদাৰ্পণ হোৱা নাই।

"আপুনি...........মানে............"? মই বিছনাতে বহি তেওঁৰ ফালে অনুসন্ধান দৃষ্টিৰে চাই ৰৈ গলোঁ।

"আমনি নেপায় যদি কেন 'অন'

কৰি দিওঁ। "তেওঁ সুধিবলৈহে পালে, মই একো কবলৈ নাপালোৱেই হো হোকৈ কেন চলিলেই মই চকুৰে সৰিয়হ ফুল দেখিছোঁ কোন হব পাৰে বাৰু এই গৰাকী 'ভূত নে ভ্ৰম' "মোক চিনি পোৱা নাই? খন্তেক ভাবি চকী-থনতে হেলান দি কলে "চিনি নোপোৱাটোৱেই স্বাভাৱিক। তথাপি মই ডিব্ৰুগড়ৰ এগৰাকী বিখ্যাত ছোৱালী বুইছে বকৰা, আপুনি প্ৰকুল্ল নহয় জানো? খুব পিয়াহ লাগিছে। এগি-লাছ পানী খুৱাবনে।"

সৰ্বনাশ, এওঁচোন এইবুলি একে-বাৰে মোৰ নামতে ধৰিলেগৈ। পানী আনি-বলৈ এতিয়া 'বাথ ৰুমলৈ যাওঁ কেনেকৈ, ওচৰতে 'বাথৰুম' কাৰণে পানী আনি নথওঁ। গিলাচটো হাতত লৈ বিছনাৰ পৰা উঠিবলৈ, যত্ন কৰিও উঠিব পৰা নাই। অসম্ভৱ ভয় লাগিছে। গাটো জিৰিক্ জিৰিক্ কৰিছে ছোৱালীজনীক এবাৰ ভৰিৰ পৰা মূৰলৈকে ভালদৰে চাই ল'লো।

—"কি চাইছে, ভয় লাগিছে নহয়, ডেকা মানুহৰ ইমান ভয় হলে কেনেকৈ? মোৰ নাম অপৰ্ণা দত্ত। তাই খিলখিলকৈ হাঁহি দিলে।

অপৰ্ণাদত্ত, "মই এক প্ৰকাৰ চিঞৰি দিলোঁ।" অসম্ভৱ কেতিয়াও হব নোৱাৰে। অপৰ্ণা দত্ত নামৰ সেই ছোৱালীজনী জীয়াই আছেনে নাই তাৰো সন্দেহ।"

"কিন্তু মৃত অৱস্থাততো আছে?" তাই ৰসহ্য কৰি কলে "বৰবাৰী হস্পিতেলৰ কাষতে থকা মহাবাহু ব্ৰহ্মপুত্ৰৰ জাঁজিটোত এতিয়াও ছাল মাংস উৰলি যোৱা, অপৰ্ণাদত্ত, ওৰফে মোৰ সুন্দা জকাটো পৰি আছে। বিশ্বাস নকৰিব নেকি? মই মৰা নাই বুইছে বকৰা; অপৰ্ণা দত্ত নামৰ জাপানী পুতলা এটাহে গুণ্ডা, লম্পট আৰু নাৰী ধৰ্ষণকাৰী অমৰ জিতৰ নিষ্ঠুৰ হাতৰ চুৰিৰ খোচত নিঃশেষ হৈ গল।"

কথাবোৰ কোঠাটোৰ পকীবেৰত প্ৰতি-ধ্বনিত হৈ ঝন ঝনাই উঠিল। মোৰ হাতৰ পৰা গিলাচটো ফ্ল'ৰত পৰি ভীষণ চীৎকাৰ কৰি উঠিল।

"এই কোঠাটো মোৰ খুব চিনাকী বুই-ছে? এইটো কোঠাতে মই যৌৱন লাভৰ পৰিচয় বিচাৰি পাইছিলো—কওঁতে কওঁতে তাইৰ চকুৰ পৰা লোটক বাগৰি পৰিল।" এইটো কোঠাতে মই অমৰজিতৰ সৈতে বহুতো নিশা উদযাপন কৰিলো। কিমান যে আশা কৰিছিলো, অমৰজিতক লৈ। খুব ভাল পাইছিলো তাক। খুব বিশ্বাস কৰিছিলো........। অপৰ্ণাই হুক্ হুক্‌কৈ কান্দিবলৈ ধৰিলে। মই ৰ' লাগি তাইৰ কালে মাথোন চাই আছো। সান্ত্বনা দিবলৈ মোৰ ভাষা নিষ্ক্ৰিয় হৈ গল। আজিলৈকে গাভৰু ছোৱালীয়ে কন্দা দেখা নাই। পাৰে মানে ভগৱানক খাটিছো। ইয়াৰ পাছত কি হয় তালৈহে বাট চাই আছো। তাই আকৌ কৈ গল "ভগৱানৰ ওচৰত বিশ্বাস কেতিয়াও নাৰাখিব বকৰা।" ভগৱানৰ প্ৰতি মোৰ বিশ্বাস শেষ হৈ গল। অমৰজিত আৰু মোৰ হৈ ভগৱানক কিমান খাটিছিলো। কিন্তু ভগৱানে মোক কি দিলে? অমৰজিতে, মোৰ যথা সৰ্বস্ব শেষ কৰি দিলে। "ছোৱালীজনী

ক্ৰমে দৃঢ় আৰু কঠোৰ হৈ পৰিল। এদিন অমৰজিতেই যি দুখন হাতেৰে মোৰ সৰ্বশৰীৰত ভাল পোৱাৰ অমৃত পৰশ দিব পাৰিছিল, সেই দুখন হায়তৰেই মোৰ বুকুত চুৰি বহুৱাই এইটো কোঠা তেজেৰে তোঙা বন্ধাই দিছিল। তেনেহলে ঈশ্বৰৰ অস্তিত্ব আপুনি কত বিচাৰি পালে, তাই আকৌ দুয়ো হাতেৰে মুখ মণ্ডল ঢাকি হুক্ হুক্কৈ কান্দিবলৈ ধৰিলে।

অমৰজিত নামৰ মানুহটোৱে এইটো হোষ্টেলৰ এইটো কোঠাতে আজিহে গম পালো। অমৰজিত আৰু অৰ্পণাৰ কাহিনীটো শুনিছো কিন্তু অমৰজিতৰ ক্ৰিয়া ভূমি যে এই অসম চিকিৎসা মহাবিদ্যালয়ৰ হোষ্টেলটোৱেই আছিল মই আজিলৈকে শুনা নাই।

"মই জানো বকুৰা, অমৰজিত যে এইটো হোষ্টেলতে আছিল আপোনাক কোনেও কোৱা নাই। আপুনি এইযাৰ কথাও নাজানে যে আপুনি থকা কোঠাটোৱেই অমৰজিতৰ কোঠা আছিল "ছোৱালীজনীয়ে কিবা এটা মনত পৰি যোৱাৰ দৰে ঊৰ্দ্ধত নিৰীক্ষণ কৰি কলে "চাওঁক বকুৰা-এই দুটা অমৰজিত আৰু মোৰ নাম কোঠাটোত জিলিকি থকা নাম দুটা মই এদিনো মন কৰা নাছিলোঁ। বৰ আশা কৰিছিলো বৰুৱা জীৱনত একো নাপালেও অন্ততঃ অমৰজিতৰ দৰে পুৰুষ এজনক স্বামী হিচাবে পাম। নাৰীৰ বাৰু স্বামী বিহনে এনে কি মহান বস্তু আছে, যাক লৈ গৌৰৱ কৰিব। কিন্তু সকলো শেষ হৈ গল। ক্ষন্তেক নীৰৱ। এনেকুৱা নীৰৱতা মোৰ সহ্য নহয়। মোৰ কৰলগীয়া বা সুধিব লগীয়াও একো নাই। সুযোগ বুজি তাইৰ মুখখনকে আকৌ এবাৰ চোৱাৰ লোভ সামৰিব নোৱাৰিলোঁ। ইমান ধুনীয়া মুখখন! কিন্তু চঞ্চল ডেকা মানুহ এটাৰ কোঠালৈ অকলশৰে ইমান ধুনীয়া গাভৰুজনী, এই নিশা বাৰ বজাত কিয় আহিল, খিল খিলকৈ হাঁহি হাঁহি অৰ্পণাই কলে মই কিয় আহিছো আচল কথাটো আপোনাক কোৱাই নাই। কওঁ শুনক এই হোষ্টেলটো মই কেতিয়াও এৰিব নোৱাৰো মোক যেনেকৈ অমৰজিতে বুকুত চুৰী বহুৱাই হত্যা কৰিলে ময়ো এই হোষ্টেলত থকা বৰ্ডাৰ বিলাকৰ মাজৰ পৰা প্ৰতি বছৰে একোটাকৈ ধুনীয়া ডেকাক নেলুত চেপা দি পুৰুষ জাতিৰ ওপৰত প্ৰতিশোধ লওঁ। মই তাইৰ কথা শুনি ভয়ত পেপুৱা লাগিলো। এই বছৰ তেনেহলে মোৰ পাল পৰিল। কিন্তু হোষ্টেলৰ বৰ্ডাৰ কেইটাই সিদিনা কথাৰ প্ৰসঙ্গত পৰেশকহে সকলোতকৈ ধুনীয়া বুলি বাছি উলিয়াইছিল। কিয় বাচিছিল কব নোৱাৰো; পৰেশ বাৰু আজি হোষ্টেলত নাই নেকি ?

"আপুনি ভয় নকৰিব বৰুৱা। মই আপোনাক একো অন্যায় নকৰো। মই এটা খাতিৰ কৰিবলৈহে আপোনাৰ ওচৰলৈ আহিছো মই নিজকে পাহৰি বেলেগ এটা পৰিবেশৰ কল্পনাত উটি গলোঁ।

কওঁক কি কৰি দিব লাগিব মই' "কিন্তু পিছমূহূৰ্ততে মোৰ ভুল মই বুজিব পাৰিছিলো। মৰা মানুহৰ আকৌ মোৰ ওচৰত কি খাতিৰ থাকিব পাৰে"।

"মই মৰিলেও মোৰ আত্মাটো মৰা নাই। মিষ্টাৰ বৰুৱা"। আপুনি গল্প লেখক বুলি মই

জানো ; যেনেকৈ অসমে জানে। গতিকে মোক নিৰ্দোষিতা প্ৰমাণ কৰি মোৰ কাহিনীটোক লৈ এটা গল্প লিখক। অ' পাহৰিছোৱেই, কাহিনীটো হোষ্টেলৰ ভাত বন্ধা বুঢ়া ককাইক সুধিলেই আপোনাক পৰিষ্কাৰকৈ কব। তেওঁ সব জানে। তেওঁ মোক যিমান জানিলে অমৰজিতে জনাহলে মই আজি আপোনাক আমনি কৰিবা লগাকৈ পৰাজিত নহলোঁহেতেন। "বুঢ়াককাইয়ে অমৰজিত আৰু মোক খুব সহায় কৰিলে। কিন্তু মোৰ হত্যা কাণ্ডৰ পাছত বুঢ়াককাইয়ে টকাৰ লোভত মোৰ যে মৃত্যু হল তাকো পাহৰি গ'ল। আৰু পাহৰি গল যে সেইটো অৰ্পণাৰে জীৱহীন দেহ। অমজিতৰ পৰা টকা লৈ তেওঁ মোক পাহৰি গ'ল। "কিন্তু বুঢ়া ককাইৰ গাত একো দোষ নাই। পুৰুষ জাতিটোৱে টকাৰ লোভত সকলো বিসৰ্জন দিবলৈ সদায় সাজু থাকে। অৰ্পণাই হাতৰ ঘড়ীটোলৈ চাই কলে "বহুত আমনি কৰিলোঁ বৰুৱা। ক্ষমা কৰিব। কিন্তু মোৰ খাটিৰটো যেনেতেনে ৰাখিব দেই। নহলে মই মৰিও শান্তি নেপাম"।

এই বুলি কৈ অৰ্পণা ওলাই গল। কোঠাটো আন্ধাৰ হৈ গল, কেনবাকৈ অফ্ হৈ গ'ল আৰু ছুৱাৰখন আপোনা আপুনি বন্ধ হৈ গ'ল।

—অৰ্পণা দত্ত
ডিব্ৰুগড় চাউলখোৱা

বোটানিত অনাৰ্চলৈ বি, এ, চি, পঢ়িছিল কানৈ মহাবিদ্যালয়ত সঁচাকৈ অৰ্পণা দত্ত নামৰ এই ছোৱালীজনী যেনেকৈ ৰূপৱতী তেনেকৈ গুণৱতীও। ভেম নাই, গপ নাই। নিজৰ ৰূপ যৌৱনক লৈ গৌৰৱ নাই। খুব সহজ সৰল ছোৱালী।

অমৰজিতে অসম চিকিৎসা মহাবিদ্যালয়ত ডাক্তৰী পঢ়িছিল। শকত-আৱত, হৃষ্ট-পুষ্ট ডেকা মানুহ। এদিন এই অমৰজিতৰ লগত অপ্ৰত্যাশিক ভাৱে চিনাকী হৈ গল অৰ্পণা দত্তৰ। সিও এটা গল্প।

অৰ্পণাই ভাল গান গায়। তাইৰ গানত নাম আছে। এদিন অসম চিকিৎসা মহাবিদ্যালয়ৰ ফাংচনত গান গাবলৈ তাইক নিমন্ত্ৰণ কৰিছিল। অৰ্পণাই সেই নিমন্ত্ৰণ প্ৰত্যাখান কৰা নাছিল। তাই গান গাবলৈ অসম চিকিৎসা মহাবিদ্যালয়লৈ আহিছিল। সেই সুযোগতে অৰ্পণাক অমৰজিতে 'অট' এখন পাই তাতে উঠি গৈ তাইক কানৈ মহাবিদ্যালয়ৰ গাৰ্লচ হোষ্টেলত থৈ আহিলগৈ। সেয়ে প্ৰথম চিনাকী আৰু তাৰ পাছত ক্ৰমে ঘনিষ্ঠতা বাঢ়ি গৈ শেষত প্ৰেম আৰু ভাল পোৱাৰ ৰূপ ললে। অৰ্পণাৰ সহজ-সৰল প্ৰাণে অমৰজিতৰ সংস্পৰ্শত নতুন তৃপ্তিঃ জীৱনৰ চৰম আনন্দ লাভ কৰিলে। অন্তৰৰ সকলো উজাৰি দি অৰ্পণাই অমৰজিতৰক আপোনভাৱে পাবলৈ ব্যগ্ৰ হৈ পৰিল।

ৰৰবাৰী, ডিব্ৰুগড় কতো এনে এডোখৰ ঠাই নাই যত দুটা বা তিনিটা ডেকা লৰা গল হলেই অমৰজিত আৰু অৰ্পণাৰ কথা আলোচনা নকৰাকৈ নাথাকে। সিহঁত দুটাৰ মাজত সম্বন্ধ একেই থাকিল কিন্তু পৰিবৰ্ত্তন আহিল অৰ্পণাৰ জীৱনলৈ। তাই কলঙ্কৰ

ইতিহাস বহন কৰিলে। অৰ্পণাৰ জীৱনটো ভুলৰ বিনিময়ত নতুন অধ্যায়ৰ সূচনা হল। যিবোৰ কথা কাকো খোলাখুলি ভাৱে প্ৰকাশ কৰিব নোৱাৰি।

অমৰজিতে উপায় দিলে ডাক্তৰৰ পৰামৰ্শ লবলৈ কিন্তু অৰ্পণাই অমৰজিতৰ এনে নিৰ্মম পৰামৰ্শত নাৰী হৃদয়; মাতৃ সুলভ অন্তৰ মহাপাপৰ ভয়ত শিঁয়ৰি উঠিল। ভুল পথেৰে পৰিচালিত কৰা ক্ষন্তেকীয়া তৃপ্তিৰ বিনিময়ত নিজৰ কলুষিত জীৱনৰ কথা ভাবি অৰ্পণা বেসুৰা হ'ল।

পূজাৰ বন্ধত অমৰজিত ঘৰলৈ নগৈ ৫ নম্বৰ কোঠাৰ দুৱাৰ বন্ধ কৰি শুবলৈ যোজা কৰিছে মাত্ৰ তেনেতে দুৱাৰত 'নক' কৰিলে।

মলিন মুখৰ অৰ্পণা সোমাই আহি অমৰজিতক অনুনয় - বিনয় সকলো কৰি ভাগৰি পৰিল; অমৰজিত ভাগৰি পৰিল অৰ্পণাক বুজাই বুজাই। অমৰজিতৰ আচল ৰূপটো সলনি হৈ উগ্ৰৰূপ ললে। শেষত সেই নাৰকীয় কাণ্ডটো কৰি পেলালে অমৰজিতে।

ডাৱৰ ট্ৰাঙ্কত অৰ্পণাৰ শঁটো ভৰাই ভাত ৰন্ধনি বুঢ়া ককাইৰ সহায়ত কোঠাটো পৰিষ্কাৰ কৰি শঁটো ব্ৰহ্মপুত্ৰৰ বুকুত এৰি দিলে। বুঢ়া ককাইক নগদ এহেজাৰ টকাদি মুখ বন্ধ কৰিলে। সেই নিশাই অমৰজিত ডিব্ৰুগড়ৰ পৰা নিৰুদ্দেশ হল।

চিৰদিন ৰহস্য হৈ থাকিল অৰ্পণা দত্ত আৰু অমৰজিতৰ অন্তৰ্ধানৰ কথা। আৰু ৰহস্য হৈ বল ৰববাৰী হস্পিতেলৰ কাষতে থকা ব্ৰহ্মপুত্ৰৰ জাৰ্জিত সেইটো কাৰ নৰকঙ্কাল,

সকলোৱে এটা কথা কয় অমৰজিত অৰ্পণাৰ লগতে ডিব্ৰুগড় এৰি গুচি গৈছে।




শিক্ষিত মানুহক নেতৃত্ব দিয়া সহজ কিন্তু তেওঁলোকক ভেৰাৰ পালৰ দৰে খেদি নৈ লৈ যোৱা টান। শিক্ষাৰ ফলত মানুহক শাসন কৰা সহজ হৈ পৰে, কিন্তু তেওঁলোকক দাসত পৰিণত কৰা হৈ পৰে অসম্ভৱ। (লৰ্ড ব্ৰাহাম)

সংগ্ৰাহক— প্ৰদীপ শৰ্মা

গল্প

# অতীত আৰু বৰ্ত্তমান



শ্ৰীসঞ্জীৱ বৰগোহাঞী
দ্বিতীয় বাৰ্ষিক, ( স্নাতক মহলা )

তুমি মোক ইমানদিনে ফাঁকি দি আছিলা, মই ত্ৰিদিৱ ? ত্ৰিদিৱে ঘৈণীয়েক পুৰবীক প্ৰশ্ন কৰিলে ।

অ, তুমি । তুমি মোক অৰ্থাৎ আজি দুবছৰে মোৰ আগত যিটো সত্যক গোপন কৰি মোৰ পৰা আঁতৰি আছিলা, সেই সত্য আজি মোৰ আগত ধৰা পৰিলে, তুমি পুৰুষ হব পাৰা কিন্তু পুৰুষৰ যিটো পুৰুষত্ব থাকে সেইটো তোমাৰ নাই, কথা কেইটা খণ্ডেৰে ত্ৰিদিৱক কলে ঘৈণীয়েক পুৰবীয়ে ।

তুমি পাগল হৈছা নেকি পুৰবী ? মই পাগল হোৱা নাই, হৈছা তুমি, ক্লাব আৰু সুৰাই তোমাক পাগল কৰিব পাৰে, কিন্তু মোক নোৱাৰে; সঁচা কথা কৈছো ত্ৰিদিৱ । এইখন ঘৰৰ পৰা মই সকলো পাইছো, শহুৰৰ বোৱাৰীৰ প্ৰতি থকা মৰম আৰু দেওৰৰ পৰা স্নেহ, কিন্তু এই দুবছৰে মই তোমাৰ পৰা একো মৰম স্নেহ পোৱা নাই । তুমি মোক মাত্ৰ এজন জেলৰ কয়েদীৰ দৰেই আৱদ্ধ কৰি থৈছা, কিন্তু............... কিন্তু কি ? আজি মই সেই প্ৰশ্নৰ উত্তৰ বিচাৰি পাইছো । তাৰ মানে.........? ত্ৰিদিৱে আচৰিত ভাৱে প্ৰশ্ন কৰিলে । ঘৈণীয়েক পুৰবীয়ে একালৰ পৰা কৈ গল......... ।

তুমি মোক তোমাৰ পত্নী হিচাবে গ্ৰহণ নকৰাই ভাল আছিল, ত্ৰিদিৱ, আজি দুটা বছৰেও এটা সন্তানৰ মুখ নেদেখিলো । তুমি কান্দিছা কিয় পুৰবী ? তোমাৰ কি হৈছে পুৰবী ? কথা বিলাক খুলি কোৱা পুৰবী ? কান্দি কান্দি পুৰবীয়ে কৈ যায়.....কম বুলিয়েই মোৰ আজি গা-ভাল নহয় বুলি অফিচলৈ যোৱাত বাধা দিলো । কাৰণ অফিচৰ পৰা আহি চিধা ক্লাবলৈ যোৱা, ক্লাবত বাইজীৰ নাচোন আৰু সুৰাই তোমাক তোমাৰ সংসাৰৰ কথা পাহৰাই পেলাই নহয়, জানো ? সেইয়াই নহয়, আজি কেইবাদিনো ভাত খোৱা নাই টেবুলৰ যেনে ভাত তেনেকৈয়ে থাকে ।

তোমাৰ কি হৈছে ত্ৰিদিৱ ? কি হৈছে.....তোমাৰ কোৱা .. ত্ৰিদিৱ কোৱা ......... ।

তুমি মোৰ পৰা যি কেইটা প্ৰশ্নৰ উত্তৰ বিচাৰিছা সেই কেইটা প্ৰশ্নৰ উত্তৰ মই দিব নোৱাৰিম পূৰবী। কিন্তু তুমি যে দিবলৈ বাধ্য; তা-ৰ-মা-নে? মানে অতি সাধাৰণ। মই আজি এখন চিঠি বিচাৰি পাইছো। যি খন চিঠি আজি ন্তুবছৰে মোৰ পৰা গোপন কৰি থৈছিলা, যি খন চিঠিয়ে অতীতৰ কোনোবা প্ৰেয়সীৰ কথা মনত সোঁৱৰাই দিব পাৰে, তুমি সেই-বোৰ কি কৈছা পূৰবী? ঠিকেই কৈছো, তুমি শুনি যোৱা, কোনখন চিঠি চাওঁ? ত্ৰিদিবে বৰ ব্যগ্ৰভাৱে সুধিলে।
চিঠিখন ১৯৭২ চনৰ ৪ ডিচেম্বৰৰ।

১৯৭২-চন ৪ ডিচেম্বৰ······ অ মোৰ মনত পৰিছে মই তেতিয়া গুৱাহাটীত, সেই বছৰতেই ফাইনেল পৰীক্ষা দি ঘৰলৈ আহিছো। মই তেতিয়াই গুৱাহাটীক বিদায় দি আহিছো।

তুমিহে বিদায় দিলা, তোমাক জানো বিদায় দিলে। কাৰ কথা কৈছা পূৰবী? এগৰাকী নাৰী যি গৰাকী তোমাৰ মোতকৈ মৰমৰ আছিল, আৰু বহু গুণে শ্ৰেষ্ঠও আছিল, আৰু তুমি নিজৰ কৰি লোৱাৰ সপোন দেখিছিলা, কিন্তু··· কিন্তু কি পূৰবী? কিন্তু তুমি দেউতাৰ কথাত মাত মাতিব নোৱাৰি মোকেই পত্নী হিচাবে গ্ৰহণ কৰিলা সেইয়াই নহয় জানো? তোমাৰ বিয়া হৈ গল, হোমৰ জুইৰ অগ্নি দেৱতাক সাক্ষী কৰি পূৰবী দুৱৰাক পত্নী হিচাবে গ্ৰহণ কৰি পূৰবী বৰুৱা কৰিলা, তোমাৰ যদি সাহস আৰু পুৰুষত্ব বোলা বস্তুটো থাকিলহেঁতেন মল্লিকা শইকীয়াকো মল্লিকা বৰুৱা কৰিব পাৰিলাহেঁতেন, কিন্তু·········পূৰবী তোমাক মল্লিকাৰ কথা কোনে কলে? আজি পোৱা চিঠিখনৰ পৰাই মল্লিকা নামটো উদ্ধাৰ কৰিছো। চিঠি-খনত বিশেষ একো নাই আশীৰ্বাদ দিছে তোমাৰ জীৱন সুখৰ হওক, ত্ৰিদিব; এইখন চিঠি······ পূৰবীৰ হাতৰ পৰা চিঠিখন ত্ৰিদিবে কাঢ়ি ললে।

৪ ডিচেম্বৰ ১৯৭২

মৰমৰ
ত্ৰিদিব

মৰম লবা। এইখনেই তোমালৈ বুলি দিয়া মোৰ শেষ চিঠি। গ্ৰহণ কৰিবা। তোমাৰ বিয়াৰ কথা বন্ধু অভিজিতৰ মুখেৰে গম পালো। আশীৰ্বাদ দিছো তোমাৰ জীৱন সুখৰ হওক মধুৰ হওক।,,··· ··

ইতি তোমাৰ
মল্লিকা
গুৱাহাটী ৪।১২।৭২

মল্লিকা কোন আছিল ত্ৰিদিব? পূৰবীৰ প্ৰশ্ন-টোৱে যেন ত্ৰিদিবক শুই থকাৰ পৰা জগাই দিলে। ত্ৰিদিবে সকলো বিলাক কথা এফালৰ পৰা কৈ গল·········।

সঁচা পূৰবী; এইবিলাক কথা গোপন কৰি তোমাৰ ওচৰৰ পৰা আতৰি ফুৰিছিলো, কিন্তু পূৰবী সত্য লুকাই নাথাকে সত্যৰ জয় নিশ্চিত মই আজি তোমাক সকলো কম পূৰবী, গুলাই

আহিব ধৰা চকু পানীখিনিক বাধা দি ত্ৰিদিৰে সকলো বিলাক কথা পুৰবীৰ আগত কৈ গল

তুমি হয়তো নাজানা পুৰবী মায়ে আমাক সকতেই দেউতাৰ বুকুত এৰি থৈ এই পৃথিবীৰ পৰা চিৰ দিনৰ বাবে বিদায় ললে, কিন্তু দেউতাই দ্বিতীয় বিবাহ নকৰালে যাতে আমি মাহী আইৰ ককৰ্থক আৰু ভটা মাতৰ বিপৰীতে ডাঙৰ দীঘল হব পাৰো। আমি কোনো দুখ কষ্ট নোহোৱাকৈ ডাঙৰ দীঘল হৈ আহিবলৈ ধৰিলো, আমি মানে শশাঙ্ক বৰুৱাৰ প্ৰথম পুত্ৰ ত্ৰিদিৱ বৰুৱা আৰু ভাইটি প্ৰদীপ বৰুৱা। মা ধুকাওঁতে মোৰ তেতিয়া বয়স চাৰি বছৰ আৰু ভাইটিৰ বয়স মাত্ৰ দুবছৰ। দেউতা এজন নামকৰা ডাক্তৰ হৈয়ো মাক মৃত্যুৰ মুখৰ ঘুৰাই আনিব নোৱাৰিলে, সচা পুৰবী এই সকলো বিলাক ঈশ্বৰৰ ইচ্ছা।

তুমি হয়তো নাজানা পুৰবী মই এজন ভাল গায়ক। যি জনৰ উৎসাহ উদ্দীপনাত মই গায়ক হব পাৰিলো সেই জন হল মোৰ পিতৃ শশাঙ্ক বৰুৱা। আৰু মোৰ আদৰ্শৰে গঢ় দিলো মোৰ ভাইটি প্ৰদীপক এজন গায়ক হিচাবে তাৰ গানেও বহুত শ্ৰোতাৰ মনত সান্ত্বনা দিব পাৰে, লাহে লাহে আমাৰ হাইস্কুলৰ পৰাও বিদায় লবৰে হল, মই তেতিয়া দশম মান শ্ৰেণীৰ ছাত্ৰ আৰু ভাইটি অষ্টম মান শ্ৰেণীৰ ছাত্ৰ। মেট্ৰিক পৰীক্ষাৰ ফলা-ফলত মই প্ৰথম বিভাগত পাচ কৰিলো। দেউতাই মোক গুৱাহাটীৰ কটন কলেজত পঢ়িবলৈ কলে, দেউতাৰ আশীৰ্বাদ শিৰত লৈ গুৱাহাটীলৈ গলো। মোৰ আৰম্ভ হল শিক্ষা জীৱনৰ দ্বিতীয় অধ্যায়; আৰু ছাত্ৰ জীৱনৰ এক জটিলতাৰ পৰিবেশ যিটো পৰিবেশৰ মাজত মই নিজকে খাপ খুৱাওঁতে কিছু কষ্ট হৈছিল।

সেই দিনটো আছিল কলেজ সপ্তাহৰ এটা দিন মই গান গাই মঞ্চৰ পৰা নামি আহিছো। মোক যেন কোনোবাই মাতিছে, ঘুৰি চাই দেখো আমাৰ ক্লাচৰে এগৰাকী ছাত্ৰী··· মোক কলে অকনমান ৰব, ভদ্ৰতাৰ খাতিৰত ময়ো অলপ ৰৈ দিলো। মোৰ নাম মল্লিকা শইকীয়া, আপোনাৰ গান কেইটা সচাই বৰ ভাল লাগিল আপোনাৰ লগত চিনাকি হবলৈহে আহিলো অ······ এইয়া মোৰ দেউতা প্ৰবীৰ শইকীয়া নমস্কাৰ। মোৰ নাম ত্ৰিদিৱ বৰুৱা। আপোনালোক নিজেই আগবাঢ়ি আহি চিনাকি হোৱাৰ বাবে ধন্যবাদ। তেওঁলোকৰ আৰু দুই এটা কথা পাতি আতৰি আহিলো; মই আতৰি আহিলো সচা মোৰ মনতো যেন মল্লিকাৰ ওচৰৰ পৰা আঁতৰি আহিব খোজা নাই।

লাহে লাহে মল্লিকা আৰু মোৰ মাজৰ সম্বন্ধ কিছু বেলেগ হল। ময়ো প্ৰায়ে মল্লিকাহঁতৰ ঘৰলৈ যাওঁ, আমাৰ যেন চাৰি চকুৰ মিলন হ'ল। বন্ধু আৰু বান্ধৱীৰ ভাব লাহে লাহে ভালপোৱালৈ পৰিণত হল। আমাৰ ভালপোৱা আছিল প্ৰকৃত ভালপোৱা।

মই জানো পুৰবী তাইক মই কেতিয়াও নিজৰ কৰি লব নোৱাৰিম। আমাৰ মাজত থকা জাতি ভেদৰ প্ৰাচীৰ মই কেতিয়াও ভাঙিব নোৱাৰো। কিয়নো যি জন পিতৃয়ে নিজৰ সন্তানৰ মঙ্গলহে কামনা কৰে সেই জন পিতৃৰ সেই সন্তানে সেই জন পিতৃৰ বাবে কেতিয়াও অমঙ্গল চিন্তা নকৰে। যি দেউতাই আমি

কষ্ট পাম বুলি দ্বিতীয় বিবাহ নকৰালে সেইজন দেউতাৰ মনত মই কেতিয়াও কলঙ্কৰ ৰেখা আঁকিব নোৱাৰো।

লাহে লাহে মোৰ পৰীক্ষাৰ ওচৰ চাপিল। পঢ়া শুনাৰ ব্যস্ততা আৰু হোষ্টেলৰ পৰিবেশৰ মাজত আৱদ্ধ হৈ সকলো বিলাক কথা পাহৰি গৈছিলো। পৰীক্ষা ভালে ভালেই হৈ গ'ল। পৰীক্ষা দি পেলাই ঘৰলৈ ঘুৰি আহিলো। ঘৰত অৱশ্যে মোৰ মন বহা নাছিল, হোষ্টেলৰ পৰিবেশৰ মাজত সোমাই পৰিলে ঘৰলৈ মনত নপৰেই। ঘৰলৈ ঘুৰি অহাত ভাইটিয়ে অৱশ্যে ভালেই পালে, কিয়নো সি অকলশৰে থাকি সিমান ভাল নাপায়। ঘৰত থাকোতেই আমাৰ পৰীক্ষাৰ ফল ঘোষণা কৰিলে, প্ৰথম বিভাগত পাচ কৰা খবৰটো গুৱাহাটীৰ পৰা মল্লিকাই দিছিল। মল্লিকায়ো প্ৰথম বিভাগতেই পাচ কৰিলে।

ভাইটি আৰু দেউতাক আকৌ অকলশৰীয়া কৰি থৈ গুচি আহিলো, গুৱাহাটীলৈ। দেউতাৰ লক্ষ্য মতেই ইঞ্জীনিয়াৰিং কলেজত নাম লগাই আকৌ ছাত্ৰ জীৱনৰ এটা অধ্যায় আৰম্ভ কৰিলো।

এটা দুটা বছৰ পাৰ হৈ মোৰ আকৌ চাৰিটা বছৰ শেষ হবলৈকে হল। এই চাৰিটা বছৰত মল্লিকা আৰু মোৰ মাজত যেন কিছু পৰিবৰ্তন ঘটিল। মল্লিকা তেতিয়া মেডিকেল কলেজৰ চতুৰ্থ বাৰ্ষিকৰ ছাত্ৰী, ময়ো আগৰ দৰে মল্লিকা হঁতৰ ঘৰলৈ নোযোৱা হলো। গলেও অৱশ্যে বেয়া নাপায়। মই যেন লাহে লাহে মল্লিকাৰ ওচৰৰ পৰা আঁতৰি আহিব খুজিছো।

লাহে লাহে আমাৰ পৰীক্ষাৰ ওচৰ চাপিল। আগৰ দৰে ফুৰাচকা কমাই দিলো. পঢ়াশুনাৰ ব্যস্ততা দেখুৱাই মল্লিকাহঁতৰ ঘৰলৈ নোযোৱা হলো।

পৰীক্ষা দি শেষ বাৰৰ বাবে ঘৰলৈ ঘুৰি আহিলো। ঘৰলৈ আহি গম পালো মোৰ বিয়া পাতিছে। কাৰ লগত আৰু কেতিয়া হব মই একো গম পোৱা নাই। হয়তো পঢ়া-শুনাত ব্যাঘাত জন্মিব বুলি মোলৈ একো খবৰ দিয়া নাছিল। দেউতাই মোক মাতি নি কলে ত্ৰিদিৱ তোৰ বিয়া পাতিছো, মই অৱশ্যে বিয়াত সম্মতি দিয়া নাছিলো, প্ৰতিবাদ ও কৰিছিলো। ভাবিছিলো সংসাৰৰ এই বান্ধোনৰ পৰা মুক্ত হৈ থাকিম ··· কিন্তু নোৱাৰিলো পুৰবী। দেউতাই ইতিমধ্যে বিয়াৰ সকলো যোগাৰ কৰিছেই তোমাৰ দেউতাকো কথা দিলে, তোমাৰ দেউতাই অৱশ্যে তেতিয়া এটা কথা কৈছিল, যে লৰাক নোসোধাকৈ জানো বিয়াখন পাতিব পাৰি? দেউতাই তেতিয়া কৈছিল মই জানো তুৰবা মোৰ লৰাই মোৰ মতৰ বিৰুদ্ধে কেতিয়াও খিয় নিদিয়ে। সচাকৈ মই দেউতাৰ মতৰ বিৰুদ্ধে যাব খুজিও যাব নোৱাৰিলো।

অবশেষত হোমৰ জ্বলিত অগ্নিক সাক্ষী কৰি তোমাক স্ত্ৰী-হিচাবে গ্ৰহণ কৰিলো সঁচা কিন্তু তুমি যেন সেই মল্লি অৰ্থাৎ মল্লিকা শইকীয়া নহয়! মল্লিকাৰ দৰে যেন তুমি কেতিয়াও হব নোৱাৰা পুৰবী·················।

তুমি তেন্তে কিয় মল্লিকাক নিজৰ কৰি নললা? কিন্তু ·······কিন্তু কি ত্ৰিদিৱ?···

···মল্লি যে এই সংসাৰত নাই । কি কি···? সচা পুৰবী মল্লিক আৰু এই সংসাৰত নাই। মল্লিকা যি দৰে মোৰ ওচৰৰ পৰা আতৰি গল মযো মল্লিকাৰ দৰে তোমাৰ ওচৰৰ পৰা আতৰি ফুৰিব খুজিছো ।

পুৰবীৰ চকুৰ পানীয়ে চিঠিখনৰ আখৰ কেইটা মোহাৰি পেলালে, চিঠিখনৰ এটা বাক্য এতিয়াও মোহাৰ খোৱা নাই । "তোমাৰ জীৱন মধুৰ হওক" শেষৰ বাক্যটো ত্ৰিদিৱৰ চকুৰ পানীয়ে মোহাৰি পেলালে । বতাহ জাকে কোঠাতো চেচা কৰি গল ।

---

মাত্ৰ কেইটামান ঝিলিৰ চিঞৰতে পাহাৰখন ৰজনজনাই থকাৰ কাৰণেই নাভাবিবা যে সিহঁতেই পাহাৰখনৰ একমাত্ৰ অধিবাসী । ( এডমাণ্ড বাৰ্ক )

বুদ্ধিমান ব্যক্তিয়ে কেতিয়াও হাতসাৰটি বহি নাথাকে আৰু ক্ষতিৰ বাবে শোকপ্ৰকাশ নকৰে। বৰং আনন্দেৰে ক্ষতি পূৰণ কৰে । ( চেক্সপীয়েৰ )

বহুত আৰু বিৰাট ভুলৰ মাজেদি নহাকৈ কোনো মানুহেই মহান আৰু ভাল হব নোৱাৰে । ( গ্লেডষ্টোন )

সময়ৰ দেওবাৰ নাই । ( হিপ্লোৰ আইষ্টান )

কোনো কামেই কঠিন নহয়, যদি তাক আপুনি খণ্ড খণ্ড ৰূপত দেখে । ( হেনৰীফোৰ্ড )

আত্মবিশ্বাস বীৰত্বৰ সাৰ বস্তু । ( এমাৰচন )

কবলগীয়া কথা একো নাই, অথচ সুবিধা পালেই মুখ খোলে আৰু অনবৰত কথা পাতিয়েই থাকে । এনেকুৱা মানুহ হিংস্ৰ বনৰীয়া জন্তুতকৈও বেচি ভয়াবহ । ( জনাথন চুইফ্‌ট্‌ )

এটুপী চকুৰ পানী, এষাৰি সান্ত্বনা মাত, এখনি চেনেহী হিয়া, এখনি সহায় হাত, পিছপৰা দুখীয়াই যায় আশাকৰি আগবঢ়া দুখীয়াই চায় জানো ঘূৰি ? ( আনন্দচন্দ্ৰ আগৰৱলা )

সংগ্ৰাহক—শ্ৰীপ্ৰদীপ শৰ্ম্মা

# সন্ধ্যা তৰাৰ অশ্রু

—হেমন্ত কুমাৰ বৰা
স্নাতক প্ৰথম বাৰ্ষিক

বাস্তৱ আৰু কল্পনা সেয়েই আকোৱালি ধৰে জীৱনৰ আকোৰা-পকোৰা বাটত। বাস্তৱৰ অসীম ৰূপতেই জীৱনৰ গতিত কল্পনাৰ প্ৰভাৱ। কল্পনা আৰু এটি অজান আনন্দ—তাৰ মাজেদিয়েই ৰহিমৰ কলেজীয়া জীৱনৰ প্ৰথম পদক্ষেপ।

ৰিব্ ৰিব্‌কৈ বৈ যোৱা এজাক মৃদু মধুৰ বতাহ জাকৰ মাজেদি এখোজ দুখোজকৈ ৰহিম পদুলিৰ ফালে খোজ ললে। সি চহৰলৈ প্ৰথম আহিছে। সেইবাবে চহৰৰ চাল-চলন আৰু মানুহৰ ব্যৱহাৰ পাতিবোৰ তাৰ বাবে যেন এক বিৰক্তিকৰ বিষয় হৈ পৰিছে। দুদিনমানৰ পৰা তাৰ মনত কিছুমান বিৰক্তিকৰ ভাৱনাই আগুৰি ধৰিছে। সিহঁতৰ মেছত থকা বাকীবিলাক ল'ৰাৰ সৈতে সি ফুৰি-চাকি গধুলিৰ বাহত আহি মেছত সোমাইছেহি। অন্য দিনাৰ দৰে সেই দিনাও ৰহিমে ওচৰতে থকা ৰাজহুৱা পুখুৰী-টোৰ পৰা পানী আনিছিল, কিন্তু হঠাৎ ৰহিম পিছলি পৰিল পুখুৰীটোৰ অলপ আঁতৰত। এনেতে সিফালৰ পৰা এজন মানুহ খৰ-খৰকৈ তাৰ ফালে অগ্ৰসৰ হ'ল। চিঞৰি চিঞৰি মানুহজনে তাক কটু কথাৰে গালি-গালাজ পাৰিলে "চালা, গাঁৱৰ ভোদা লৰা, ৰাস্তা গেলাবলৈ আহিছে আজিয়েই কৈ দিলো, আকৌ এবাৰ দেখিলে বেয়া হ'ব।" এনেবিলাক কটু কথা শুনাৰ লগে লগে ৰহিমৰ মুখ গৰম হৈ গ'ল।" সি লাজ অপমানত তথা কষ্টক আঁকোৱালি লৈ পৰা ঠাইৰ পৰা উঠি নিজৰ গন্তব্য স্থানৰ ফালে গতি কৰিলে। তথাপিতো তাৰ ক'বৰ মন গৈছিল, গাঁৱৰ ল'ৰা বুৰ্বক নহয়, সিহঁতে ব্যৱহাৰ পাতিৰ কথা ভালকৈ জানে। কিন্তু সি ভদ্ৰতাৰ খাতিৰত একো নকৈ তলমূৰ কৰি থাকিল। সেই দিনা ৰহিমে ৰাতিটো চকুৰ পতা নজপোৱাকৈ উজাগৰে কটালে। প্ৰতিটো ক্ষণৰ প্ৰতি-টো মুহূৰ্ত্ততে তাৰ মানস পটত ভাঁহি উঠিছিল সহজ সৰল তাৰ গাঁৱৰ মানুহবোৰৰ মুখবোৰ সহজ সৰল তাৰ মাক-ভায়েকৰ মুখকেইখন। এদিনো ঘৰত টান কথা নুশুনা ৰহিমৰ এনে-বোৰ কথা সেইদিনা শুনি তাৰ অন্তৰৰ নিভৃত কোণৰ দুগালে দুধাৰি অশ্ৰুনদী বাগৰি আহিল। সি ভাবিলে, গাঁৱৰ মানুহবোৰৰ ওপৰতে চহৰ-বোৰ চলি আছে। এই কথা গাঁৱৰ বাহিৰে অন্য মানুহবোৰে কোনো দিন উপলব্ধি নকৰে।

গভীৰ দুখত ৰহিমৰ হিয়াখন সেমেকি উঠিল।

ৰিব্ ৰিব্‌কৈ বৈ থকা মৃদু মধুৰ বতাহজাকে আলিৰ ধূলিবোৰ উৰুৱাই লৈ গৈছে। তাৰ মাজে মাজে ৰহিমো আগ বাঢ়িল। ঘনে ঘনে তাৰ আগতে বিভিন্ন ৰং-বেৰঙৰ সাজ পৰিহিত মানুহবোৰ অহা যোৱা কৰি আছে। প্ৰত্যেকৰে মুখত ব্যস্ততাৰ চিন। মাজে সময়ে দীপলিপ ছোৱালীৰ জাক। মুখত হাঁহি আৰু বিভিন্ন ৰকমৰ কথা। অনাফালে মাইক, ৰেডিঅ', চিনেমাৰ ভিৰ। চহৰৰ এনেবোৰ আপোনা পাহৰা সৌন্দৰ্যই ৰহিমক আকৰ্ষণ কৰিব নোৱাৰিলে। মাথোন তাৰ চকুৰ আগত ভাঁহি উঠিল গাঁৱৰ জুকলা মানুহবোৰৰ মুখবোৰ, লৰা-ছোৱালীবোৰৰ উৱলি যাব খোজা কানি কাপোৰ, স্কুলৰ কিতাপবোৰ। এই ক্ষণিক ছবিবোৰৰ মাজতে ৰহিমে দেখা পালে মাক, ভায়েক আৰু বৃদ্ধ ককাদেউতাকৰ শেতো-পৰা মুখখন। বুকুৰ গভীৰ দুখ-বেদনাবোৰ আঁতৰ কৰিবলৈ সি ৰাস্তাৰ মাজতে চকু মুদি দিয়ে। যেতিয়া সি চকু মেলিলে, সি চকুৰ আগত পুনৰ দেখা পালে কূট বুদ্ধিৰে, অসৎ উপায়েৰে গাঁৱৰ মানুহক ঠগি ঠগি ৰজা হৈ মজা মৰা মৰিবাম ঠিকদাৰ, মৌজাদাৰ আৰু স্থানীয় এম, এল, এৰ মনোমোহা ঘৰবোৰ। এনে দৃশ্যই ৰহিমৰ অন্তৰ ভাৰাক্ৰান্ত কৰি তুলিলে।

সেই ৰিব্ ৰিব্ বতাহজাক পুনৰ পৰা পশ্চিমলৈ মৃদু গতিৰে বলিবলৈ ধৰিলে। লঠঙা নিম জোপাৰ তলত এহাল কপৌৱে ইটিয়ে-সিটিক আপোন পাহৰা হৈ মৰমৰ চুমা যাচিছে। সিহঁতৰ ডেউকাই বতাহত শব্দৰ তৰঙ্গ তুলিছে। এনেতে তাৰ মনলৈ আহিছিল এখন চিনাকী মুখৰ ছবি। সেয়াই হ'ল মধুমিতা। মধুমিতাৰ লগত তাৰ চিনাকী হোৱা আজি বেছি দিন হোৱা নাই। কলেজৰ বছৰেকীয়া সাহিত্য প্ৰতিযোগিতাত সি কেইবাটাও বটা লাভ কৰিছিল। মধুমিতাইও পাইছিল দুটিমান বটা। তেতিয়াই সিহঁতৰ পৰস্পৰ মাজত চিনা পৰিচয় হয়। ৰহিমৰ বিতোপন সৌন্দৰ্য্য তথা সাহিত্যিক প্ৰতিভাত মধুমিতা মুগ্ধ হ'ল। প্ৰফেছাৰে ক্লাছ কৰি থকা সময়তো মধুমিতাই ৰহিমৰ ফালে চকু ফুৰায়। মধুৰ এনে চাৱনিয়েই ৰহিমক থতমত খুৱাইছিল কেতিয়াবা কেতিয়াবা জিৰণি সময় থাকিলে লগৰ ছোৱালীবোৰৰ লগতে চাহ খাবলৈ মধুৱে ৰহিমক কেণ্টিনলৈ লৈ যায়। ভদ্ৰতাৰ খাতিৰত সি মধুৰ অনুৰোধ ৰক্ষা কৰি গৈছিল। তাইৰ এনেবোৰ আচৰণে ৰহিমৰ মনত ঝঙ্কাৰ তুলিছিল।

দুদিন মানৰ পৰা তাৰ মনত কিছুমান চিন্তাই বেছি ধৰিছিল। কলেজৰ পৰা আহোঁতে এদিন মধুৱে তাক বাটতে সিহঁতৰ ঘৰলৈ টানি অনুৰোধ কৰিছিল। মধুৱে তাইৰ জন্মৰ দিনত তাইৰ ভালপোৱা বান্ধৱীক আৰু বন্ধুজনক ঘৰলৈ আনিব। মধুৰ কাতৰ অনুৰোধে তাক জয় কৰিব নোৱাৰিলে। ক্ষমা-খুজি সি আঁতৰি আহোঁতে তাইক বাটতে চকুপানী টোকা দেখিবলৈ পালে। ৰহিমে সেই কৰুণ দৃশ্যটো পাহৰি যাবলৈ চকু মুদি দিলে। কিন্তু মধুৰ চকুপানীখিনি বেছি স্পষ্টকৈহে তাৰ মানস পটত ভাঁহি উঠিল। সি মধুৰ চকুপানীৰ মাজতে শৈশৱৰ চিনাকী সোণালীৰ মুখখন দেখা পালে। সোণালীৰ প্ৰতিচ্ছবিয়ে তাৰ চকুৰ আগত ঠাই লোৱাৰ লগে লগে দেখা পালে তাইৰ সাঁতুৰি-নাদুৰি কঁহুৱা ফুল ছিঙি ইটিয়ে-সিটিক ভাৰপ্ৰদান কৰা,

ওমলাঘৰ সাজি-সাজি ডাঙৰ দীঘল হোৱা ছবিবোৰ তাৰ মানস পটত ভাঁহি উঠিল। নগৰৰ কোলাহ'ল পাহৰি সি সেই কেঁচা স্মৃতিবোৰ ৰোমন্থন কৰিবলৈ ধৰিলে। তাৰ বৰকৈ মনত পৰিল। সোনালীয়ে চাগৈ দুখুনী মাকৰ সৈতে কাৰোবাৰ পথাৰত ধান দাইছে; ইফালে তাইৰ বৃদ্ধ দেউতাকে কাহি কাহি পিৰালিত বহি সিহঁতৰ অহাৰ ক্ষণ গণি আছে। ৰহিমে অনুভৱ কৰিলে শৈশৱৰ পৰা তাৰ সম্বন্ধ সোনালীৰ মাজতে নিহিত হৈ আছে।

সোনালী? সোনালী তাৰ অতীতৰ চিনাকী, সি চহৰলৈ আহিবৰ দিনা ঘৰখন যেন তাৰ বাবে ব্যস্ত হৈ পৰিছে। সোনালীয়ে ৰহিমৰ ভায়েকৰ লগতে ৰহিমৰ আৱশ্যকীয় বস্তু বাহানিবোৰ বন্ধাত ব্যস্ত। যেতিয়া সি আহিবলৈ ওলাল, তাই এটা সৰু টোপোলা তাৰ হাতত অৰ্পণ কৰি ক'লে, "লোৱা মোৰ যে দিবলৈ একো নাই, আশীৰ্ব্বাদ মোৰ; তুমি পঢ়ি ডাঙৰ মানুহ হ'বা, গাওঁখনৰ মুখ উজ্জ্বল কৰিবা।" সি সোনকালেই টোপোলাটো খুলি দেখা পালে এখন গামোছা, এখন ধুনীয়া ৰুমাল আৰু এটা গাৰু খোলপ। আৰু? কেইটিমান তাই অসীম কষ্টৰে গোটোৱা আঁচলৰ ধন। তাৰ প্ৰতিদান স্বৰূপেনো কি দিম নিদিম ইত্যাদি ভাৱনাই তাৰ হিয়াক উথল-পুথল কৰিলে। সি উপায়বিহীন হৈ নয়নৰ অশ্ৰুৰে তাইৰ বাবে প্ৰতিদান আগবঢ়ালে। তাই দিয়া ৰুমালেৰে চকুৰ লোতক মচিবলৈ ধৰিলে তাই তাৰ ওচৰলৈ আহি শান্তনা দি ক'লে—"কিয় বাৰু তুমি দুখ কৰিছা, মই তোমাক ভালৰ নিমিত্তেহে দিছো।" ইফালে সিহঁতৰ লাইন বাছখন আহি সিহঁতৰ ঘৰৰ ওচৰত ৰ'লহি। মানুহৰ হৈ হৈৰ মাজতে ৰহিমো বাছত উঠিল। সি বাছ চলা লগে লগেই সিহঁতক (সোনালী আৰু ভায়েকক) বিদায় দিলে। ধূলিৰে গোটেই ৰাস্তাটো ধূৱলি কুঁৱলী কৰি পেলালে। বাছখন অদৃশ্য নোহোৱালৈকে সোনালীয়ে সেই ফালে থৰ লাগি চাই ৰ'ল। তাৰ মাজতে ৰহিমে দেখা পালে অতীতৰ এটি প্ৰতিচ্ছবি। সি প্ৰথম বিভাগত মেট্ৰিক পাছ কৰাৰ দিনাখন সোনালীয়ে কিমান যে আনন্দ কৰিছিল, কিমান যে শুভেচ্ছা জ্ঞাপন কৰিছিল। তাই যেন হৈ পৰিছিল চঞ্চলা পখিলাৰ দৰে। এনেবোৰ ভাৱে ৰহিমক আনমনা কৰিলে।

ৰিব্ ৰিব্ কৈ বৈ যোৱা বতাহজাকে যেন তাক বাৰে বাৰে গাঁৱৰ ফালে, ঘৰৰ ফালে উটোৱাই লৈ গৈছে। তাৰ মনত পৰিল দুখুনী মাকে তাক মৰম কৰাৰ কথা আৰু বৃদ্ধ ককাদেউতাকৰ মিঠা মিঠা সম্ভাষণবোৰ। ককাদেউতাকে তাক আলফুলে গাত হাত বুলাই অশেষ আশীৰ্ব্বাদ জ্ঞাপন কৰে। তাৰ মানস পটত ভাঁহি উঠিল মৃত্যুৰ কোলাত শুই থকা দেউতাকৰ কথা। সিহঁতৰ গাওঁখন এবাৰ বানপানীৰ কৰাল গ্ৰাসত পৰিছিল। খেতি পথাৰবোৰ বালিয়ে পুতি পেলাইছিল। পোত খাইছিল ৰহিমহঁতৰ খেতিৰ মাটি পুৰাও। অৱশেষত জীৱিকাৰ উপায় স্বৰূপে দেউতাকে ওচৰত থকা কাগজ ক'লৰ হাজিৰা কামত নিয়োজিত হ'ল। পাহাৰীয়া পৰিবেশত খাপ খাব নোৱাৰিলে দেউতাকে। দেউতাকৰ গাত মেলেৰীয়া বেমাৰে দেখা দিলে। আৰোগ্য হোৱাৰ মানসেৰে তাৰ দেউতাক কৰ্মস্থান এৰি ঘৰ পালেহি। উপযুক্ত

শুশ্ৰূষাৰ অভাৱত চিৰ বিদায় মাগিলে তাৰ দেউতাকে। সেই দিনতে সিহঁতৰ ঘৰলৈ জাননী আহিল মাটিৰ বছৰেকীয়া খাজানা দিয়াতো। সেই খাজানা নিৰ্দ্দিষ্ট দিনত দিব নোৱাৰাৰ বাবে সিহঁতৰ মাটি মৌজাদাৰে গ্ৰাস কৰিলে। এনেবোৰ করুণ দৃশ্য তাৰ চকুৰ আগত এখন এখনকৈ ভাঁহি পৰিল।

অনেক দুখ বেদনাক সাৱটি লৈ ৰহিম ৰতাহজাকৰ পিছে পিছে আগবাঢ়িল। ধুনীয়া ঘৰটোৰ কাষৰ পুল এটাত এজাক ৰংবেৰঙৰ সাজ পৰিহিতা ছোৱালী ৰহি আছিল। পাৰহৈ যাবলৈ সি খৰকৈ খোজ দিলে। পাৰ হ'বৰ সময়তে পিছৰ ফালৰ পৰা তাক কোনোবাই মাতিছে। হয় তাৰ ভুল হোৱা নাই, সেয়া মধুমিতা। তাই সৰু ছোৱালীৰ দৰে দৌৰি আহি তাৰ কাষ চাপিলেহি। সি ঘুৰি চালে। তাই হাঁহি দিলে। ৰতাহত মধুমিতাৰ চুলিবোৰ আউলি-বাউলি হৈ পৰিছিল। আউলি-বাউলি ৰতাহত তাইৰ মুখখন চাবলৈ তাৰ ভয় লাগিল। মধুমিতাই কন্দাৰ মাজতে তাক অনুৰোধৰ সুৰেৰে ক'লে—"মই তোমাক নেৰো, তুমি আমাৰ ঘৰলৈ যাবই লাগিব।" দুখৰ মাজতে ৰহিমে এক আনন্দৰ শিহৰণ অনুভৱ কৰিলে। সিহঁত দুয়োটাই ফুলনিৰ মাজেদি আগবাঢ়িল। প্ৰকাণ্ড পকীঘৰত সি প্ৰৱেশ কৰিলে। মধুমিতাই চিনাকী বন্ধুক নিজৰ ঘৰলৈ আনিবলৈ পাই সুখী হ'ল। তাই আনন্দত বিভোৰ হৈ ৰহিমক ড্ৰয়িং ৰুমত বহুৱাই ভিতৰলৈ গ'ল। মধুহঁতৰ ঘৰত যেন এক আনন্দৰ জোৱাৰ উঠিল। মাকক তাই ৰহিমৰ লগত চিনাকী কৰি দিলে। ৰহিমে বহা ঠাইৰ পৰা থিয় হৈ সন্মান জ্ঞাপন কৰিলে মধুমিতাৰ মাকক। মাকে তাৰ পৰিচয় লোৱাৰ পাছত সিহঁতৰ গাঁৱৰ মৌজাদাৰৰ কথা সুধিলে। সি মৌজাদাৰক ভালকৈ চিনি পায়। মাকে, তপৰাই উত্তৰ দিলে, এইখন সেই মৌজাদাৰৰ ঘৰ। এইখন ঘৰ মৌজাদাৰৰ, মৌজাদাৰৰ ………বুলি শুনাৰ লগে লগে তাৰ মন আৰু অন্তৰ ম্লান হৈ পৰিল। ইফালে মধুৱে তাক হাতত ধৰি ভিতৰলৈ লৈ গ'ল। যাওঁতে সি অনুভৱ কৰিলে, প্ৰতিটো খোজতেই যেন মেদিনী কঁপিব লাগিছে।

বিভিন্ন ৰকমৰ খাদ্যৰ প্লেটবোৰ মধুৱে সজাই দি ক'লে, 'খোৱা'। বিভিন্ন ৰকমৰ খাদ্যৰ প্লেটবোৰৰ জিলিকনিত তাৰ "ফয়িফু গাওঁখন, জুকলা মানুহবোৰৰ মুখবোৰ, নীলামত যোৱা মাটি পুৰা সি জিলিকি উঠা দেখিবলৈ পালে। সেই খাদ্যবোৰত সি তাৰ মৃত্যু হোৱা দেউতাক, দুখুনী মাক, ভায়েক আৰু দেখা পালে সোণালিকে। আৰু ? দেখা পালে তাৰ অতি আপোন বৃদ্ধ ককাদেউতাকৰ কলিজাৰ তেজ।

গল্প

# মৃত্যুৰ কাৰণ বিচাৰি

শ্ৰীশ্যামসুন্দৰ সিংহানিয়া
প্ৰাক্-স্নাতক ( M )

মাজনিশা। ক'তো সাৰসুৰ নাই। হঠাৎ কোনোবা তিৰোতা মানুহৰ গগণ ফলা বিননি শুনি মোৰ চকুপাহি মেল খাই গ'ল। বিচনাত পৰি থাকিয়েই ই সপোন নে দিঠক তাৰে উমান লবলৈ কেইমুহুৰ্ত্তমান তলকা মাৰি থাকিলো। নাই. মোৰ কাণে মিছা শুনা নাই। মনৰ ভ্ৰমো নহয়। সম্পূৰ্ণ বাস্তৱ। এইয়া তিৰোতা মানুহৰেই কান্দোন—। এই মাজনিশা ক'ত কি ঘটিছে বাৰু? গিৰিপ্ কৰে উঠি বিচনাত বহি পৰিলো। উঠি আহি মোৰ পঢ়া টেবুলত কমাই থোৱা লেমটোৰ ফিটাডাল বঢ়াই দিলো। কোঠাটো পোহৰ হৈ উঠাত মনৰ মাজত থকা সামান্য জড় ভাবখিনি আঁতৰিল। তাৰ পাছত দুৱাৰখন মেলি ইফালে সিফালে চালো। একো নেদেখি। অমাৱস্যা নিশা, ঘোপমৰা অন্ধকাৰ। ওচৰত একো নাপাই দুৱাৰৰ দাং দালকে হাতত লৈ কান্দোন ভাঁহি অহা ফালে খোজ দিলো।

ৰাতিপুৱাল। তেতিয়া ঘটনাস্থলিত উপস্থিত আছিল কৌতুহলীমুখৰ ৰাইজ। ইতিমধ্যে ঘটনাটো গোটেই অঞ্চলতে বজ্ৰন জনাই গ'ল। আলিৰ পৰা কেইনলমান আঁতৰত ঘটনাটো ঘটিছিল। সেইফালে বলীনইঁতৰ ঘৰৰ পিছ-ৰাৰী আছিল। তাৰে এজোপা প্ৰকাণ্ড আম-গছৰ ডালত ওলমি আছিল এজন আদহীয়া মানুহৰ মৃতদেহ আৰু সেয়ে আছিল বলীনইঁতৰ বাপেক ধনীৰাম। তাত সমবেত হোৱা ৰাইজৰ মাথোন একোটাই প্ৰশ্ন। কিয় এনে হ'ল? কিন্তু তাৰ উত্তৰ কোনেও উলিয়াব পৰা নাছিল। পুৱা ৯ মান বজাত স্থানীয় থানাৰপৰা পুলিচ আহিল। তেতিয়াও মৃতদেহটো ওলমিয়েই আছিল। কাৰণ মৃতদেহৰ ওপৰত যথে মধে হাত দিয়াটো বে-আইনি কথা বুলি মানুহবোৰে ভালকৈ জানিছিল। বলীনইঁতৰ মাক-ভনীয়েকহঁতে হাৰিয়ে বিয়েকৈ কন্দা-কটা কৰিছিল যদিও একো কৰিব পৰা নাছিল। মাটি-ৰপৰা কেইফুটমান ওপৰত ওলমি থকা মানুহ-জনৰ ভৰিৰ তলত পৰি ঘৰৰ আটাইকেইটিয়ে কান্দি কান্দি বেহুঁচ হৈ পৰিছিল। ৰাইজে বুজনি দিও শান্ত কৰিব পৰা নাছিল। পুলিচে

ৰলীন আৰু সিঁহতৰ মাকক কিছুমান প্ৰশ্ন কৰিবলৈ ধৰিছিল। কাৰোবাৰ ওপৰত কিবা সন্দেহ আছিল নেকি বুলি সুধিলে। কিন্তু তাৰ যথাযথ প্ৰত্যুত্তৰ দিয়াৰ মানসিক সুস্থতা বা দুঃসাহস ৰলীন আৰু তাৰ মাক ৰণীতৰাৰ নাছিল যদিও সিঁহতে সন্দেহজনক কাৰণ থাকিব পাৰে বুলি ভাবিছিল। উপস্থিত ৰাইজকো দুই এটা প্ৰশ্ন কৰি কোনো সন্দেহজনক প্ৰমাণ নাপাই ধনীৰামৰ মৃত্যুক 'আত্মহত্যা' বুলিয়ে পুলিচে মন্তব্য দিলে। অৱশেষত মৃতদেহ সংস্কাৰ কৰিব পাৰিব বুলি কৈ পুলিচ গুচি গল। ঘটনাটো সিমানতে শেষ হোৱা হলে ভালেই আছিল। কিন্তু মোৰ মনে পুলিচৰ বিপৰ্ট মানি লব নোৱাৰিলে। বাৰে বাৰে মোৰ মনত প্ৰশ্ন হল। এইটো আচলতে আত্মহত্যা নে হত্যাকাণ্ড? যদি আত্মহত্যাই হয় তেন্তে ধনীৰাম দাইটিয়ে (মানে দাইটি বুলি মাতো) কিয় বাৰু এনে এটা সিদ্ধান্ত ললে? এই দুৰ্বল মানুহজনে আত্মহত্যা কৰাৰ নিচিনা দুঃসাহস বা ক'ত পালে? মোৰ পোন্ধৰবছৰীয়া মনটোক কোনোমতেই পতিয়ন নিয়াব নোৱাৰিলোঁ।

কিছুদিন পাৰ হৈ গ'ল। ৰলীনহঁতৰ পৰিয়ালটোৰ লাহে লাহে মৃতকৰ শোক পাতল হোৱা যেন পালো। পিতৃহাৰা ৰলীন মোৰ সমনীয়া আৰু এসময়ত সহপাঠী বন্ধু আছিল। কিন্তু ঘৰুৱা নানান সমস্যাৰ বাবে পঢ়াশুনা সকতেই এৰি দিলে। সৰুৰে পৰা আমি একেলগে খেলা-ধূলা কৰি ডাঙৰ হৈছো। গতিকে এতিয়াও আমাৰ বন্ধুত্বৰ আঁতডালত আউল লগা নাই। সিঁহতৰ বাৰীখন পাৰ হলেই আমাৰ ঘৰ পোৱা যায়। এদিন তাক মোৰ ওচৰলৈ মাতি আনি সুধিলো—"এই কাণ্ডটো কেনেকৈ হবলৈ পালে ৰলীন? ঘটনাটোৰ মাজত কিবা ৰহস্য আছে বুলি তই ভাব নেকি বাৰু?......... থাকিবও পাৰে কিন্তু আচল কাৰণটো কি হব পাৰে মই একো ভাবিবই নোৱাৰো। খুউব শান্ত ভাবে ৰলীনে ক'লে, মই ভাবি পোৱাত কেইবাটাও কাৰণে পিতাইক এই পথ ল'বলৈ বাধ্য কৰালে। তইতো আমাৰ ঘৰত ঘটি থকা ঘটনাবিলাকৰ কথা জানই। যেনে পিতাইৰ দুৰাৰোগ্য ব্যাধি, যাৰ বাবে পৰিয়ালটোৰ অশান্তি হোৱা বুলি পিতায়ে ধৰি লব পাৰে। আন হাতেদি বৰপিতাইহঁতৰ লগত হোৱা সংঘৰ্ষত এটা কাৰণ হব পাৰে। পিতাইৰ দৈহিক দুৰ্বলতাৰ সুযোগ লৈ বৰপিতাইহঁতে আমাৰ মাটি সম্পত্তি আত্মসাৎ কৰিলে। লগে লগে আমাৰ হাহ নহকা অৱস্থা হ'ল। আইৰ হাতৰ, কাণৰ সকলো গল। পৰিয়ালটিৰ দায়িত্ব পালন কৰিবলৈ পিতাই অক্ষম হোৱাত সকলো আমিয়েই কৰিব লগা হ'ল। লোকৰ ঘৰত বোৱা তোলা কৰিবলৈ যাওঁতে বোৱাবছৰ ভনীজনীক সাপে খুঁটি মাৰিলে। তাৰ আগৰ বছৰ সৰু ভাইটি ৰলীয়া কুকুৰে কামোৰাত বিনা চিকিৎসাৰে মৰিলে। সমসাময়িক ভাৱে ঘটি যোৱা এই ঘটনাবোৰৰ কথা তই জানই। মোৰ ভাব হয় এই ঘটনা বিলাকে যেন তিল তিলকৈ আমাক মৃত্যুৰ মুখলৈ ঠেলি পঠিয়াব ধৰিছে। ইয়াৰ পিছৰ পৰাই দৈহিক ভাবে অসুস্থ পিতাই মানসিক ভাবে অসুস্থ হৈ পৰিল। পিতাইৰ মানসিক বিকাৰ হবলৈ ধৰিলে। ভ্ৰম বকিলে।

যি মন যায় তাকে কৰিবলৈ ধৰিলে। তথাপি আমি ভবা নাছিলো পিতায়ে এদিন আত্মহত্যা কৰিব বা আত্মহত্যা কৰাৰ চিন্তা কৰিব পাৰিব বুলি। কিন্তু যেতিয়া জানিব পাৰিলো তেতিয়া সকলো হৈয়ে গল। এই বুলিকৈ বলীন বৰ গহীন হৈ পৰিল। মই মন কৰিলো তেতিয়া তাৰ দৃষ্টি সেই অমঙ্গলীয়া আম জোপাৰ এটা নিৰ্দিষ্ট ডালত যেন নিবদ্ধ হৈ ৰল। তাৰ করুণ মুখখন লাহে লাহে আমবৰণীয়া হ'ল। মই শান্তনা দিবলৈ ভাষা বিচাৰি নাপালো। নিৰ্ব্বাক হৈ মাথো তাৰ ফালে চাই ৰলোঁ। হঠাৎ সি বহাৰ পৰা উঠিল আৰু এটা ক্ষীণ মাতেৰে ক'লে—বাৰু বঞ্জিত, মই যাওঁ বহুত সময় হ'ল। তই যাব নেকি?" যা বাৰু। দুখ কৰি থাকিলে কি হব। হোৱা কথা হৈ গল আৰু এতিয়া ধৈৰ্য্য ধৰি নিজৰ কৰ্ত্তব্য কৰি যোৱাটোহে আচল কথা। মই এনেয়ে তৃতীয় পুৰুষতে কলো আচলতে সেই সময়ত কি বুলি ক'লে বলীনে শান্তি পাব তাক মযো ভাবি নাপালো। সি এখোজ দুখোজ কৈ মোৰ পৰা আঁতৰি গুচি গল। মইও বহা ঠাইতে থাকি সি যোৱাৰ ফালে একেৰাহে চাই থাকিলো।

মোৰ নিজ চকুৰ আগত ঘটা ঘটনাটোৱে মোক ইমান বেচি অভিভূত কৰি তুলিছিল যে মই তাক কোনোমতে মনৰ পৰা মচি পেলাব পৰা নাছিলো। বলীন যোৱাৰ পিছতো মই একে ঠাইতে বহি সেই কথাকে চিন্তা কৰি থাকিলো। মই নিজৰ প্ৰশ্ন কৰিলো এই আত্মহত্যাক মই কিয় সহজ ভাবে মানি লব পৰা নাই? মোৰ অৱচেতন মনটোৱে মোক যেন বাৰে বাৰে কৈছে "ই আত্মহত্যা নহয়, হত্যাকাণ্ডহে।" এই হত্যাকাণ্ডৰ মূল হৈছে মানুহ। মানুহেই মানুহৰ ওপৰত কঠোৰ হৈ শোষণ কৰিব পাৰে। মানুহৰ বাবেই মানুহে সৰ্ব্বস্ব হেৰুৱাই শেষত এনে পন্থা লোৱাটোও কোনো অস্বাভাৱিক কথা নহয়। মানুহে কয়, "আত্মহত্যা কৰা পাপ।" ধনীৰাম দাইটিৰ এই 'পাপৰ" ভাগী সিহঁত অকলেইনে বাৰু? তাৰ উত্তৰ মোৰ অবিদিত। ধনীৰাম দাইটিৰ মৃত্যুৰ কাৰণ যিয়েই নহওক তাৰ ৰহস্য এতিয়াই মই উলিয়াব নোৱাৰিম। কিন্তু এদিন ইয়াৰ ৰহস্য উলিয়াবই লাগিব। ভৱিষ্যতে মই এজন চোৰাংচোৱা বিভাগৰ বিষয়া (Detective) হম। ৰহস্য জনক মৃত্যুৰ প্ৰকৃত ৰহস্য ভেদ কৰি হত্যাকাণ্ডত লিপ্ত থকা খুনীক উদ্ঘাটন কৰিম। প্ৰকৃত অপৰাধী জনক উপযুক্ত শাস্তি দিয়াৰ ব্যৱস্থা কৰিম। সিদ্ধান্তটোলৈ মই খুউব সকাহ পালো। মনটো পাতল পাতল লাগিল। মনৰ পৰা মোৰ দুৰ্ভাৱনাৰ ভাৰবোৰ আঁতৰি গ'ল। তেতিয়া মোৰ মূৰৰ ওপৰত শাৰদীয় আকাশৰ পূৰ্ণিমা জোনটিয়ে ধুনীয়াকৈ হাঁহি দিলে। মনটো মোৰ কিবা এটি বিচাৰি পোৱাৰ আনন্দত ফৰকাল হৈ উঠিল ঠিক সেই মুহূৰ্ত্ততে দুহেজাৰ বছৰৰ আগৰ বৈজ্ঞানিক আৰ্কিমিডিচে ৰজা হীৰোৰ সোণৰ মুকুট প্ৰমাণিত কৰাৰ সূত্ৰ বিচাৰি পোৱাৰ আনন্দত চিঞৰা দৰে ইউৰেকা! ইউৰেকা! অৰ্থাৎ পাইছো পাইছো বুলি মোৰো চিঞৰি দিবৰ মন গল।

—●—

# প্ৰেমক হত্যা

শ্ৰীউৎপল শৰ্ম্মা
প্ৰাক-স্নাতক ২য় বাৰ্ষিক

চকুৰাজান চাৰিআলিৰ ওচৰত থকা পুলিচ ষ্টেচন।

ইন্সপেক্টৰ প্ৰফুল্ল দত্তই ব্যস্তভাৱে ফাইল এটাৰ ওপৰত চকু দি আছে। সময় দুপৰীয়া ১২ মান বাজিছে। এনেতে চিপাহী এটা ভিতৰলৈ আহি চেলুট দিয়াত দত্তই ফাইলৰ পৰা মুৰ দাঙি চিপাহীটোলৈ চালে।

কি হ'ল ?

চাৰ মানুহ একজন আহিছে। আপোনাক লগ পাবলৈ।

কৰ পৰা ?

নাজানো চাৰ। ডাঙৰ কেচ যেন লাগিছে।

যা পঠিয়াই দেগৈ।

অলপ পাছত ধুতি পাঞ্জাবী পিন্ধা বয়সষ্ঠ মানুহ একজন সোমাই আহিল। দত্তই তেওঁলৈ চালে মানুহজনৰ মুখখন সৰু হৈ আছে। চকু কেইটা সোমাই আছে। চকু কেইটা কন্দাৰ চিন সুস্পষ্ট। চুলিবোৰ আউল হৈ আছে। মানুহজনক চাইয়ে কব পাৰি তেওঁ যে বৰ ডাঙৰ বিপদত পৰিছে। দত্তই তেওঁক বহিবলৈ চকিখনলৈ আঙুলিয়াই দিলে।

ইয়াতে বহক।

মানুহজনে চাৰিওফালে চকু ফুৰাই চকিখনত বহিল।

কওঁকচোন আপোনাক কি দৰে সহায় কৰিব পাৰো ? দত্তই সুধিলে।

মানুহজনে দত্তলৈ অলপ চালে তাৰ পাছত কলে —

মই টিংখাং গাঁৱত থাকো। গাওঁ বুলিব নোৱাৰি; এখন সৰু সুৰা টাউন। মোৰ পৰিয়ালত মই মোৰ পৰিবাৰ ও একমাত্ৰ গাভৰু ছোৱালী। এইয়ে মোৰ পৰিয়াল। মই টিংখাঙত ৩০ বছৰ বাস কৰিছো। এই ৩০ টা বছৰত টিংখাঙতেই নালাগে আনতো মই কালিৰ দৰে মৰ্ম্মান্তিক গা-শিয়ঁৰি যোৱা ঘটনা দেখা নাই, শুনা নাই।

আপুনি আচল কথাটো নকয় কেলেই ? অধৈৰ্য্য হৈ দত্তই মানুহজনক কলে।

ৰব। মোৰ যদি একেবাৰেই নুশুনি আচল কথাটো শুনে তেন্তে আপুনি সুত্ৰ সমাধান কৰিব কেনেকৈ ?

বাৰু কওঁক।

মোৰ নাম ভিম্বেশ্বৰ শইকীয়া। কাম কৰো

বেলৰেত। অলপ দৰমহা পাওঁ, তাৰেই আমাৰ পৰিয়ালটো চলি যাওঁ। ছোৱালীজনী কলেজত পঢ়ে, দ্বিতীয় বাৰ্ষিকত। কথাখিনি কৈ থাকোতে শইকীয়াৰ মাতটো থোকা থোকি হৈ আহিল। তেওঁ সেপ গিলি দত্তলৈ চালে আৰু কলে-যোৱা নিশা মোৰ ঘৰত সেই মৰমৰ মোৰ প্ৰাণৰ মা-জনীক, মোৰ সোণজনীক কোনো কুখ্যাত দুৰ্বৃত্তই হত্যা ...... শইকীয়াই আৰু কব নোৱাৰি মূৰটো টেবুলত থৈ হুক হুকাই কান্দি উঠিল। যেন এটা সৰু লৰাই তাৰ দোষৰ কাৰণে দেউতাকৰ ওচৰত কান্দোনেৰে ক্ষমা খুজিছে। কি যে শোক লগা দৃশ্য!

দত্ত বিমোৰত পৰিল। তেওঁ আগ পাচ একো নাজানে। তথাপি তেওঁ শইকীয়াৰ মুখে যি শুনিলে সেয়ে তেওঁক যথেষ্ট চিন্তাত পেলালে। দত্তই শইকীয়াৰ অৱস্থাৰ ফালে চাই শইকীয়াক এই বিষয়ে তৎক্ষণাত একো নুসুধিলে।

অলপ পাচত শইকীয়াই মূৰটো উঠাই চকু দুটা মোহাৰি মোহাৰি দত্তলৈ চালে আৰু পকেটৰপৰা এখন সৰু কাগজ উলিয়াই দত্তলৈ আগবঢ়াই দিলে। দত্তই কাগজখন হাতত লৈ চালে। তাত লিখা আছে "ক্ষমা কৰিব। হাৰি যোৱাৰ বাবে অনিতাক চিৰবিদায় দিলো। ইতি কুমাৰ"। দত্তই পঢ়াৰ পাছত শইকীয়াক সুধিলে-এইখন আপুনি কত পালে?
ছোৱালীজনীৰ ওচৰত আছিল।
—তাই এতিয়া তাতে আছে নে?
—হয়।
—বলকছোন। এবাৰ চাই আহো। শইকীয়া আপুনি ইমান দেৰিকৈ যে মোক ৰিপৰ্ট দিছে ৰাতিপুৱাতো কব পাৰিলেহেতেন?
—ৰাতিপুৱা আমি সকলো কিবা হৈ গৈছিলো ইন্সপেক্টৰ। আপুনি কি বুজিব। আমি সকলো থকবা হৈ গৈছিলো।
—বাৰু বলক। এইবুলি দুয়ো থিয় হল। দত্তই বিং মাৰি চিপাহী এজনক মতাই আৰু দুজনক ওলাবলৈ কলে। অলপ পাছত দত্ত, শইকীয়া আৰু তিনিজন চিপাহী লৈ পুলিচ ভানখন শইকীয়া ঘৰৰ অভিমুখে ৰাওনা হল।

শইকীয়াৰ ঘৰৰ আগত মৃতদেহৰ চাৰিওফালে লোকে লোকাৰণ্য। মাক ভিতৰত কান্দি-কাটি পাগলীৰ দৰে হৈছে। গাঁৱৰ বুঢ়া, বুঢ়ী, ডেকা অনিতাৰ লগৰ ছোৱালী, স্কুল কলেজৰ, মাষ্টৰ-মাষ্টৰণী আদি কৰি বহুত মানুহ ঠাহ খাই আছে। ভিতৰত মাকক কলাৰপৰা বিৰত থাকিবলৈ বাৰে বাৰে চুবুৰীয়া মাইকী-মানুহ, অনিতাৰ লগৰ ছোৱালীবোৰে দঢ়াই দঢ়াই কৈছে। কিন্তু যিমান কৈছে সিমান কান্দিছে। "মোৰ মাজনীক কোনে মাৰিলে অ"? কি দোষ কৰিছিল তাই" ইত্যাদি কৰি মাকৰ কান্দোনেৰে গোটেই মানুহবোৰৰ অন্তৰ সেমেকাই দিছে।

অলপ পাচত পুলিচৰ গাড়ীত শইকীয়াক উঠি অহা দেখি গাঁৱৰ ডেকা মখাই ৰাস্তাটো উলিয়াই দিলে। গাড়ী আহি শইকীয়াৰ ঘৰৰ পদূলীমুখত ৰলহি। শইকীয়া নামি আহি দত্তক আদৰি আনিলে আহক ইন্সপেক্টৰ। দত্তই চিপাহী তিনিজনক লগত লৈ শইকীয়াৰ

পিছে পিছে যাবলৈ ধৰিলে। সকলোৱে দত্তৰ ফালে চাবলৈ ধৰিলে। দত্তই শ টোলৈ চালে তাৰপাছত ওচৰতে ৰৈ থকা মানুহবোৰক অলপ আঁতৰত ৰবলৈ কলে।

ইন্সপেক্টৰ দত্তই অনিতাৰ মৃতদেহটো ভালকৈ চালে। ডিডিত ৰছী বন্ধাৰ চিন সুস্পষ্ট। মুখখন বিকটাই আছে। মুখৰ কোৱা-ৰেদি এসোতা তেজ ওলাই গোটমাৰি আছে। চুলিবোৰ আউল বাউল হৈ আছে। কাপোৰ অনিতাই এটা ফ্ৰক পিন্ধি আছিল। ফ্ৰকটো সোঁত মোঁচ খাই আছে। খুব সম্ভৱ হত্যা-কাৰীয়ে অনিতাক বলাৎকাৰ কৰি হত্যা কৰি পলাইছে। দত্তই শইকীয়ালৈ চাই সুধিলে —শইকীয়া, এই কালি ৰাতি কিমান সময়ত শুইছিল ?

আমি সদায় শোও নিশা ৯–৩০ বজাত। তাই শুৱে ১০ টা ১০–৩০ বজাত। কালি শুইছিল ১০ বজাত।

—কলেজ গৈছিলে ?

—গৈছিল।

—কেতিয়া ওভতিছিল ?

—৪ টা মান বজাত। সদায় ৪ টাত আহে।

—আবেলি ফুৰবালৈ গৈছিল নেকি ?

—নাই যোৱা।

—কলেজত বা স্কুলত কোনো লৰা-বন্ধু আছে নেকি ?

—কব নোৱাৰো। ঘৰলৈ কোনো বৰ্ত্তমান অহা নাই। কলেজত থাকিব পাৰে। মই কব নোৱাৰো।

—শইকীয়া, আপোনাৰ ইয়াত বৰ্ত্তমান এইৰ কোনো বান্ধৱী আছে নেকি ?

শইকীয়াই ৰৈ থকা মানুহখিনিলৈ চালে। তাৰপাছত ছোৱালী এজনী দেখি মাতি আনিলে।

– এইজনী, ইন্সপেক্টৰ। আমাৰ ইয়াৰে। ভণ্টি বুলি মাতো।

দত্তই ভণ্টিলৈ চালে। তাৰ পাছত ভণ্টিক কলে-বাৰু ভণ্টি তোমাৰ এইৰ লগত কিমান দিনৰ চিনাকি ?

একেবাৰে সৰুৰেপৰা আমি একেলগেই........।

বাৰু, কলেজত এইৰ কোনোবা Boy Friend আছে নেকি ? এজন আছে ছাৰ। সি সদায় অনিতাৰ লগত ফুৰে। তাৰ লগত অনিতাৰ চিনাকী প্ৰথম কলেজত নাম লগোৱাৰ তিনিদিনৰ পিছত। অনিতাক মই তাৰ বিষয়ে সুধি-ছিলো। তেতিয়া তাই কলে সি মোক ভাল পায়, মযো। তেতিয়া মই কৈছিলো লৰাটো হলে মোৰ ভাল লগা নাই।

—তোমাৰ কিয় বেয়া লাগিল ভালহে লাগিব লাগিছিল।

ভণ্টি মুহুৰ্ত্ততে ৰঙা পৰি গ'ল। তাই কলে এজন সৎ মানুহক প্ৰথম দেখোতে যি তাৰ তেওঁৰ প্ৰতি মনত জাগে, তাক দেখোতে মোৰ মনটো কিবা বিজবিজাই উঠিছিল। সেইকাৰণে মই অনিতাক কৈছিলো যিহেতু অনিতা মোৰ বান্ধৱী।

—বাৰু লৰাটোৰ নাম কি জানা নেকি ?

—অমিয় চৌধুৰী।

—ক'ত থাকে ?

—ভুক্তৰি চাহ বাগিচাৰ ওচৰত থাকে ?

—বাৰু যোৱা । পিছত তোমাক আকৌ প্ৰয়োজন হব পাৰে দেই ।

ইমানপৰে শইকীয়া আৰু মানুহবোৰে যেন এটা গল্পহে শুনি আছিল । দত্তই সকলোৰৈ চাই ললে তাৰপাছত চিপাহী কেইটালৈ চাই শৱটো গাড়ীত তুলিবলৈ কলে । বাৰু শইকীয়া, ইয়াৰ সমাধান মই অতি সোনকালে উলিয়াম । দুদিনমান দেৰীও হব পাৰে যেন লাগিছে কাৰণ প্ৰেমিকে প্ৰেমিকাক এইদৰে হত্যা কৰি নাযায় । বাৰু দেখা যাওক কৰ পানী কলৈ যায় । এতিয়া মই যাওঁ । শৱটো প'ষ্টমৰ্টেম কৰিবলৈ পঠাম । তাৰপাছত আপোনাক দৰকাৰ হব পাৰে । দুখ কৰি নাথাকিব । এতিয়া আহোঁ । এই বুলি দত্ত তাৰপৰা ওলাই আহি গাড়ীত উঠি থানাৰ অভিমুখে গল । দত্ত যোৱাৰ পাছত সকলো মানুহ ঘৰাঘৰি গল । খালি থাকিল কেইজনীমান গাৱৰ মাইকী মানুহ আৰু কেইজনমান মতা মানুহ উভয়কে শুশ্ৰূষা কৰিবলৈ ।

দত্তই থানালৈ গৈ শ টো প ষ্টমৰ্টেন কৰাবলৈ পঠাই দিলে । পিছদিনা প'ষ্টমৰ্টেম ৰিজাল্ট আহিল । দত্তৰ মুখৰ কথাই ঠিক । অনিতাক ক্লৰ'ফৰ্ম দি বলাৎকাৰ কৰি ডিঙিত ৰছি লগাই হত্যা কৰিছে । দত্তই ভাবি পাৰ নাপালে হত্যাকৰী কোন হব পাৰে । খুব সম্ভৱ নতুন হত্যাকাৰী । কাৰণ প্ৰথমে ক্ল'ৰফৰ্ম দি নললেহেঁতেন । কলেজৰে লৰা হব পাৰে । প্ৰেমত পৰি চাগৈ ঢোকা খাই উপাই নাপায় হত্যাকে কৰিলে । কি যে পৃথিৱীৰ মানুহ ।

অনিতা শইকীয়াৰ হত্যাকাণ্ডৰ দুদিন পিছত অনিতা পঢ়া কলেজৰ হোষ্টেলৰ পাপৰি দাস নামৰ এজনী ছোৱালীৰ মৃতদেহ হোষ্টেলৰ ফুলনিৰ এজোপা জোপোহা গছৰ আঁৰত পোৱা গল । ৰাতিপুৱা মালিয়ে ফুলনিত পানী দিবলৈ আহি প্ৰথমে দেখে আৰু লগে লগে হোষ্টেল চুপাৰক খবৰ দিয়ে । ৰাতিপুৱাই সকলোৱে খবৰটো শুনি বাগিচাৰ ফালে দৌৰ দিলে । অনিতাক হত্যা কৰাৰ দৰে পাপৰিকো হত্যা কৰা হৈছে । হোষ্টেলৰ সকলোবোৰ ছোৱালী ভয়ত অস্থিৰ হৈ পৰিছে । কি কৰিব সিহঁতে ঘৰলৈ যাব নে কলেজত প্ৰতিবাদ কৰিব নে ইয়াৰ বিচাৰ লাগে বুলি কলেজ বন্ধ কৰিব । কিন্তু একোৱেই ভাবি পাব পোৱা নাই । খবৰটো লগে লগে পাপৰিৰ ঘৰলৈ পঠোৱা হ'ল । প্ৰিন্সিপাল আহিল আহি সকলো কথাৰ বুজ ললে । তাৰপাছত থানালৈ ফোন কৰি ইন্সপেক্টৰ দত্তক মতাই আনিলে । দত্তই দেখিয়েই বুজিলে যে একে নিয়ম, অনিতাক হত্যা কৰাৰ দৰে এইকো হত্যা কৰা হৈছে । দত্তই ইয়াৰ সমাধান অতি সোনকালে উলিয়াই দিম বুলি প্ৰতিশ্ৰুতি দি তাৰপৰা উভতিল ।

ইন্সিপেক্টৰ দত্ত অবাক । আগপিছাকৈ দুটাকৈ হত্যা কি কৰিব, কোন ফালৰপৰা আৰম্ভ কৰিব । এই সুত্ৰৰ আগ বিচাৰি । অমিয় চৌধুৰীকো হঠাৎ এৰেষ্ট কৰিব নোৱাৰি কাৰণ এজনী ছোৱালীয়ে বেয়া দেখে বাবে লৰাটো হত্যাকাৰী হব তাৰ কি মানে আছে । ইফালে গাঁৱৰ, টাউনৰ মানুহে পুলিচক তিৰস্কাৰ

কৰিছে। চৰকাৰৰৈলে এজন প্ৰাইভেট ডিটেক্‌টিভ লাগে বুলি অভিযোগ পত্ৰ পঠিওৱাতো এজনো নপঠিয়ালে। সকলো দত্তৰ গাত এৰি দিছে। দত্তই এবাৰ ভণ্টিক লগ ধৰাটো ঠিক কৰিলে।

আবেলি সময়ত দত্তই গাড়ীখন লৈ অকলে টিংখাঙলৈ গৈ শইকীয়াক লগ ধৰিলে। আহক ইন্সপেক্টৰ। ভিতৰলৈ আহক। হত্যাকাৰীৰ কিবা সূত্ৰ বিচাৰি পাইছে নেকি?

—নাই পোৱা শইকীয়া। —মই অলপ ভণ্টিক লগ পাব বিচাৰো। তাইক মাতি দিব নেকি?

—অ-হব। মই মাতি দিছো। শইকীয়া ওলাই যোৱাৰ পাছত শইকীয়ানী ৰুমলৈ সোমাই আহিল।

—অ আহক। বহক! আপোনাৰ গা ভাল পোৱা নাই নেকি? দত্তই শইকীয়ানীক সুধিলে।

—নাই পোৱা। কত পাম ইমান সোনকালে। কিবা হল নেকি?

—বৰ্ত্তমানলৈ আগবাঢ়িব পৰা নাই। এনেতে শইকীয়া আৰু ভণ্টি দুয়ো ৰুমলৈ সোমাই আহিল। শইকীয়া আৰু ভণ্টি অহা দেখি শইকীয়ানী ভিতৰলৈ গুচি গল।

—আহা ভণ্টি কি খবৰ ভাল নে? দত্তই সুধিলে। বহা। আপুনিও বহক শইকীয়া।

—ভালেই। অনিতা আৰু পাপৰিৰ হত্যাকাৰীক বিচাৰি পালে নেকি?

—নাই পোৱা ভণ্টি। তোমাৰ ওচৰলৈ আহিলো তুমি সহায় কৰা যদি নিশ্চয় তোমাৰ বান্ধবীৰ হত্যাকাৰীক বিচাৰি উলিয়াম।

—কেনেকুৱা সহায় কওকচোন।

—বাৰু ভণ্টি তুমি যে মৃত অনিতাৰ প্ৰেমিক অমিয় চৌধুৰীক কি ক্ষেত্ৰত বেয়া দেখিলা? তোমাৰ সেইদিনাৰ কথাখিনি আধৰুৱা যেন লাগিল। কোৱাচোন?

—শুনক ছেৰ্। অমিয় আৰু অনিতাৰ যিদিনা প্ৰথম চিনাকী হয় সেইদিনা মইও অনিতাৰ লগত আছিলো। আমি কলেজৰ ওচৰত ৰৈ আছিলো ঠিক সেই সময়ত লৰাৰ কলেজৰ পৰা এটা লৰাৰ জুম আহে। অনিতা আৰু মই অকলে। অলপ দূৰত কেইজনীমান ছোৱালী আছিল। সেই লৰাজুমৰ মাজত অমিয় চৌধুৰীও আছিল। মই চিনিও নাপাও দেখাও নাই। অনিতাৰ চকুৰ চিনাকী আছিল লৰাজুমটো দেখি অনিতাই সেইফালে মোক দেখুৱাই কলে চা ভণ্টি মোৰ সেই লৰাটো বৰ ভাল লাগে। মই তাক বহুতদিনৰ পৰা চাই আছো। মই কোনটো বুলি সোধাত, অনিতাই মোক অমিয় চৌধুৰীৰ কাপোৰৰ ওপৰত চিনাকী কৰি দিলে। সেই সময়ত অথাৎ আমি কথা পাতি থকা অৱস্থাতে আমি কবু নোৱাৰাকৈ অমিয় চৌধুৰী আৰু বেলেগ লৰা এটা (পিছত সেই লৰাটো নাম উলিয়ালো। নাম ভবানী ফুকন) আহি আমাৰ সন্মুখত ঠিয় দি অনিতাক সুধিলে Excuse me, আপোনাৰ নাম অনিতা শইকীয়া নহয় জানো? অনিতাই হয় বুলি কোৱাত অনিতা আৰু অমিয়ই বহুত কথা পাতিলে। সেই কথাবোৰ এতিয়া মনত নাই। তথাপি যিহৰ কাৰণে লৰাটোক মই বেয়া পালো সেইটো হ'ল সি প্ৰথম চিনাকীতেই অনিতাক "I Love You"

বুলি কৈছিল। তথাপি কেতিয়াবা অনিতাই অমিয়ৰ লগত কথা পাতোঁতে মইও ওচৰতে থাকো।

কিন্তু এদিনাখন ( বহুত দিনৰ পাছৰ ঘটনা ) অনিতাই মোক কলে যে অমিয়ক মোৰ ঘিন লাগে। কিহৰ কাৰণে ঘিন লাগে মই এই কথাটো সোধাত অনিতাই মোক একো নকলে। আৰু সেইটো আজিও মই জানিবলৈ নোৱাৰিলো। মইও লাগি থকা নাছিলো কথাটোৰ কাৰণে। ভণ্টি অলপ ৰল।

—তাৰপাছত ? দত্তই কথাখিনি বৰ আগ্ৰহেৰে শুনি আছিল।

—তাৰপাছত অনিতা আৰু অমিয়ৰ মাজত কোনো কথা বতৰা নাই। দেখা দেখিও নাই। তাৰ কেইদিনমানৰ পাছত অমিয়ক মই পাপৰিৰ লগত ফুৰা দেখিছিলো। মোৰ সেইকাৰণে অমিয়ৰ ওপৰতে সন্দেহ।

—কিয় ? দত্তই সুধিলে।

—কিয় মানে পাপৰিয়েও চাগৈ অমিয়ক এৰিলে।

—ঠিক কৈছা ভণ্টি আৰু অনিতাৰ মৃত্যুৰ দিনা পোৱা চিঠিখনৰ ইতিত "কুমাৰ" উল্লেখ আছে। মই জনামতে তাক ঘৰত কুমাৰ বুলি নামাতে সেইটো তাৰ ছদ্ম নাম, সি তাক লুকুৱাবৰ কাৰণে এই বুদ্ধি যেন লাগিছে। কি কয় শয়কীয়া।

শইকীয়া ইমানপৰে জীয়েকৰ ৰহস্য Love Story শুনি আছিল। দত্তৰ মাতত তেওঁ উপচ খাই উঠিল। শইকীয়াৰ হৃদয় সেমেকি গল। তাৰ প্ৰমাণত চকুৰেদি পানীৰ ধাৰা বৈ আহিল। তেওঁ কান্দি কান্দিয়েই দত্তৰ ফালে চাই কলে "দত্ত আপুনি অমিয় চৌধুৰীক ধৰক আৰু উপযুক্তকৈ বেছি শাস্তি বিহক।" এনেকুৱাতে ঘৈণিয়েকো ৰুমলৈ সোমাই আহিল, আহিয়েই গিৰিয়েকক কান্দি থকা দেখি তেওঁ শোকত অধীৰ হৈ কান্দিবলৈ ধৰিলে। ভণ্টিয়ে শইকীয়ানীক আকৌ ভিতৰলৈ উভতাই লৈ গল। অলপ পাছত ভণ্টি ৰুমলৈ সোমাই আহিল। দত্তই তাইক সুধিলে—

—ভণ্টি আৰু তো একো নাই ?

—নাই।

বাৰু মই এতিয়া যাওঁ শইকীয়া। এইবুলি চকিৰ পৰা উঠি যাবলৈ ওলাল। শইকীয়াও তেতিয়াও উচুপিয়ে আছে। শইকীয়াই মাত্ৰ মূৰটো লৰালে। মুখেৰে একো নকলে। দত্তই ভণ্টিলৈ চাই কলে ভণ্টি কিজানি তোমাৰ বান্ধৱীৰ হত্যাকাৰী অতি সোনকালে ধৰিব পাৰো! এইবুলি শইকীয়াৰ ঘৰৰ পৰা দত্ত গাড়ীলৈ থানালৈ গল। তেতিয়া সন্ধ্যা লাগিছে। দত্ত ততালিকে ঘৰলৈ গৈ পুলিচৰ ড্ৰেছ সলাই চাহ এটোপা খাই অন্য ড্ৰেছ পিন্ধিৰ থানালৈ আহিল। থানাত চাৰিজন চিপাহীৰ সৈতে দত্ত—অমিয় চৌধুৰীৰ ঘৰৰ অভিমুখে গল।

দত্তহতে অমিয় চৌধুৰীৰ ঘৰৰ আগত গাড়ীখন ৰখালে। দত্তই লক্ষ্য কৰিলে ঘৰৰ বাৰান্দাত কোনোবা এজন বহি আছে। আৰু ঘৰটো এটি নিস্তব্ধতাই বিৰাজ কৰিছে ঘৰটো পকী। দত্তই গেট খুলি ভিতৰলৈ সোমাই গল। দত্তই চালে সন্ধ্যাৰ ধুপ ধুনাৰ গোন্ধে গোটেই ঘৰটো আমোল মোলাই আছে। দত্ত ওচৰ চাপি দেখিলে যে মানুহজন এজন বয়সস্থ

মানুহ। খুব সম্ভব অমিয়ৰ দেউতাক, মানুহজনে দত্তক দেখি প্ৰথমে অলপ আচৰিত হ'ল। তেওঁ চকীৰ পৰা উঠি দত্তৰ ফালে চাই সুধিলে –
— আপোনাক চিনি পোৱা নাই।
মই ভকুৰাজানৰ ইন্সপেক্টৰ মই··· ···।

কিন্তু মোৰ ঘৰত কেনেকৈ ? আহকচোন আহক ভিতৰলৈ। এইবুলি দত্তক ভিতৰলৈ লৈ গল। ভিতৰৰ ড্ৰইং ৰুমত দত্তক এখন চকীত বহিবলৈ দিলে। দত্ত বহিল। মানুহজনো এখন চকীত বহি ললে।

—কওকচোন। মানুহজনে প্ৰশ্ন কৰিলে।
– আপুনি বাৰু অমিয়ৰ দেউতাক নেকি ?
—হয় পিছে।
—আপোনাৰ নামটো কালে ভাল পালোহেঁতেন!
– মোৰ নাম প্ৰশান্ত চৌধুৰী। চৌধুৰী অলপ আচৰিত হ'ল। তেওঁ সুধিলে ইন্সপেক্টৰ মই কিবা আইনৰ চকুত দোষ কৰিলো নেকি ?
—নাই কৰা চৌধুৰী। মই আপোনাক বিচাৰি অহা নাই। মই অমিয়কহে বিচাৰি আহিছো। সি ঘৰত আছেনে ?

আছে। ৰবদেই। মই তাক মাতি আনিছো। এইবুলি চৌধুৰী ভিতৰলৈ সোমাই গল পুতেকক মাতিবলৈ। দত্তই অলপ সময় ৰুমটোৰ সৌন্দৰ্য্যকে উপভোগ কৰিব ধৰিলে। ধুনীয়াকৈ সজাইছে ৰুমটো। ঘৰটো ৰুমটো দেখি চহকী যেনেই ভাব হয়। অলপ পাছতে চৌধুৰীৰ পিছে পিছে পুতেক অমিয় ড্ৰইং ৰুমলৈ সোমাই আহিল। সোমাইয়ে দত্তক দেখি অমিয় অলপ পিছ হুহকি যোৱাৰ দৰে হ'ল। মুখখন লগে লগে কলা পৰি গল। তথাপি নিজক সংযত কৰি দত্তৰ আগত থিয় হৈ সুধিলে—আপুনি মোক বিচাৰিছিল নেকি ?

অ, তোমাকেই বিচাৰিছো। এইবুলি দত্তই প্ৰশান্ত চৌধুৰীক অলপ ভিতৰলৈ যাবলৈ কলে। চৌধুৰীয়ে ভাবি নাপালে অমিয়ৰ লগত ইন্স-পেক্টৰৰ কি প্ৰাইভেট কথা থাকিব পাৰে নেই কিবা অঘটনেই ঘটালে। তথাপি মুখেৰে একো নকৈ ভিতৰলৈ গুচি গল। চৌধুৰী যোৱাৰ পাচত দত্তই অমিয়ক এখন চকীত বহিবলৈ কলে। অমিয় বহাৰ পাছত সুধিলে—
—বাৰু তোমাৰ নাম অমিয় চৌধুৰী নহয় জানো ?
—হয়।
– কোন কলেজত পঢ়া ?
– হিন্দুস্থান কলেজত পঢ়ো।
– তুমি অনিতা শইকীয়াক চিনিপোৱা নেকি ?

অনিতাৰ নাম শুনি অমিয়ই মনত ভীষণ ভয় খালে। তথাপি সি মুখ ফুটাই কলে নাপাওঁ।
— আচৰিত, তুমি ঘৰৰ পৰা নোলোৱা নেকি ?
– ৰব নোলাওঁ।
– অ সেই কাৰণে চিনি নোপোৱা। পাপৰি দাসক চিনি পোৱা নেকি ?

দেখিছো যদিও নাম নেজানো। কিন্তু এইবোৰ প্ৰশ্ন কেলেই ? অমিয়ই নিজক বহুত সংযত কৰি দত্তক ওভোটাই প্ৰশ্ন কৰিলে।

দত্তই আৰু একো নুসুধিলে। অমিয়লৈ চালে, মুখত তাৰ ভয়ৰ চিন সুস্পষ্ট। দত্তই পকেটৰ পৰা নোটবুক এখন আৰু কলমটো অমিয়লৈ আগবঢ়াই দিলে। অমিয়ই নোট বুকখন লৈ দত্তলৈ চালে। দত্তই কলে। তাত

তুমি তোমাৰ নামটো, কলেজৰ নামটো কোন বাৰ্ষিকত পঢ়া লিখা। অমিয়ই প্ৰথমে লিখিব খোজা নাছিল পিছত যেনিবা লিখিলে। দত্তই নোট বুকখন অমিয়ৰ পৰা লৈ পকেটত ভৰালে তাৰ পাছত কলে এতিয়া মই যাওঁ আকৌ লগ হব পাৰে।

ঠিক তেনেকুৱাতে প্ৰশান্ত চৌধুৰী ভিতৰলৈ সোমাই আহিল। অমিয়ই দেউতাকক দেখি ভিতৰলৈ সোমাই গল। চৌধুৰীয়ে পুতেক যোৱালৈ খন্তেক চাই তাৰ পাছত দত্তক সুধিলে।

—কি হল ইন্সপেক্টৰ। আপুনি মোৰ লৰাৰ লগত এনে কি গোপনীয় কথা পাতিলে যে মই সেই কথা শুনাৰ পৰা বঞ্চিত ?

—নাই একো হোৱা নাই। দত্তই কব খোজা নাই।

— নাই আপুনি কথা লুকুৱাইছে। কওক চৌধু-ৰীৰ শুনাৰ এটা বেলেগ আগ্ৰহ জন্মিল।

—চাওঁক চৌধুৰী। মই খোলাখোলীকৈ কৈ দিওঁ। এইবুলি দত্ত ৰৈ দিলে।

—কি হল কওক। ই কিবা কৰিলে নেকি ?

—হয়।

—কি ?

—হত্যা। দুজনী ছোৱালীক হত্যা কৰিলে।

—হত্যা ??? দুজনী ছোৱালী !! অমিয়ই হত্যা কৰিলে। ই হত্যাকাৰী হ'ল। এইবুলি চৌধুৰী হঠাৎ চকিতে মূৰ্চ্চা গল। দত্তই ঘটনা দেখি ভিতৰলৈ চাই অমিয়ক মাতিলে। বাহিৰত অন্য কাৰোবাৰ মাত শুনি পাকঘৰৰ পৰা কোন বুলি ড্ৰইং ৰুমলৈ মাক সোমাই আহিল। সোমা-ইয়ে দত্তক অচিনাকী দেখি ৰৈ গল। চৌধুৰীলৈ লক্ষ্য কৰাই নাছিল।

—আপুনি ···? চৌধুৰীনীয়ে সুধিলে।

—মই ডকুৱাজানৰ থানা ইন্সপেক্টৰ। এখেতক চাওক মূৰ্চ্চা গৈছে। অলপ পাছত ভাল পাব। মই এতিয়া যাওঁ। চৌধুৰনীয়ে চৌধুৰীক চোৱাই নাছিল। চৌধুৰীক দেখি চৌধুৰনীয়ে কি হল বুলি বুকু ভুকাই কান্দিউঠিল। দত্ত নৰল। দত্তই যাওঁ বুলিকৈ অলপ ৰল-তাৰ পাছত চৌধুৰনীক কলে চৌধুৰীক সুধি চাব, কিয় মূৰ্চ্চা গল। দত্ত ওলাই গল।

দত্তই গাড়ীত উঠি পোনেই থানালৈ গল। তেতিয়া নিশা ৮–৩০ বাজিছে। থানা পাইয়ে দত্তই পোনেই এটা ফাইল উলিয়াই শইকীয়াই দিয়া চিঠিখন উলিয়ালে আৰু নোটবুকত লিখি অনা অমিয়ৰ হাতৰ আখৰ মিলাই চালে-দত্তৰ দেখিলে যে আখৰ কেইটা হুবহু মিলি গৈছে। দত্তই ভাবিলে হত্যাটো ধুনীয়াকৈ কৰিলে যদি এই আখৰকেইটা বেলেগ লিখা হলে অলপ দিনলৈ বাচিলিহেঁতেন। কিন্তু এতিয়া কত বাচিবি অমিয়! অলপ ৰল দত্ত তাৰ পাছত চকীত বহি ভাবিলে। আজি ৰাতি অমিয় চাগৈ পলাব পাৰে নতুবা আজিও কাৰোবাক হত্যা কৰিব পাৰে। অৰ্থাৎ ভণ্টিকে কৰিলে কৰিব। সি যদি জানিছে তাৰ মোৰ ৰক্ষা নাই জেল-লৈতো যাবই লাগিব যোৱাৰ আগতে ভণ্টিকো বিদায় দিওঁ। কাৰণ অনিতাৰ লগত ভণ্টি প্ৰায়েই থাকে। আৰু ভণ্টিয়ে চাগৈ পুলিচক খবৰ দিছে। দত্তই কথাবোৰ ভাবি ভাবি চকিৰ পৰা উঠিল আৰু ফোনেৰে অ, চিৰ লগত আলোচনা কৰিলে বিষয়টোৰ ওপৰত খুলমূলকৈ

আৰু শেষত চৌধুৰী ঘৰ ঘেৰাও কৰিবলৈ পুলিচ বাহিনী এটা পঠাই দিবলৈ সিদ্ধান্ত কৰিলে। লগে লগে দত্তই ফোন থৈ চৌধুৰীৰ ঘৰলৈ পুচিল বাহিনী এটা পঠাই দিলে ঘৰ ঘেৰাও কৰিবলৈ। অপল পাছত দত্তও গাড়ীখন লৈ চৌধুৰীৰ ঘৰলৈ গ'ল। চৌধুৰীৰ ঘৰৰ চাৰিও-ফালে পুলিচে তৎক্ষণাত ঘেৰি ধৰিলে।

ইফালে চৌধুৰী সুস্থ হৈ উঠাত অমিয়ক বিচাৰি তাৰ কোঠা পালেগৈ। দুৱাৰত নক কৰাত অলপ পাছত দুৱাৰখন অমিয়ই খুলি দিলে। খুলিয়েই দেউতাকক এক আচৰিত মুৰ্ত্তিত দেখি বৰ ভয় খালে। কাৰণ দেউতাকৰ এনে মুৰ্ত্তি কেতিয়াও দেখা নাই। সি ভয়ত অলপ পিছ হুহকি গ'ল। তাক দেউতাকে একেথিৰে চাই আছিল। এনেতে মাকো কমলৈ আহিল। চৌধুৰনীয়ে একো গমেই পোৱা নাই। চৌধুৰীয়ে খঙেৰে অমিয়ক সুধিলে—

-- তই কাক হত্যা কৰিলি?

—মাকে হত্যা শব্দটো শুনি আচৰিত হৈ এবাৰ পুতেক এবাৰ গিৰীয়েকৰ ফালে চাবলৈ ধৰিলে। প্ৰশ্ন কৰিবলৈ ভয়ো পাইছে।

অমিয়ই ভাবিলে দেউতাক চাগৈ ইন্সপে-ক্টৰে কলে। এতিয়া আৰু কথা লুকুৱাই লাভ নাই। অমিয়ই মাকলৈ এবাৰ চালে। মাকে তাক এক আচৰিত দৃষ্টিৰে চাই আছে।

—নকৰ কেলেই গক? দেউতাকে খঙেৰে কলে।

—সি তলমূৰ কৰিলে তাৰ পাছত কলে ছুজনী কলেজৰ ছোৱালীক।

—কেলেই?

—মই সিহঁতক বেলেগে বেলেগে ভাল পাইছিলো। কিন্তু সিহঁতে মোৰ ভালপোৱাক গ্ৰহণ নক-ৰিলে। সেই কাৰণে মোৰ মনত ভীষণ আঘাত পালো আৰু ঠিৰেৰে থাকিব নোৱাৰি সিহঁ-তক হত্যা কৰি মোৰ মন পাতলালো।

দেউতাকে চৌধুৰনীলৈ চাই কলে—শুনিছা, সি প্ৰেমত বলিয়াহৈ দুজনীকৈ ছোৱালী মাৰি মোৰ, তোমাৰ মান-সন্মান মাটিত মিলালে। এতিয়া জেলৰ ভাত খাই ফাঁচি কাঠত ওলমিব। চৌধুৰীৰ কথা শুনি চৌধুৰনীয়ে কান্দি কান্দি কমৰ পৰা ওলাই গল। কি কৰিব! হৈ যোৱা ঘটনা হৈ গ'ল। এতিয়াতো তাক মাৰি বা গালি পাৰি কোনো লাভ নাই। চৌধুৰীও এটা সময়ত শোকত শোকাতুৰ হৈ তাৰ পৰা গুচি আহিল। আহিবৰ সময়ত খালি ঘৰৰ পৰা নোলাবলৈ কৈ গুচি গল। এটাই লৰা, মাক-বাপেকৰ কিমান মৰমৰ। সি যদি এনেকুৱা হয় তেন্তে মাক-বাপেকৰ কেনেকুৱা লাগিব পাৰে-পাঠক সকলে এবাৰ ভাবি চাব।

দেউতাক ওলাই যোৱাৰ পাছত অমিয়ই দুৱাৰ বন্ধ কৰি খন্তেক চিন্তা কৰি কাপোৰ পিন্ধি গুপ্ত স্থানৰ পৰা তাৰ নিজৰ এখন ডেগাৰ আৰু অলপ ক্লৰফৰ্ম লৈ ভটিক হত্যা কৰাত উদ্দেশ্যে সাজু হ'ল তাক চিনকী কৰি দিয়াৰ কাৰণে। অমিয় বেডি হোৱাৰ পাছত পিছফালৰ খিৰিকি-খন খুলি দিলে লগে লগে এজাক ঠাণ্ডা বতাহ কমটোলৈ সোমাই আহিল। বাহিৰত ঘোপমৰা অন্ধকাৰ। কৃষ্ণপক্ষৰ ৰাতি। কতো একো

দেখা পোৱা নাযায়। পিছফালৰ কলগছ, আম, কঠাল গছবোৰেই একমাত্ৰ নীৰৱে থিয় হৈ আছে। ইফালে দত্ত আৰু লগৰ চিপাহীবোৰে অমিয়ক ভাল দৰে দেখিছে কাৰণ অমিয়ৰ কমৰ লাইটটো তেতিয়াও জ্বলি আছে। দত্তই সকলোকে মনে মনে থাকিবলৈ কৈ তাক নজৰত ৰাখিবলৈ কলে। এইফালে অমিয়ই খিৰিকিৰ পৰা জাপ মাৰি খিৰিকিখন বন্ধ কৰি তাৰ গন্তব্য স্থানলৈ বুলি খোজ ললে। কিন্তু কি দুৰ্ভাগ্য অমিয়ৰ! নিয়তিৰ যে কি অভিশাপ! অমিয়ই বেচি দূৰ যাবই নোৱাৰিলে। আগবাটতে তাক দত্তই চিপাহী কেইজন-মানৰ সৈতে লগলাগি গ্ৰেপ্তাৰ কৰিলে। আৰু কোনো কথা নকৈ পোনেই ঘৰলৈ আনিলে। ঘৰত তেতিয়া ঘোপমৰা অন্ধকাৰ। খুব অসুৰ মাক-দেউতাক শোকত ম্ৰিয়মান হৈ শুইছে। দত্তই চিপাহী এটাক দুৱাৰত নক কৰিবলৈ কলে। সি নক কৰাত চৌধুৰী টোপনিৰ পৰা খকমককৈ সাৰ পালে। তেওঁ ভাবিলে এই ৰাতি কোন আহিব পাৰে। এইবুলি তেওঁ দুৱাৰ-খন খুলিবলৈ ওলাই আহিল। প্ৰইংৰুমত লাইটটো জলাই বাৰান্দাৰ লাইটটো জ্বলাই দিলে। আৰু দুৱাৰখন খুলি বাহিৰলৈ ওলাই আহিয়েই পুলিচৰ লগত অমিয়ক সেইটো অৱস্থাত দেখি আচৰিত হ'ল। চৌধুৰীয়ে কিবা কোৱাৰ আগতে দত্তই কলে—

ক্ষমা কৰিব চৌধুৰী। আপোনাৰ লৰাক এৰেষ্ট কৰিলো। দুজনীকৈ ছোৱালীক হত্যা কৰাৰ অপৰাধত। বৰ্ত্তমানো সি ওলাইছিল আৰু এজনীক হত্যা কৰিবলৈ কিন্তু মোৰ মানুহৰ হাতত সি ধৰা পৰে। অৱশ্যে যাব নোৱাৰিলে তাক আপোনাৰ ঘৰতে ধৰা হল। আজি মোৰ সন্দেহ হৈছিল—আজিও সি কাৰোবাক হত্যা কৰিবলৈ ওলাব অৰ্থাৎ যিজনী ছোৱালীয়ে মোক সকলো কলে এইক। সেই উদ্দেশ্যে মই ইয়াৰ পৰা গৈয়ে ইয়ালৈ আপোনাৰ ঘৰ সেৰাও কৰাত বন্দবস্ত কৰোৱাও। মোৰ সন্দেহবো ফল লগে লগে পালো। কওই কৈ চৌধুৰীলৈ চাই কলে—চৌধুৰনীক অলপ মাতি দিয়ক ইয়াক লৈ যোৱাৰ আগতে হত্যাকাৰী পুতেকক চাই যাওকহি। কিন্তু চৌধুৰনীক মাতিবলৈ যাবলৈ নাপালে বাহিৰত মানুহৰ কথা শুনি চৌধুৰনীও ওলাই আহিলে। চৌধুৰীয়ে ইমান পৰে অমি-য়কে চাই আছিল। চৌধুৰনীক ওচৰত দেখি চৌধুৰীয়ে কলে—সি মোৰ সন্মান মাটিত মিলালে। আজি ইয়াৰ কাৰণে পুলিচ মোৰ ঘৰত উপস্থিত হৈছে। ইয়াতকৈ কি ভাগ্যৰ কথা হব পাৰে। ইয়াক সেই কাৰণেই সৰুৰ পৰা তুলি-তালি ডাঙৰ-দীঘল কৰিছিলো। নহয়-নে অমিয়? পিতৃ-মাতৃক ডাঙৰ হোৱাৰ পাছত বৰ ধুনীয়া, বৰ ডাঙৰ সেৱা আগবঢ়ালি! এইবুলি দুয়োয়ে ভুক-ভুকাই কান্দি উঠিল। বৰ শোকলগা অৱস্থা। দত্তই পলম নকৰি অমিয়ক টানি আনি গাড়ীত তুলি শইকীয়াৰ ঘৰৰ ফালে গল। তেতিয়া নিশা ১২ বাজি গৈছে। শই-কীয়াৰ ঘৰত শইকীয়াক মাতি সকলো কথা কলে আৰু ভটিক মতাই আচামীক দেখুৱালে। শইকীয়াই ভালদৰে চাই ললে। শইকীয়ানীও আহি অমিয়ক চাই ললে। তাত দত্তই বেচি দেৰি নকৰি থানালৈ আহি অমিয়ক লক আপত

ভৰাই থলে।

পিছদিনা মানুহৰ লানি-নিছিগা সোঁত বলে থানালৈ। ঘটনাটো বাতৰি কাকতকতো প্ৰকাশ কৰিলে। পিছত অমিয়ক আদালতত হাজিৰ কৰোৱাই আদালত অমিয়ৰ সাপেক্ষে সকলো প্ৰমাণ দাখিল কৰিলে। আদালতে সকলো গমি পিটি অৱশেষত অমিয় আজীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিলে। আদালতত পাপৰিদাসৰ মাক-দেউতাক অনিতাৰ মাক-দেউতাকো আহিছিল।

সকলোৰে পিছত ইন্সপেক্টৰ প্ৰফুল্ল দত্তক ধন্যবাদ জনালে। ভন্টি, অনিতা আৰু পাপৰিৰ লগৰ ছোৱালীবোৰৰে ধন্যবাদ দিয়ালে। আদালত ভঙাত সকলো দিহাদিহি গল। তেতিয়া সন্ধ্যা নামি আহিছিল। আজি সন্ধ্যাটো যেন অলপ বেলেগ অলপ আনন্দৰ যেন। দত্তইও ক্লান্ত শৰীৰটো লৈ ঘৰমুখে ৰাওনা হল। আজি পৃথিৱীখনেই যেন বেলেগ এটা ৰূপ লৈছে।

[ গল্পটো লেখকৰ সম্পূৰ্ণ কাল্পনিক ]

— ● —



# পূৰতি নিশাৰ এজাক কল্পনা

শ্ৰীৰণজিৎ বৰুৱা
২য় বাৰ্ষিক স্নাতক

শেহৰাত্ৰি কোনে তাত নুপূৰ বজায়,
শুনিলেই মনমোৰ ডে-পুৰি যায় ;
কবলৈ মন যায় গগন কঁপাই ॥
অনিলহঁতে বোলে তাত পাতিছে মেলা
প্ৰকৃত ভাবীক যি তাত তাবহে খেলা,
ভাগে ভাগে খেলা তাত পুৰস্কাৰ পোৱা
ধনী দুখী নাই চিন ময়দানত চোৱা ॥

মাজে মাজে নিৰ্বাচন আৰু কত কি
খৰগেশ্বৰহঁতে কলে তাত আমি যুঁঠিম নেকি ?
জয়ী হ'ল খৰ্গেশ্বৰ, অনুমতি পায়
দিলীপহঁতে 'বোলে" তাত আৰু নাই নেকি ঠাই ?
দুৰ্জ্জয় প্ৰাচীৰ তাত
ক্ৰবই কলে,
তেজৰ মূল্য কিমান তাত ?
লোকনাথে কলে,
আৰু এটা খবৰ—
শুনি ভাল পাব
আৰু এটা কবিতা—
পঢ়ি ভাল পাব ॥
গঢ়িছো সোণৰ গজালি, মনে প্ৰাণে ভৰি,
নাম দিছো "শ্বহীদ বেদী" বহু কষ্ট কৰি,
চিঞৰো নিতৌ সন্ধিয়া
আৰু আহাঁ, আৰু আহাঁ বুলি ;
তাকৰিয়া আমি ইয়াত
সকলোৰে মাৰে ধৰি ।
"জয় আই অসম" বুলি কলে তাত
সিহঁতৰ উঠেযে খং,
তেতিয়াই আমি তাত নুপূৰ বজায়
কতবে কৰো ৰং ॥
আপাতত ::
পূৰতি নিশাৰ এইয়াযে এজাক কল্পনা,
শেহৰাত্ৰি বজোৱাৰ ই অহীৰ কামনা ॥

## ।। শব্দ বোৰেও কথা কয় ।।

শ্ৰীপ্ৰদীপ গগৈ
স্নাতক মহলা ১ম বাৰ্ষিক

মন পথাৰত এতিয়া
অশ্বাৰোহী যৌৱনৰ
অবিৰত শব্দ
শব্দবোৰ বৰ কঠিন
শব্দবোৰেও কথা কয়।
সপোন ৰচি ভাগৰি পৰা
মোৰ হৃদয়ৰ মানুহবোৰ
তহঁতৰ বুকুৰ আৰ্তনাদত
শুনাই অহা মই এক মুক্তি যোদ্ধা,
শীতাৰ্ত নিশাত মই শুনিছো
জীৰ্ণ বস্ত্ৰৰ তলত তহঁতৰ
ভয়লগা কেঁকনি
প্ৰকৃতিৰ কাষত নবজাতকৰ
উলং দেহত শীতৰ অত্যাচাৰ
বীভৎস !
আৰু কিমান দিন
নিজক ফাঁকি দি জীয়াই থাকিবি
একেলগ হোৱাৰ সময় এতিয়া।
বিদ্বেষ পৰিহাৰ কৰ
আৰু তহঁত ওলাই আহ
সোণতলি গাঁৱৰ প্ৰেমেৰে লুতুৰি পুতুৰি
বহল মুকলি পথাৰ খনলৈ
মানৱতাৰ সঠিক সিদ্ধান্তত আমি মিলিত হওঁ।

— □ —

## ।। বিহুবান ।।

শ্ৰীপ্ৰবীণ বৰুৱা
প্ৰাক্-স্নাতক মহলা

ওচৰ চাপিল চ'তৰ বিহু
বাৰীত নহল সৰিয়হ খেতি
বিলাহীবোৰ ৰ'দত মৰি গ'ল।
"এৰিয়া"ৰ ধনত টেকীয়া লাগিল
বৰ ঘৰটোও তেনেই ভাগিল
কাবুলীৰ ধাৰ আৰু বাকী ৰ'ল।
স্বাধীন দেশৰ স্বাধীন প্ৰজা
প্ৰজাই পাইছে বাৰুকৈ মজা,
বস্তুৰ মূল্য মহতকৈ শিং চৰা।
মাহেকৰ মূৰত ত্ৰিশ টকা
কাৰ ওচৰত কৰিম ভিক্ষা !
ইফালে বিহু কথাটো মন কৰা ॥
কাপোৰ, সূতাৰ বাঢ়িল দাম
গাখীৰ, গুড়ৰ নলবা নাম
আটা মুঠিদো ডেৰ টকা কিলো
গাঁঠিৰ ধন পৰদেশীক দিলো।
এয়ে আমাৰ জাতীয় উৎসৱ বিহু,
মাহৰ কেতেকী কপৌ ফুলি
শুকাল ডালে মেলিলে কুঁহি
কুউ কুউ কুউ মাতে কুলি
আগৰদৰেই এজোৰ তামোল পাণ
মানীজনক জনাম সন্মান,
এয়ে আমাৰ প্ৰকৃত বিহুৱান।
লোৱা, বিহুৱান বিহুৱান ॥

— □ —

## 'ভেজাল দেশ ক'ত ?'

শ্ৰীভুবন গগৈ
বি, কম প্ৰথম বৰ্ষিক

ভেজাল দেশৰ　　ভেজাল কাৰবাৰ
তেজাল তাত কথা,
স্বাৰ্থপৰ জন　　আছে অগণন
লগাই মহা লেঠা।

শিলগুটি হেনো　　উত্তম আহাৰ
চাউল-দাইলত পায়,
হালধী বুলি　　ইটাগুৰি খায়
মহাজনে লাভ পায়।

বেমাৰ আজাৰ　　বেছি হয় তাত
ডাক্তৰে পইচা পায়,
হেজাৰ বিজাৰ　　কলেৰাত যায়
তথাপি ক্ষয় নাই।

টকা নাই যাৰ　　চাকৰি নাই তাৰ
আছে আপোন পৰ,
ভেঁটি খাই খাই　　বৰমুৰিয়াইত
পেটুৰা হৈছে বৰ।

ধনীয়ে দুখীয়াৰ　　তেজ টুপি খায়
ক'ত যে চলনা কৰি,
মিছা হয় সঁচা　　সঁচা হয় মিছা
যদি যায় জেপ ভৰি।

দেখা নাই ক'তো　　শুনা নাই প্ৰভু
ভেজাল দেশৰ সাধু,
নিৰীহ প্ৰাণীক　　অঙ্গ-পঙ্গু কৰে
ভেজাল ভাৰত যাদু।

—: সমাপ্ত :—

## — প্ৰতিধ্বনী —

শ্ৰীনৰেন ভুঞা
প্ৰাক্-স্নাতক ২য় বাৰ্ষিক

প্ৰতিধ্বনী সেই কোলাহলৰ,
আবৰ্জনাময় নগৰৰ,
পুনৰ মিলি যায়--
সুনীল আকাশত—
যুগ যুগান্তৰ--
প্ৰতিধ্বনী সৌ ভীক্ষাৰি দলৰ,
হুমুনিয়াহ হায় হতাশৰ,
পেটত খামুছি ধৰে--
নোপোৱাৰ বেদনাৰ—
তীব্ৰ দংশনৰ।

প্ৰতিধ্বনী সেয়া সোনালী গাঁৱৰ,
চিকি মিকি সন্ধ্যাৰ চাকিৰ আবৰ,
নিমিষতে শেষ হই যায়—
লৰাটিয়ে খাবলৈ নেপায়
স্থিৰ দৃষ্টি তাৰ "জঠৰ"।

আৰু এক প্ৰতিধ্বনী শুনিবলৈ পাওঁ;
হাঁহিৰ শব্দ উফৰে যেনিয়ে চাওঁ;
কি যে আনন্দ মাতাল হৈৰ—
'Beer,,ৰ "Openeı" শব্দ—
'Cheers' কাঢ়িছে আৱাজ।

অন্য এক প্ৰতিধ্বনী কেবাৰে ডেকৰ;
অভিয়েঞ্চৰ পৰা আহিছে এঙ্কৰ;
জঘন্য বীভৎস ৰসিকতা—
আদি মানৱৰ পুনৰাভিনয় -
বাস্ত নগৰৰ চিকুণ হোটেল।

প্ৰতিধ্বনী সমূহ মাথো মায়াময়;
মিহলি হই হয় সুৰ সমন্বন;
দোষ গুণ ভাল বেয়া—
আধুনিক ? মানৱ সমাজত—
বিচাৰিবৰ কাৰো নাই সময়।

## মাজ নিশাৰ কান্দোন

• ● •

শ্ৰীপ্ৰবোধ চন্দ্ৰ বুঢ়াগোঁহাই
প্ৰাক্‌স্নাতক মহলা ১ম বাৰ্ষিক

মাজ নিশা নিৰ্জ্জন ক্ষণত,
কোনে উচুপিছে বাৰু ?
কোনে তুলিছে,
সেই কান্দোনৰ ৰোল ?
অ' বুজিছো, সেইয়া
সেইয়া যে মোৰ আইৰ
হিয়াভগা কৰুণ কান্দোন
বৰ্বৰ পিশাচৰ দলে,
আইৰ চকুৰ আগত
অত্যাচাৰ কৰিছে
হাজাৰ তৰুণীক ।
( সেয়ে ) পিশাচৰ অত্যাচাৰত
নিপীড়িতা আয়ে
ব্যঙ্গ কৰিছে পুত্ৰক ।
তইঁত ভীৰু তইঁত কাপুৰুষ ।
শুনা, শুনা পিশাচৰ দল
তোমালোক সাৱধান হোৱা ।

কিমান দিন চলাবা,
এই পশুত্ব অত্যাচাৰ ?
কিমানদিন হাঁহিবা তোমালোকে ?
সূৰ্য্যৰ মুখত ক'লা ডাৱৰ হৈ
কিমান গুজৰিবা ?
মৃত্যুৰ প্ৰহেলিকাই —
তইঁতৰ কাষ চাপিছে ।
আই অসমীৰ জীয়া সন্তানে,
নসহে আৰু
মাতৃৰ শোক ।
নসহে আৰু ( পতিতা ) ভগ্নীৰ শোক ।
প্ৰতিজ্ঞা কৰিলোঁ।—
তইঁতৰ ৰক্ত আনি
ধোৱাম অসমী আইৰ
শেতা পৰা, দুগালি ভৰি
এন্ধাৰৰ মাজতো,
জিলিকি উঠাকৈ ।

( ২ )

## পোৱা আৰু নোপোৱাৰ জীৱন

জীৱনৰ প্ৰথম পুৱাতে
    এবুকু হিয়াৰ কেঁচা মৰমেৰে
আকোঁৱালি লৈছিলো তোমাক বহু আশাৰে
    পোৱা আৰু নোপোৱাৰ মাজেৰে ।
দুটি হিয়াৰ আকুল প্ৰাণত
    যেন, নামি আহিছিল
হাজাৰ আশাৰ মৌন কল্পনাৰে
    অদূৰ ভৱিষ্যতৰ অলেখ সপোন ।

ঝিম্, ঝিম্ ঝিম্ বৰষা ৰাতিত
    দুটি হিয়াৰ, প্ৰাণ মন্দিৰত
ভৰাই তুলিছি অলেখ আশাৰ
    আজীৱন যেন একেলগ হোৱাৰ ।
পোৱা আৰু নোপোৱাৰ মাজে,
    কণমান হিয়াত সন্দেহৰে
( মোৰ ) প্ৰান মন্দিৰত, নতশিৰে
যেন, জ্বলালো এগছ বন্তি "স্মৃতিৰে" ।

# "ডিব্ৰুগড় ডিব্ৰুগড়"

( ব্যঙ্গ কবিতা )

শ্ৰীপূৰ্ণানন্দ চুতীয়া
স্নাতক মহলা চূড়ান্ত বাৰ্ষিক

ডিব্ৰুগড়ত ডিবৰুৰ গড়
যদি বিচৰা হয়।
বিহাৰী বিক্সাই চালাম দিব
কিধৰ জানা হেই॥
খলিহা মাৰিত খলিহা নাই
ৰ'য় চিটি বাছ।
টাউন বজাৰলৈ সোমাই গলে
গোন্ধায় গেলা মাছ॥
চৌকিডিঙি বাছ ষ্টেচনত
কঠিয়া তলিব বোকা।
দেইলি বজাৰৰ কাপোৰ বেপাৰীৰ
মুখবোৰ বৰ চোকা॥
পল্টন বজাৰত পল্টন নাই—
বিহাৰীৰ হোটেল আছে।
মাৰোৱৰী পট্টিৰ 'হাওৱা ক্লাৱত'
বোম্বেৰ হেলেনো নাচে॥
নালিয়াপুলৰ নালিয়াৰ আনন্দ
সাজিছে চিনেমা হ'ল।
ব্ৰহ্মপুত্ৰ পাৰটো ময়লা গোন্ধত
তেনেই জহন্নামে গ'ল॥
বিষ্ণু নগৰত বাৰিষা দিনত
বৰষুণতে উঠে বান।
সেই নগৰতে ঘৰৰ ভিতৰত
মাছেও দিয়ে উজান॥
কানৈ কলেজ ১ম খনক
আমি বৃন্দাবন কওঁ।
মনোহাৰী কলেজৰ ছোৱালী দেখি
নাৰ্ভাছ হওঁ হওঁ॥
সমগ্ৰ টাউনে কৰ্মাচক হাহেঁ
বৰলা কলেজ বুলি।
খণ্ডত তেতিয়া মনোহাৰী কলেজত
চকুৰে মাৰি দিওঁ গুলি॥
সেউজ পুৰত সোমালে মাথো
পাবা কেঁচাপাতৰ গোন্ধ।
টাউনত চাবা গাভৰুহঁতৰ
কাপোৰ পিন্ধাৰ ধুন॥
মিলন নগৰত মিলন হৈছে
মানুহৰ ঘন ঘন ঘৰ।
চিবিং চাপৰিৰ ছোৱালী জোকালে
গালত পৰিব চৰ॥
কৰ্টত গলে উকীল হঁতৰ
দেখিবা চিকাৰী চকু।
মক্কেল বুলি তোমাক চাব
তোমাৰ কঁপি যাব বুকু॥
আমোলা পট্টিৰ সুন্দৰ মছজিদ
বাটকুৱাৰ পৰে চকু।
পাঁচ আলিৰ নাম শুনিলেই
ডিব্ৰুগনীয়াৰ কঁপে বুকু॥
মলথু বচাত ৰেডিঅ' ষ্টেচন
বৰ মিছা কথা কয়।
কবিতা (?) লিখোঁতে খেমিব পূৰ্ণানন্দক
যদি দায় দোষ হয়॥

— □ —

# খন্তেকীয়া মানৱ জীৱন

মঃ ইনামুল হুছেইন
স্নাতক মহলা ( ১ম বাৰ্ষিক )

মোৰ দুখৰ জীৱন
কেতিয়া শেষ হব
কেতিয়া পাম-গই শান্তি ?
হয়তো কোনোবা জন্মত
পাপ কৰিছিলো
সেয়ে আজি ভুগিছো শাস্তি।

মোৰে দুখৰ কথা
কলেও নহয় শেষ
কোনে পাতি শুনিব কাণ
মুখেৰে হাঁহিছো
অন্তৰেৰে কান্দিছো
হৃদয়ত বিষাদৰ বাণ।

কান্দিছে মেঘালী
হাহিছে বিজুলী
বজ্ৰ মাৰিছে গছত,
ভাবৰ ঢৌত পৰি
শান্তিক বিচাৰোতে
প্ৰাণ যাব লুইতৰে সোঁতত।
জীৱন বিষাদৰ গান
কোনে দিব কণ্ঠদান
অমিয়া বৰষি যায়,
আকুল মন মোৰ
কিয় বিয়াকুল
কান্দোনৰ পাবাপাৰ নাই।

ভগা বীণ বাজিছে
অন্তৰে কান্দিছে
ভাৱনাৰ চকৰিত পৰি,
দৈনন্দিন জীৱনৰ
ঘটনাৱলী ৰাখিছো
নমৰা সময়ৰ বাবে
হিয়াত মাজত আৱদ্ধ কৰি।

দুখীয়া নিছলা বুলি
ভৱিষ্যত নেপাহৰিবা
নকৰিবা তুমি মোক ঘিণ
খন্তেকীয়া জীৱন এই
নেথাকে চিৰ দিন
মাটিতেই হই যাম লীন।

# নৱ পৰিবৰ্ত্তন

শ্ৰীৰূপকান্ত শড়া
স্নাতক মহলা ২য় বাৰ্ষিক

মুমুৰ্ষু জনতাৰ দল
চিঞৰি কৰে কোলাহল,
ৰাজ পথৰ অলিয়ে গলিয়ে
সিহঁতে চিঞৰিছে বজ্ৰকণ্ঠে।
চিঞৰতেই জনম, চিঞৰতেই মৃত্যু
চিঞৰতেই নিঃশেষ সিহঁতৰ জীৱন
ধুমুহাত গৃহহাৰা, প্ৰলয়ত অন্নহাৰা
জেঠৰ প্ৰখৰ ৰদত সৰে কপালৰ ঘাম
শীতৰ থেটুৰৈত সিহঁতৰ কঁপে প্ৰাণ।
ভণ্ডক দেৱতাগণৰ চাবৰ আহৰি নাই
বিদেশতেই বহুতো 'প্ৰ'গ্ৰাম'।
বজ্ৰভেদকৰি ওলাই আহিছে
সিহঁতৰ বুকুৰ কামিহাড় দালি।
পেটৰ ক্ষুধা জ্বালা যন্ত্ৰনা
চিঞৰি চিঞৰিয়েই সিহঁতে
লভিছে সান্ত্বনা।

চিঞৰিছে সিহঁতে—
আগবাঢ়ি গৈ আছে চিঞৰি চিঞৰি
দেৱতাৰ ভক্তগণে সৌকাৰ প্ৰহাৰ কৰে
গধূৰ জোতাৰখোজে বুকুত গছকি ধৰে
নিঠুৰ নিৰ্ম্মম ভাৱে ( লৌহ ) বন্ধুকেৰে
কলা কলা কলিজাত ৰঙা ৰহণ সানে।
শত সহস্ৰজনৰ বুকুৰ তেজেৰে—
দেৱীৰ চৰণসেৱী
অন্যায়ৰ হাজাৰ প্ৰতিবাদে
সিহঁতে চিঞৰি চিঞৰি গৈয়েই আছে।
দুৰন্ত পথৰ অক্লান্ত পথিক
জীৱনপণ কৰিছে মৃত্যুক তুচ্ছি
কলঙ্কৰ গ্লানিনাসি—
বৃহত জাতীয় অস্তিত্বৰ বাবে
সিহঁতে বিছাৰিছে এক নৱ পৰিবৰ্ত্তন।

# ঃঃঃ মুক্তি ঃঃঃ

— ★★★ —

শ্ৰীৰনজিৎ গগৈ
স্নাতক মহলা প্ৰথম বাৰ্ষিক

ক্ষমতাৰ লালসাৰে লালায়িত চৰম
প্ৰৱঞ্চনা ঠগৰে মোহান্ধ সিহঁত,
জনতাৰ বিন্দু বিন্দু ৰক্তৰ সমষ্টিৰে
সজ্জিত গগনচুম্বী আকাশলঙ্ঘী,
সিহঁতৰ ৰাজ অট্টালিকা
সিহঁতে নাজানে মানৱতা,
জানে মাথো দাসত্বৰ শিকলীৰ
মায়াজালে মানৱতাক ধ্বংস কৰা

মানৱতাৰ মুখাৰ দানৱৰ চুইজ
আছে সিহঁতৰ হাততেই,
আমি মাথো সিহঁতৰ চুইজত সংলগ্ন
শোষণ বিদ্যুৎ প্ৰৱাহী তাঁৰৰ
নিত্যাভিনয়ী নৃত্যৰ পুতলা
চুইজত সিহঁতৰ স্পৰ্শৰতাৰে
নাচোনৰ ভঙ্গী ধৰো
আমাৰ নৃত্যৰ অৰ্থৰে সজ্জিত
সিহঁতৰ ৰাজ অট্টালিকা
নহলেযে আমি মাত্ৰ নৃত্যৰ
নিৰ্জীৱ পুতলাহে মাথো ? ? ?

কিন্তু যেতিয়া············
আমাৰ নাচোনৰ ভঙ্গীমাই
জীৱন্ত ৰূপ লব।
তেতিয়া হয়তু সিহঁতৰ
শোষণ বিদ্যুৎ প্ৰৱহী তাঁৰত
প্ৰতিবাদ প্ৰৱাহিত হব
সিহঁতৰ চুইজ নিষ্কমা হৈ যাব

আৰু তেতিয়া··· ··· ·····
আমাৰ নাচোন হব তীব্ৰ
তীব্ৰৰ পৰা তীব্ৰতৰ,
নিৰ্জীৱৰ জীৱন্ত নাচোন,
ৰাজঅট্টালিকাৰ ধ্বংসস্তুপত,
দানৱৰ ধ্বংসেৰে হব
মানৱতাৰ সাৰ্থক প্ৰতিষ্ঠা।
তেতিয়াই,
মুক্তি মুক্তি মুক্তি
মানৱৰেই চৰম মুক্তি।

কবিতা

শ্ৰীনৰেন শুক্লা
প্ৰাক স্নাতক ২য় বাৰ্ষিক

# মৃত্যুপণ

কলৰৱ গুঞ্জনেৰে          বৈছে লুইতৰ জল
পখালি চৰণ তোৰ আই অসমী,
'জয় আই অসম' বাণী          মূল মন্ত্ৰেৰে দীক্ষিত
ৰত্ন প্ৰসবিনীৰ পুত্ৰ আজি আলোক সন্ধানী।
দূৰত দেখিছো সৌ          অমানিশা ৰাতি
প্ৰলয়ৰ আনিছে সংবাদ,
সাজু হ সাজু হ          হাতত হেংদাং ল
জীৱনৰ সংজ্ঞা হ'ল ঘাটি প্ৰতিঘাটি।
যিয়েই নহৱ কিয়          অসম সন্তান তই
হিন্দুৱেই হৱ বা মুছলমান,
কেতিয়াও কাপুৰুষ তই          নহয় জানিবি
লাচিতৰ দৰে আমি হম আগুৱান।
আমাৰ দৃষ্টিত বৰ্ণ বৈষম্য          জাতিভেদ ধৰ্ম্মৰ
নেথাকিব উচ্চ প্ৰাচীৰ
আমাৰ সৃষ্টিত নতুন পুৰুষ          নতুন দিগন্ত
অস্তিত্ব ৰক্ষা লক্ষ্য আমাৰ অতি গভীৰ।
হে অসম বাসীৰ জাগ্ৰত প্ৰহৰী          দেখিছানে সেয়া কালৰাক্ষসী
মৃত্যুপণ কৰি উদ্ধাৰা জননীক,
আহ্বানিছো আঁহা আগবাঢ়ো আমি          বাজক আজি জয়ৰ ধ্বনী
নাই ত্ৰাস সত্য পথত, আনন্দৰ নিজৰা অধিক॥

—:: ● ::—

এই সংগ্ৰাম শেষ সংগ্ৰাম

# ক বি তা

( সহায় লৈ )

শ্ৰীপ্ৰবোধ বুঢ়াগোহাঁই
প্ৰাক্ স্নাতক ১ম বাৰ্ষিক

অসমীয়া জাতিয়ে কাকনো কৰিছে কলংকাৰ ?
অসমীয়া জাতিৰ অসমতে নাই জানা যোগ্যতা পোৱাৰ অধিকাৰ।
সমগ্ৰ ভাৰতৰ দুৰ্নীতিবান কু-চক্ৰী যত কুলাংগাৰ।
অসম জানো তহঁতৰ পৈত্ৰিক পৰীক্ষাগাৰ ?
এইয়ে অসম সন্তানৰ কথা।
এই কথা নুবুজিলে, এই ভাষা নুবুজিলে
শত্ৰুবাৰ কৈ যাম মই—
জগাই লুইতৰে পাৰ।
অতীজৰে পৰা সংগ্ৰাম কৰিও
চিন নাই ভাগৰি পৰাৰ
আজিৰ অসমীয়াৰ অগনি চৰিচে গাত দীক্ষাৰ নৱবাৰতাৰ॥
আজিৰ অসমীয়াই নৱৰূপ ধৰি ললে আগ্নেয় মহাজনতাৰ –
দুৰ্জয় নৱ চেতনাৰ।
আগ্নেয় মহাজনতাৰ॥
ঊনাশী আশীত লাচিতৰ দলে সহস্ৰ কণ্ঠেৰে কলে.
অহিংসা আমাৰ পথ অহিংসা নীতিৰেই কৰিম সংগ্ৰাম।
খৰ্গেশ্বৰৰ মৃত্যু হ'ল শোষকৰ শাণিত অস্ত্ৰত।
ছুলিয়াজানত গ'ল অজিত, নগেন, কুমুদ
আৰু হাঁহি হাঁহি গুচি গ'ল দীলিপ হজুৰি।
আৰু. আৰু গুছি গল পাহি মেলিব খোজা
অসমী আইৰ পবিত্ৰ সন্তান 'এৰ্জ্যোতি'— ॥
কত জান পুত্ৰ মৃত্যু আগচি কৰিছেহি নৱনিতে পণ।
পোহৰ সন্ধানী জুইৰ শিখাত উজ্বলিছে কত জন ॥
মৃত্যুৰে হলেও উলিয়াব লাগিব জীয়াই থকাৰ বাট ॥
এই সংগ্ৰাম: শেষ সংগ্ৰাম এইয়ে শৰাইঘাট।

* ○ *

# জীৱন্ত জকা

শ্ৰীৰণজিৎ বৰুৱা
২য় বাৰ্ষিক স্নাতক

উখৰা দেহৰ
এক কবৰ কঙ্কাল,
মাথো অলব অথৰ
এক আজৰ কান্তাৰত ।

কৌমুদীৰ আকুল দৃষ্টিত—···  ·············
কোন তই ?
ভাহি আহে—ফেঁচাৰ নিউ নিউ সুৰ,
ভাহি আহে—ধূৰ্ত্ত শৃগালৰ ৰাও,
আৰু নিশাৰ প্ৰচণ্ড ধুমুহা

ভাহি আহে  বিশাল কঁলা গহ্বৰত কাল সৰ্পই
লাওখোলাৰ তন্দ্ৰা নিয়াৰ সুৰ;

ভাহি আহে—লাওখৰ পৰা উৰ্বীলৈ গভীৰ আৰ্ত্তনাদ
ভাহি আহে মনলৈ নতুন আবিস্কাৰ ॥

হয়তু ! — গণিছিল জীৱনৰ
আগন্তুক দিনবোৰ,
আৰু জননীৰ প্ৰকৃত জীৱবোৰ;

হয়তু ! — গণিছিল মোহভৰা
ময়দানৰ তৰাবোৰ;
আৰু আকলন বিদেশীৰ গোটবোৰ

হয়তু ! — কাঢ়িললে প্ৰাণ তাৰ প্ৰচণ্ড গুলীৰে
চিঞৰিছিল টেটুফালি, শিখৰ কপাই

হয়তু ! — নিদিছিল প্ৰশ্ৰয় তাত
এই জীৱন্ত জকাই ॥

—:◎:—

# স্বপ্ন প্রেম

শ্ৰীমৃদুস্মৃ বৰুৱা
স্নাতক চূড়ান্ত মহলা

প্ৰেমে যে কান্দে
উচুপি উচুপি
কিহৰ বাবে—
কেতিয়াবা হাঁহি থাকে ক'বকে
নোৱাৰে
যেন বৈ যায় ধৌ নিজৰাৰ ধাৰ
খিল খিলাই
কোন বাৰো তাই।
শুভ্ৰ কোমল দুখনি হাতত
শাশ্বত প্ৰেম
ফুলি উঠে হেজাৰ বিজাৰ
স্বপ্ন ফল।
শুনাচোন বতাহত
সেয়া কিহৰ শব্দ ?
মৰম আকলুৱা পৃথিবীৰ মায়া
ইমান সুন্দৰ
চাই ৰয় তাই তন্ময় হৈ
নামি আহে দেহলৈ
স্বপ্ন প্ৰেম উচ্ছল ঢল।

○ ● ○

# কাৰ'ৱা

[ ইৰাণীয় কবিতা ]

মূল : এইচ চায়েহ
অনু : চহনলাল আগৰৱালা

এতিয়া বহুত পলম হৈ গৈছে, গালিয়া !
ফুচফুচাই প্ৰেমৰ কাহিনীবোৰ মোক শুনাবা
ৰোমাঞ্চৰ গানো মোৰ পৰা নিবিচাৰিবা ।
এতিয়া বহু পলম হৈ গৈছে,
কাৰ'ৱাটো ইতিমধ্যে আগবাঢ়ি গৈছে ।

তোমাৰ আৰু মোৰ প্ৰেম ?
আহ ! সি এটা কাহিনী মাথোন !
এটুকুৰা ৰুটিৰ সংগ্ৰহেই হয় যেতিয়া অতিমানবীয় কাম
তেতিয়া প্ৰেম আৰু ৰোমাঞ্চৰ বাবে আমাৰ সময় নেথাকে ।

তোমাৰ ৰঙীন আৰু উৎফুল্লিত জন্মদিনত
তুমি জ্বলাবা
উজ্বল একুৰি মমবাতি ।

কিন্তু সেই ৰাতিতেই তোমাৰ বয়সৰ বহুহাজাৰ ছোৱালী
ভুখা আৰু ঠাণ্ডাত খালি মাটিত পৰি থাকিব ।

তুমি সুন্দৰ নাচ নাচা, আৰু তোমাৰ আঙুলিয়ে
বীণাৰ তাঁৰত সৃষ্টিকৰে মধুৰ সংগীত
কিন্তু তোমাৰ সমান সহস্ৰ ছোৱালীয়ে
তুমি ভিক্ষাৰীক দিয়া দানৰ সমান তেওঁলোকৰ মজুৰীৰ বাবে
তেজফুটা হাতেৰে কাম কৰে পিঞ্জৰা সদৃশ কাৰখানাত ।

তুমি নচা দলিচাৰ ৰংবোৰ
মানুহৰ জীৱন আৰু তেজেৰে বুলোৱা,
ইয়াৰ প্ৰতিটো গ্ৰন্থিত লুকাই আছে হাজাৰ কলঙ্ক
ইয়াতেই বিনাশ পালে হাজাৰ নিষ্কলুষ অভিলাষ ।
সহস্ৰ তৰুণ স্ফুলিঙ্গ ইয়াত চেঁচা পৰি গৈছিল
নিশ্চল হৈ গৈছিল হাজাৰখন অকণি হাত

হেৰাই গৈছিল সহস্ৰ সজাগ চকুৰ দীপ্তি
নহয় গালিয়া এটিয়া বহু পলম হৈ গৈছে।
গান আৰু চুমাৰ সময় ই নহয়
সকলো বস্তুৰ গাত এতিয়া জুই আৰু তেজৰ বং
এয়া জীৱনৰ মুক্তিৰ সময়
সংগ্ৰাম আৰু প্লাৱনৰ সময়।
বন্ধ কৰা! মোৰ ফালে চাই আৰু মিচিকিয়াই নাহাঁহিবা
তোমাৰ মধুৰ চাৱনি,
প্ৰেম, গান, সুৰা আৰু সুখী হৃদয়ৰ কঁপনি
মোৰ আজি বাটৰ কাঁইট।
মোৰ বন্ধুসকল আজি বন্দী
বাগ-ই-শ্বাহৰ অন্ধকাৰ সেমেকা কাৰাগাৰত,
খাৰগ দ্বীপ নাইবা নৰকৰ অন্যান্য কোণত।
এতিয়া বৰ সোণকাল হৈছে, গালিয়া!
প্ৰেমৰ গল্প ফুচফুচাই মোক নকবা,
ৰোমান্সৰ গানো মোৰ পৰা নিবিচাৰিবা,
ৰব সোণকাল হৈছে, গালিয়া!
আমি কাবৰাঁটোৰ বাবে ৰ'বই লাগিব।
সিদিনা স্ফটিক-উজ্জ্বল পুৱাৰ জোঙাল তৰোৱালৰ আঘাটত
অন্ধকাৰৰ আৱৰণ খহি পৰিব,
সিদিনা প্ৰতিখন খিৰিকিৰে সূৰ্যৰ পোহৰ সোমাই
আৰু মোৰ কমৰেড সকলৰ মুখলৈ হাঁহি উভতি আহিব
সেইদিনা ময়ো তোমাৰ ওচৰলৈ ঘূৰি আহিম, প্ৰিয়তমা!
ঘূৰি আহিম চুমা, কবিতা, সঙ্গীত আৰু ফুলাম বাগিচাবোৰলৈ।

[ THE CARAYAN নামৰ এই মূল ইৰাণীয় কবিতাটো প্ৰকাশ পাইছিল ভাৰতত থকা ইৰাণীয় ছাত্ৰ সকলৰ শ্বাহবিৰোধী 'The Iranian Student's Association এ প্ৰকাশ কৰা FARYAD নামৰ আচোনীত তাৰ পৰাই ২১ আগষ্ট, ১৯৭৭ তাৰিখৰ SUNDAY সমালোচনীয়ে কবিতাটো উদ্ধৃত কৰিছিল আৰু তাৰে পৰাই এই অসমীয়া অনুবাদ কৰা হৈছে। ]

# বাঘ আৰু হৰিণা

## হৰিণা আৰু বাঘ

শ্ৰীউত্তম বৰুৱা
স্নাতক্ মহলা, ১ম বাৰ্ষিক

বিজয় আহিছানেকি আহা আহা··· যোৱাকালি নাহিলাকেলেই ? জ্যোতি ককাইদেৱে আমাক ইমান সুন্দৰ গল্প কলে। পিছে আজিও আহিব আমাক গল্প কবলৈ। জ্যোতি ককাইদেউ আহিব বুলি গম পোৱা হলে নিশ্চয় আহিলোহেতেঁন। ৰাৰু কোৱাচোন প্ৰভাত কালি জ্যোতি ককাইদেৱেনো কি গল্প কলে ? নকবা আৰু জ্যোতি ককাইদেৱে গল্পবোৰ ইমান ধুনীয়াকৈ কৈ যায় নহয় আৰু বুজিছা গল্পবোৰৰ মাজত আমাকো ভৰাই কি সুন্দৰভাবে লৈ যায় নহয় শুনি থাকিবলৈ মন যায়।

যোৱাকালি জ্যোতিককাইদেৱে আমাক যিটো গল্প কৈছিল সেইটো আছিল এখন হাবিৰ হৰিণাৰ কাহিনী। হাবি খনত হৰিণাবোৰে কিমান দুখ কষ্টৰে জীৱন যাপন কৰে। কিমান দুখ, ভয়, সংকোচেৰে হৰিণবোৰে জীৱন অতিবাহিত কৰিবলগীয়া হয় শুনি ইমান দুখ লাগিছিল শেষত আমাৰ জীৱনটোযে সেই দুখলগা হৰিণবোৰৰ নিচিনাই হৈ আহিছে তাক গল্পটোৰ আলমেৰে জ্যোতি ককাইদেৱে সুন্দৰকৈ বুজাইছিল। ··· ·· সচাঁকৈয়ে আমাৰ জীৱনবোৰ নিজৰ স্বাধীন নোহোৱা, বাঘৰ ভয়ত ঘূৰিফুৰা সেই হৰিণবোৰৰ নিচিনাই হৈ আহিছে নহয় বিজয় ? অ' জ্যোতি ককাইদেউ আহিছে।

তোমালোকে মোৰ বাবেই অপেক্ষা কৰি আছানেকি ? হয় জোতি ককাদেউ। বাৰু আজি তোমালোক কেইজন আছা ? যোৱাকালিতকৈ একজন বেছি জ্যোতি ককাইদেউ। ভাল কথা ········ ।

যোৱাকালি তোমালোকক হৰিনাৰ কাহিনী কলো। পিছে আজি আমাৰ নিচিনা হৰিণ যোৱা বাঘৰহে কাহিনী কম। তোমালোকে ভয় কৰিবানেকি ? ············নকৰো যদি তোমালোকক খাবলৈ খেদি আহে কি কৰিবা ?

আটাইবোৰে লগ লাগি যুঁজিম জ্যোতি ককাইদেউ। থিক কথা তোমালোক একেলগে থাকিলে বাঘ নালাগে সিংহ নালাগে জগতৰ কোনো শক্তিয়েই তোমালোকক আক্ৰমণ কৰি ধংস কৰিব নোৱাৰে।

বাৰু তোমালোকক প্ৰথমেই মই বাঘৰ কথা নকওঁ। প্ৰথমে তোমালোকক মই এখন

দেশত থকা এটা অট্টালিকাৰ কাহিনীহে কম।

···জ্যোতি ককাইদেউ আপুনি অট্টালিকাটো দেখিছেনেকি ? অট্টালিকাটো দেখিবলৈ বৰ ধুনীয়া ছাগে, নহয় জ্যোতিককাইদেউ।

.... অট্টালিকাটোৰ ভিতৰত কি কি থাকে বাৰু ?

ৰবা ৰবা সকলোবোৰ কম। অট্টালিকাটো কেনেকুৱা, অট্টালিকাটোৰ ভিতৰত কি কি আছে ইত্যাদিৰ বিষয়ে মই একালৰপৰা কৈ যাম। তোমালোকে মন দি শুনি যাবা দেই।

···· কওঁক, কওঁক জ্যোতি ককাইদেউ······

······ বহুদিনৰ আগৰ পৰাই এখন দেশত এটা অট্টালিকা আছে।

এটা সময়ত সেই অট্টালিকাটো বিদেশীৰ দখলত আছিল। বহুদিনৰ পিছত অট্টালিকাটো নিজ দেশৰ মানুহে বিদেশীৰ কবলৰ পৰা উদ্ধাৰ কৰে।

-- ····· জ্যোতিককাইদেউ, অট্টালিকাটো কোন দেশত আছেনো ?

শুনিছিলো অট্টালিকাটো বিদেশীৰ কবলত থকাৰ অৱস্থাত আমাৰ ককা আজোৱা সকল সেই দেশখনতে বাস কৰিছিল।

বাৰু শুনিযোৱা মই অট্টালিকাটোৰ কাহিনী কৈ যাওঁ।

··· কোটি কোটি লাখ লাখ, টকাৰ মূল্যৰ অসংখ্য মণি - মুক্তাৰ কাৰুকাৰ্য্যৰে নিৰ্মিত এটা বিৰাট আকাৰৰ সুন্দৰ অট্টালিকা। যিটো অট্টালিকাৰ কথা শুনিলেই অট্টালিকাটোক চোৱাৰ কৌতুহল জন্মে।

········· অট্টালিকাটোৰ ভিতৰতেই হেনো অট্টালিকাটো থকা দেশ খনৰ মানুহক ভৰণ-পোষণৰ সকলো বয় বস্তু মজুত ৰাখে। সেয়েহে অট্টালিকাটো বাইজৰ বৰ আদৰৰ বৰ মৰমৰ।

··· ···অট্টালিকাটো যাতে কোনো বিদেশীয়ে বা কোনো দু-শক্তিয়ে দখল কৰি লব নোৱাৰে তাৰ বাবে সুন্দৰ সংৰক্ষন ব্যৱস্থা আছে। বিৰাট আকাৰৰ হোৱাৰ বাবে এজন বা দুজন ব্যক্তিয়ে অট্টালিকাটো নিয়ন্ত্ৰণ কৰিব নোৱাৰে। সেয়েহে অট্টালিকাটোক ভাগ ভাগ কৰি সুবিধা অনুযায়ী কিছুমান বিষয়া নিয়োগ কৰে। এই সংৰক্ষণ ব্যক্তি সকলক যাতে কোনো দস্যুয়ে আক্ৰমণ কৰিব নোৱাৰে আৰু অট্টালিকাৰ বেৰখনৰ এডোখৰ ইটাও ভাঙিব নোৱাৰে তাৰ বাবে অট্টালিকাটোৰ চাৰিওফালে সেনা বাহিনী সদায় সাজুহৈ থাকে। সচাঁকৈয়ে অট্টালিকাটোৰ সংৰক্ষনৰ কৌশল পদ্ধতিক মানুহে কি সুন্দৰভাৱে প্ৰস্তুত কৰিছে। নকৰিবই বা কিয় ! কাৰণ সেই দেশৰ মানুহ জীয়াই থকাটো নিৰ্ভৰ কৰে সেই অট্টালিকাটোৰ ওপৰত, গতিকে তেনে এটা অট্টালিকাক সেই দেশৰ মানুহে সংৰক্ষণ দিবই লাগিব।

অট্টালিকাটোৰ এনেবোৰ গুণ-মহিমাৰ কথা আজোহানি মা-দেউতাৰ কোলাত এমলি থকা দিনৰ পৰাই শুনি আহিছিলো। মাথো অট্টালিকাটোৰ ভিতৰত প্ৰবেশ কৰিবলৈহে ভাগ্য উদয় হোৱা নাছিল। যদিও চোৱাৰ কৌতুহল সদায়েই আছিল।

অট্টালিকাটোৰ সংৰক্ষণ বিষয়া সকল কি যে মহৎলোক । কেতিয়াবা দেৱতা বুলি কবৰ মন যায় । মানুহবোৰে তেওঁলোকক কিমান শ্ৰদ্ধা ও সন্মান কৰে । সৰুৰে পৰা মোৰ তেনে এজন বিষয়া হোৱাৰ বৰ ইচ্ছা আছিল । অট্টালিকাটো ৰক্ষা কৰা হব দেশকো সেৱা কৰা হব । কিন্তু তেনে এজন মহান পুৰুষ হবলৈ আমাৰ নিচিনা সাধাৰণ মানুহৰ ভাগ্য জানো ঘটিব পাৰে ? তেনে এজন বিষয়া হোৱাৰ আগেয়ে মোৰ অট্টালিকাৰ ভিতৰখনকে চোৱাৰ ইচ্ছা গ'ল ।

………অট্টালিকাটোৰ বাহিৰখনেই কিমান চকুৰোৱা ভিতৰখন যে তাতোকৈ বেছি সুন্দৰ হব লাগে ……… ।

অট্টালিকাটো কোনেনো কেনেকৈ সজাইছিল এনেবোৰ ভাব ধাৰণৰ লোভ সামৰিব নোৱাৰি এদিন অট্টালিকাৰ ভিতৰত সোমাই পাৰিলো ।

………এয়া কি চাৰিওফালে অন্ধকাৰ আৰু ভয়লগা যেন একোটা বিৰাট আকাৰৰ গুহাহে । যিমানেই চকুমেলি চাও সিমানেই আন্ধাৰকহে দেখা পাওঁ । … নে কি মোৰ চকুহুটাই কণা হ'ল ? নে মোৰ মনটোৱে পগলাৰ ৰূপ ললেনেকি । নাই মোৰ চকু মন সকলো থিক আছে ।

অলপ সময়ৰ পিছত গম পালো ৰাতি ভালেমান হ'ল সেয়েহে কতো কোনো শব্দ নাই সোহৰ নাই ।

অলপদূৰ আগবাঢ়িগৈ দেখো এটা সৰু আকৃতিৰ গুহা চাৰিওফালে গহৰীয়া । কোনেও নেদেখাকৈ মনে মনে গুহাটোৰ ওপৰত উঠিলোগৈ ।

………গুহাটোৰ ভিতৰত কিনো আছে বুলি ভাবি গুহাটোৰ এটা সৰু ফাকেদি জুমি চাই ওচপ খাই পিছ হুহকি আহিলো কি ভয়ানক দৃশ্য ! কেইটামান বাঘ বহি আছে ।


………কোনোবাই মোৰ ওপৰত বুদ্ধি কৰা নাইতো……নাই……নহয়……এইবাৰ আগতকৈ চকু মন সকলোবোৰ থিক কৰি আকৌ পুনৰ ভালকৈ চাই দেখো এয়া………কি বাঘ কেইটা দেখোন বহি থকা নাই । দপদপাই গুজৰনি দি বাঘকেইটাই কেইজনীমান হৰিণাৰ গাত জপিয়াই আক্ৰমণ চলাইছে । প্ৰথম অৱস্থাত হৰিণ কেইজনীয়ে যুজিছিল যদিও প্ৰকাণ্ড বাঘ কেইটাৰ আক্ৰমণত তিষ্টিব নোৱাৰি ঢলি পৰিল । সেই সুযোগতে বাঘ কেইটাই হৰিণকেইজনীৰ বুকুত উঠি হেপাহ পলুৱাই সিহঁতৰ তেজ পিবলৈ ধৰিলে । কোনো শব্দ নকৰাকৈ হৰিণকেইজনীৰ বুকুৰ পৰা বাঘ কেইটা উঠিছে আচৰিত বাঘ কেইটাই মানুহৰে দৰে খোজকাঢ়ি কাষৰ আন এটা কোঠাত সোমাই পৰিল । ময়ো পুনৰ সিহঁত সোমোৱা কোঠাটো নিৰিক্ষণ কৰিবলৈ ললো ।

ভাবিব নোৱাৰা দৃশ্য । বাঘ কেইটাই মানুহৰ নিচিনাকৈ কাপোৰ পিন্ধিছে……নাই অকল কাপোৰেই নহয় সিহঁতে কেইখনমান মুখা পিন্ধি লাহে লাহে বাহিৰলৈ ওলাই আহিছে । ইতিমধ্যে ৰাতিপুৱাইছে । বাহিৰলৈ ওলোৱাৰ মাত্ৰকে সিহঁতক দেখি মই আচৰিত হলো বহুতো মানুহে বাঘকেইটাক ফুলৰ মালা আনি পিন্ধাই আদৰি নিছে । মোৰ কিন্তু সহ্য নহল

বাঘকেইটাৰ কাণ্ড কাৰখানাবোৰ দেখি মই চিঞৰি উঠিলো। …আতঁৰি যোৱা বন্ধু সকল আতঁৰি যোৱা। এইকেইজন মানুহ নহয় তোমালোকে ভুল বুজিছা ইমানদিনে মানুহৰ মুখা পিন্ধি তোমালোকক ইহঁতে ভুৱা দি আছিছে। আচলতে ইহঁত একোটা একোটা বাঘহে। কিন্তু মোৰ কথালৈ কোনেও কান নিদিলে।

………এনেকৈয়ে দিন ৰাতিবোৰ বাগৰিবলৈ ধৰিছে। কাৰো কান সাৰ নাই। মই কিন্তু বৈ থাকিব নোৱাৰি বাঘ কেইটাৰ চৰিত্ৰ বুজাবলৈ মানুহবোৰৰ মাজলৈ সোমাই পৰিলো।

………এনে কিছুমান মানুহ লগ পালো যি-সকলে আগৰে পৰাই বাঘ কেইটা দেখি আছিছে, কিন্তু বেছিভাগেই নাই দেখা সেয়েহে তেওঁলোকে বাঘৰ কথাটো বিশ্বাস কৰিবলৈ নিবিছাৰে। বিশ্বাস নকৰিলেই মই তেওঁলোকক অট্টালিকাটোৰ ভিতৰত থকা গুহাটোৰ কাষলৈ যাওঁ আৰু গুহাটোৰ ভিতৰলৈ নিৰিক্ষণ কৰিবলৈ কওঁ। গুহাটোৰ ভিতৰলৈ চোৱাৰ মাত্ৰকে তেওঁলোকে ওচপ খাই চিঞৰি উঠে বাঘ… বাঘ!





# হাঁহিব নেপায়


সুদীপ্ত গাংগুলি
সংগ্রাহক
প্রাক-স্নাতক ১ম বর্ষ


□ মা আৰু ল'ৰাৰ মাজত কথা বতৰা চলিছে। নানা কথাৰ পাচত মাকে ল'ৰাক ক'লে "বোপা, জুৱা কেতিয়াও নেখেলিবা বুজিছা। আজি তুমি হয়তো জিকিব পাৰা, কিন্তু কালি লৈ তোমাৰ হাৰ সুনিশ্চিত।" ল'ৰাই তেতিয়া হাঁহি মাৰি ক'লে "ঠিক আছে মা, মই বাৰু তেনেহলে পৰহিৰ পৰা খেলিম।" ○

□ দুজন কুস্তি প্ৰতিযোগী প্ৰতিযোগীতাৰ ঠাইৰ মকলৈ গৈ আছে। এজনে আনজনক সুধিলে—"হেৰি, প্ৰতিযোগিতাৰ ঠাই ইয়াৰ পৰা বেছি দূৰ নেকি?" আনজনে উত্তৰ দিলে, "তোমাৰ বাৰু ইমান চিন্তা কিহৰ হে? তুমি তো ষ্ট্ৰেচাৰত হে আহিবা।" ○

□ দুজন মাতাল খাই মেলি টং হৈ কথা পাতিছে।

১ম মাতাল — হেৰা পৃথিবীখন গোল নহয় জানো?

২য় মাতাল — হয়।

১ম মাতাল — তেনেহলে গোটেই পৃথিবীখন ঘুৰিব কিমান দিন লাগিব বাৰু?

২য় মাতাল — এদিন।

১ম মাতাল — তোৰ ইমান বুদ্ধি! কেনেকৈ বুজিলি ক চোন?

২য় মাতাল — ধৰ তই এতিয়া ইয়াৰ পৰা (ভাটি-খানা) খোজ কাঢ়িব আৰম্ভ কৰিলি। কালি ঘুৰি প'কি তই আকৌ ইয়াত হে আহি পাবি। ○

□ আৰব দেশত এজন মোল্লা আছিল। গাওঁৰ মানুহে এদিন ধেমালী কৰিবৰ বাবে তেওঁৰ ওচৰলৈ গৈ ক'লে "মোল্লা চাহাব, আপুনি তো এজন জ্ঞানী ব্যক্তি। অহা শনিবাৰে মছজিদত আপুনি আমাক অলপ জ্ঞান বিতৰণ কৰিব লাগিব।" মোল্লা চাহেবে ক'লে, 'ঠিক আছে।"

শনিবাৰে গাওঁৰ মানুহ মছজিদত গোট খালে। মোল্লাই মঞ্চত উঠি ক'লে "ভাইসকল তোমালোকে তো জানায় মই আজি কি ক'বলৈ আহিছো।" গাওঁৰ মানুহে চিঞৰি ক'লে যে তেওঁলোকে একো নাজানে। তেতিয়া মোল্লাই খঙত কলে, "একো নাজানিলে মই কেনেকৈ ক'ম। তোমালোকে ইমান মুৰ্খ নে।" বুলি গুছি গ'ল। গাওঁৰ মানুহে তথাপি মোল্লাক এৰি নিদিলে, অহা শনিবাৰে আকৌ আহিব কলে।

মোল্লাই শনিবাৰে গৈ আকৌ আগৰ দৰে সুধিলে "ভাইসকল, তোমালোকে নিশ্চয় জানো, মই কি কবলৈ আহিছো?" এইবাৰ গাওঁৰ মানুহে

কলে, "জানো।" মোল্লাচাহেবে আচৰিত হৈ কলে, তোমালোকে জানা? তেনেহলে মোৰ আৰু ক'বলৈ প্ৰয়োজন নাই। বুলি গুচি গ'ল।

তথাপি গাওঁৰ মানুহে আকৌ মোল্লাক অহা শনিবাৰে মছজিদত আহিবৰ বাবে অনুৰোধ কৰিলে।

মোল্লাই গৈ আকৌ আগৰ কথাষাৰ হে ক'লে। এইবাৰ গাওঁৰ মানুহ বুধিয়ক হৈছে। সেইবাবে আধা মানুহে ক'লে, "জানো", আৰু বাকী আধা মানুহে ক'লে "নেজানো।" তেতিয়া মোল্লাই ক'লে "ভাল কথা, যিসকলে জানা কৈ দিয়া আৰু যিসকল নাজানে শুনি লোৱা।" বুলি ঘৰলৈ উভতি গ'ল।

---

জীয়াই থকা মানেই ফুৰ্ত্তিকৰা, খোৱা, পিন্ধা আৰু খেলা-ধুলাই নহয়—কিন্তু ঈশ্বৰক স্তুতি কৰা অৰ্থাৎ মানৱ জাতি প্ৰকৃত সেৱা কৰাহে।

—মহাত্মা গান্ধী

# অসমৰ গ্ৰাম্য অঞ্চলত ছাত্ৰ ছাত্ৰী আৰু যুৱক যুৱতীৰ কৰ্তব্য

শ্ৰীচাখাৱত আলি
স্নাতক মহলা
প্ৰথম বাৰ্ষিক।

অসমৰ বৰ্তমান গ্ৰাম্য অঞ্চলত অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত দেখা দিয়া বেমেজালিৰ প্ৰতি চকু দিয়াটো নিতান্ত আৱশ্যক হৈ পৰিছে। বৰ্তমান আমাৰ নগৰৰ মিশ্ৰিত সমাজ খনলৈ আমি চকু দিব নোৱাৰো যিহেতু বৰ্তমান নগৰৰ জীৱিকাৰ পথ আৰু সামাজিক ব্যৱস্থা গাৱঁৰ পৰিবেশৰ লগত তুলনা কৰিব নোৱাৰি। আমাৰ অসমৰ অসমীয়া মানুহৰ সমাজখনত নৈতিকতা, পাৰম্পৰিক সৌহাৰ্দপূৰ্ণ প্ৰেম—প্ৰীতি আৰু যৌথ সামাজিক দায়বদ্ধতা অতীত কালৰে পৰা চলি আহিছে। বৰ্তমান আমাৰ গ্ৰাম্য অঞ্চলত আৰ্থিক ভাৱে অভাৱ অনাটনত ভুগি ব্যক্তিগত জীৱনৰ লগত সামাজিক জীৱন ধাৰাও পৰিবৰ্তন হৈছে। অৰ্থনৈতিক ক্ষেত্ৰত অগ্ৰসৰ হবলৈ বিচাৰোতে সমাজত কেতবোৰ অপকৰ্ম কৰিবলৈ মানুহে কুণ্ঠাবোধ নকৰা হৈছে। ইয়াক অপকৰ্ম বুলি ইয়াকে কব খোজা হৈছে যিটো গ্ৰাম্য অঞ্চলত নৈতিকতাৰ লোবটোক একেবাৰে বিবেচনা নকৰা হৈছে। বিশেষকৈ আমাৰ মন সেই বাহিৰাগতৰ ভণ্ডামি আৰু প্ৰবঞ্চনাৰ প্ৰতি আকৃষ্ট নোহোৱাকৈ থকা নাই। অতীত কালৰে পৰা আমাৰ সমাজত বৰ্তি থকা নৈতিকতা আৰু সৌহাৰ্দপূৰ্ণ চিন্তা ধাৰাক বাহিৰাগতৰ ধন আৰু কৰ্মই পঙ্গু কৰাত সহায়ক হৈছে। বৰ্তমান তুলনামূলকভাৱে আগতকৈ এতিয়া গ্ৰাম্য অঞ্চলত শিক্ষিত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িছে। সেয়ে এতিয়া আগতকৈ গ্ৰাম্য অঞ্চলত উন্নত কৰিবলৈ সহজ হৈ পৰিছে। গ্ৰাম্য অঞ্চলত বাট - পথ, স্কুল - কলেজ, হাট বজাৰ, বৈদ্যুতিক ব্যৱস্থা, কৃষি উন্নয়ন আচনি, পশুপালন, মীনপালন প্ৰভৃতি উন্নয়নমূলক আঁচনিৰ প্ৰসাৰতা লাভ কৰাত গ্ৰাম্য অঞ্চলৰ ৰাইজৰ মানসিক চিন্তাধাৰা কিছু পৰিবৰ্তন হলেও অৰ্থনৈতিক দিশত উন্নতি হোৱা নাই। ইয়াৰ মূলতে আমাৰ সমাজত উঠি অহা ছাত্ৰ ছাত্ৰীৰ সামাজিক দায়িত্ববোধ জ্ঞান অনুশীলন নকৰাটো আমি দেখিবলৈ পাইছো। বহুত ছাত্ৰ-ছাত্ৰীয়ে বাহিৰৰ জগতখনৰ লগত বাহ্যিকভাৱে যিমান সম্পৰ্ক ৰাখে নিজৰ কৰিব লগীয়া কৰ্তব্য আৰু সামাজিক চিন্তাধাৰাৰ প্ৰতি কানসাৰ নিদিয়াত আমাৰ গ্ৰাম্য সমাজখন ক্ৰমান্বয়ে পৰ-

মুখাপেক্ষী আৰু আৰ্থিক দিশত অনগ্ৰসৰ হৈয়ে আছে। সমাজৰ উন্নতিৰ প্ৰতি চকু দিয়াতো উঠি অহা ছাত্ৰ-ছাত্ৰী সকলৰ অপৰিহাৰ্য্য কৰ্ত্তব্য। ছাত্ৰ-ছাত্ৰীয়ে এই পিছ পৰা গ্ৰাম্য অঞ্চলৰ সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত সকলো প্ৰকাৰে উন্নত কৰিব লাগে আমাৰ সমাজৰ মানদণ্ড উন্নত হব বুলি আশা কৰিব পাৰি। গ্ৰাম্য অঞ্চলৰ নিৰক্ষৰ জনতাক কেনেদৰে সমাজৰ আৱশ্যকীয় কামবোৰ কৰি নিজৰ সমাজখনৰ উপৰিও দেশৰ সৰ্বাঙ্গীণ উন্নতি সাধিব পাৰি তাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে নেৰা-নেপেৰা চেষ্টা চলাই যোৱাটো উচিত।

নিৰক্ষৰ জনতাৰ মনত সমাজৰ তথা দেশৰ প্ৰতি কৰ্ত্তব্যবোধ জ্ঞান জাগৰণ তুলিব পাৰিলে সমাজত এক বৈপ্লৱিক পৰিবৰ্ত্তন হব। সাধাৰণতে এইটো সকলোৱে অনুভূতিৰ বিষয় হৈ পৰিছে যে, গ্ৰাম্য অঞ্চলৰ ৰাইজ নিৰক্ষৰ হোৱাৰ বাবে তেওঁলোকে বৰ্ত্তমান জগতৰ বহু কথাৰ আওভাও বুজি নোপোৱাৰ ফলত মনত ভয় সংশয় আৰু সন্দেহৰ ভাব সোমাই পৰিছে। পৰম্পৰাগতভাৱে চলি অহা সামাজিক প্ৰথাত তেওঁলোকে বেছিকৈ পৰিচিত হলেও তেনে পৰম্পৰা সামাজিক ব্যৱস্থাই যে তেওঁলোকৰ আৰ্থিক আৰু সামাজিক গাথনিত এটা জোকাৰণি মাৰিছে সেই কথা তেওঁলোকে উপলব্ধি কৰিলেও তাৰ প্ৰতিকাৰৰ উপায় নোহোৱা হৈছে। বিশেষকৈ আমি আৰ্থিক সমস্যাৰ ওপৰত প্ৰথমে গুৰুত্ব দিয়া উচিত। গ্ৰাম্য অঞ্চলৰ হাজাৰ হাজাৰ কৃষিজীবি লোকে বৰ্ত্তমান অৰ্থনৈতিক সংকটৰ সন্মুখীন হৈছে। যদিও এই ভয়াবহ অৰ্থনৈতিক সংকট প্ৰত্যাহ্বান জনাবলৈ অক্ষম হৈ পৰিছে। তেওঁলোকৰ এই অক্ষমতাক দূৰ কৰিবলৈ ছাত্ৰ-ছাত্ৰী আৰু যুৱক যুৱতী সকলে কিছু আগ ভাগ লব পাৰে। বৰ্ত্তমান আমাৰ নগৰ আৰু গ্ৰাম্য অঞ্চলত এটা বস্তুৱে প্ৰধান্য লাভ কৰিছে সেইটো হৈছে অবাধ মদাপান কৰাটো। এইবিধ মৰাত্মক ব্যাধি পূৰ্ব্বতে ইমান প্ৰচলিত আছিল বুলি ডাঠি কব নোৱাৰি। বৰ্ত্তমান দেশৰ বিভিন্ন ঠাইত প্ৰতিষ্ঠা হোৱা সৰুবৰ উদ্যোগ সমূহত কাম কৰা বনুৱা শ্ৰেণীয়ে ব্যৱহাৰ কৰিবলৈ লোৱা সুৰাই অসমীয়া জাতিৰ উঠি অহা যুৱক সমাজটোক অধিক অনিষ্ট কৰিছে সেই কথা গ্ৰাম্য অঞ্চলৰ প্ৰতিজন চিন্তাশীল ব্যক্তিয়ে উপলব্ধি নকৰাকৈ থকা নাই। সেয়ে বৰ্ত্তমান চৰকাৰে লোৱা মদ নিবাৰণী অভিযানত আমাৰ ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীয়ে অধিক সক্ৰিয়ভাৱে সহযোগ কৰিলে আমাৰ ভৱিষ্যত বংশধৰ সকল অধঃপতনে যোৱাৰ পৰা ৰক্ষা পৰিব। নিজকে আধুনিক সমাজত খাপ খুৱাবলৈ বিচৰা প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীয়ে তেওঁলোকৰ ব্যৱহৃত বস্তুৰ ওপৰত বিশেষ চিন্তা সহকাৰে গুৰুত্ব নিদিয়াৰ ফলত সমাজৰ মানসিক উৎকৰ্ষ সাধন নোহোৱাটো তাৰে অমঙ্গল বৰ্ত্তমান যুৱক সমাজে নগৰৰ বহু কথাই অনুকৰণ কৰিছে। আৰ্থিক আৰু সামাজিক দুয়ো ক্ষেত্ৰতে নগৰ আৰু গাওঁৰ মাজত যথেষ্ট পাৰ্থক্য আছে। আমি যিখন সমাজত থাকি নিজৰ নিজৰ সামাজিক ব্যৱস্থা গ্ৰহণ কৰিছো বা শিকিছো সেইখন সমাজৰ নীতি নিয়মৰ লগত খাপ খোৱা অৰ্থনৈতিক দিশটোও বিচাৰ্য বিষয়। গ্ৰাম্য অৰ্থনীতিয়ে

নগৰৰ খাপচাবা সামাজিক দিশটোক চুকি নাপায়।

গ্ৰাম্য অঞ্চলখন সাধাৰণতে কৃষি কৰ্ম আৰু ইয়াৰ লগত সাঙোৰ খাই থকা পশু-পালনৰ সৈতে ওতঃপ্ৰোত সম্পৰ্ক আছে। এই বিশাল পৃথিবীৰ প্ৰাকৃতিক সম্পদৰাজি আৰু ইয়াৰ সৌন্দৰ্য্য যেনে অনুপম তেনেদৰে গ্ৰাম্য এলেকাৰ সমাজখনো সহজ সৰল আৰু মাধুৰ্য-পূৰ্ণ। গ্ৰাম্য অঞ্চলত শিক্ষিত যুৱক-যুৱতীয়ে সামূহিক ভাৱে কৰা সমাজ কৰ্মত গ্ৰাম্য ছাত্ৰ-ছাত্ৰী সকলৰ বাবে এটা আদৰ্শণীয় কাম হব বুলি বিবেচনা কৰিব পাৰি। গ্ৰাম্য অঞ্চলৰ পুথি ভঁৰালবোৰ অধিক সক্ৰিয় কৰি তুলি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষিত যুৱক-যুৱতীয়ে গাৰঁৰ মানুহক বাতৰি কাকত, আলোচনী প্ৰভৃতি পঢ়িবলৈ অভ্যাস কৰাব লাগে। ইয়াৰ দ্বাৰা তেওঁলোকে সমাজ সেৱা কৰ্ত্তব্যৰ প্ৰতি আকৃষ্ট হব। প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এনে উচ্চ আদৰ্শৰে দায়িত্ববোধ জ্ঞান জগাই তুলিবৰ বাবে বাতাবৰণ সৃষ্টি কৰাত মনোনিবেশ কৰা উচিত। এখন সমাজৰ সামাজিক বান্ধোনে উশৃংখল ছাত্ৰ-ছাত্ৰীক শাসন কৰাত নিশ্চয় একো অসুবিধা নহয়। বৰ্ত্তমান আমাৰ দেশৰ ৰাজনৈতিক বাতাবৰণ মাজত বহুতো শিক্ষিত যুৱক নিষ্কৰ্মা হৈ পৰাটো সকলোৱে দেখিবলৈ পাইছে। নিজৰ ঘৰৰ অৰ্থনৈতিক ভেটিটো নিকপ-কপীয়া নকৰাকৈ ধপকৈ কোনো দায়িত্বহীন ৰাজনৈতিক নেতাৰ আহ্বানত ৰাজহুৱা জীৱনৰ প্ৰতি আকৃষ্ট হোৱাটো আন এটা অৰ্থনৈতিক আমাৰ দেশৰ নেতাবোৰে তৰুণ সমাজক যেনে দৰে লোভ দেখুৱাই বিপথে পৰিচালনা কৰিব পাৰিছে তেনেদৰে গ্ৰাম্য অঞ্চলৰ নিৰীহ জন-গণৰ বিভিন্ন সমস্যাৰ সমাধান কৰিব নোৱা-ৰাটো ৰাজনৈতিক নেতাসকলৰ লগত গ্ৰাম্য শিক্ষিত যুৱক সমাজে উচিত বিবেচনা কৰিব পৰা নাই। ছাত্ৰ ছাত্ৰী সকলে বিভিন্ন দিশত কৌশল প্ৰয়োগ কৰি দৰিদ্ৰ সমাজৰ দৰিদ্ৰতা দূৰ কৰিবলৈ বিজ্ঞান ভিত্তিত আচনি হাতত ললে দেশৰ প্ৰতি কিছু কৰ্ত্তব্যপৰায়ণতা ভাব বাঢ়িব আৰু লগতে সমাজৰ অৰ্থনৈতিক ক্ষেত্ৰত বাধা দিব খোজা আসোঁৱাহবোৰ আঁতৰ হব। শিক্ষিত যুৱক-যুৱতী আৰু ছাত্ৰ-ছাত্ৰী সকলে মনত ৰখা উচিত ৰাজনৈতিক ক্ষেত্ৰতকৈ অৰ্থ-নৈতিক ক্ষেত্ৰত আমি অধিক সজাগ হব লাগে আৰু অৰ্থনৈতিক মূল ভেটিটোহে ব্যক্তি-গত জীৱনৰ লগত সামাজিক জীৱনৰ ওতঃ-প্ৰোত সম্বন্ধ আছে।

# ছাত্র একতা সভাৰ সাধাৰণ সম্পাদকৰ দ্ব-আষাৰ।

জয়জয়তে এটা বছৰৰ বাবে সাধাৰণ সম্পাদক হিচাপে মোক নিৰ্ব্বাচন কৰা বাবে সকলো ছাত্ৰ-ছাত্ৰীলৈকে মোৰ আন্তৰিক ধন্যবাদ জনাইছো। অসমৰ পৰা অবৈধ বিদেশী বিতাৰণৰ আন্দোলন চলি থকা বাবে মই কলেজৰ বাবে একো কৰিব নোৱাৰিলো যদিও সদৌ ডিব্ৰুগড় বিশ্ববিদ্যালয় অন্তৰ্গত বাণিজ্য ছাত্ৰ সন্থাৰ সহঃ সাধাৰণ সম্পাদক হিচাপে নিৰ্ব্বাচিত হোৱাৰ পিছত বাণিজ্যিক ছাত্ৰ-ছাত্ৰী সকলৰ সুবিধাৰ বাবে কিছুমান ব্যৱস্থা লৈ ডিব্ৰুগড় বিশ্ববিদ্যালয় উপাচাৰ্য্যৰ লগত আলোচনাৰ যোগেদি কেইটামান দাবী সমাধান কৰি ইতিমধ্যে কাৰ্য্যকৰীও কৰা হৈছে। বাকী থকা দাবী সমূহ পূৰণৰ অৰ্থে নৱনিৰ্ব্বাচিত সাধাৰণ সম্পাদকে দৃঢ় সংকল্প লয় যেন।

এইবাৰ মহাবিদ্যালয় সপ্তাহ অন্যান্য বাৰৰ দৰেই সপ্তাহ যোৰা কাৰ্য্যসূচীৰে পালন কৰা হয়। আৰম্ভনিৰ দিনা পতাকা উত্তোলন কৰে ড° মহেন্দ্ৰ বৰাদেৱে। পতাকা উত্তোলনৰ পাচত জাতীয় সঙ্গীত পৰিবেশন কৰা হয়। দুৰ্ভাগ্য বশতঃ সঙ্গীত বিভাগৰ সম্পাদক অসুস্থহৈ পৰাত শেষৰ দিনা সঙ্গীত সন্ধ্যা অনুষ্টুপীয়াকৈ পতা হয়। প্ৰতিবাৰৰ দৰেই এইবাৰো নৱাগতা আদৰণী সভা, বিদায় সভা আদি সুকলমে পাৰ হৈ যায়। মই মোৰ কাৰ্য্যকালৰ 'কলেজ সপ্তাহৰ' এটা কথাত অতি আনন্দ লভিছিলো, সেয়া হল আগৰ কেইবাৰতকৈ এইবাৰ ( ১৯৮১-৮২ ) যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে কলেজ সপ্তাহৰ বিভিন্ন কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰাত।

মোৰ কাৰ্য্য কালছোৱাত বিভিন্ন দিহা পৰামৰ্শৰে সহায় কৰা মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, সকলো অধ্যাপক-অধ্যাপিকা মণ্ডলী আৰু অন্যান্য সমূহ কৰ্ম্মচাৰী বৃন্দ লগতে মোক সকলো সময়তে অহৰহ ভাবে সহায় কৰা শ্ৰীশৰৎ বৰা, শ্ৰীদিপক চাংকাকতি, শ্ৰীগৌতম শৰ্ম্মা, শ্ৰীপ্ৰদিপ শৰ্ম্মা, শ্ৰীপাৰ্থ প্ৰতিম ভূঞা, শ্ৰীদিপক শইকীয়া, শ্ৰীউত্তম বৰুৱা, বন্ধু কেইজনলৈ মোৰ কৃতজ্ঞতা যাচিছো।

শেষত মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি কামনা কৰি লগতে মহাবিদ্যালয়খনিৰ ভৱিষ্যত সুখ-দুখৰ সমভাগী হম বুলি প্ৰতিশ্ৰুতিৰে বিদায় মাগিছো। ধন্যবাদেৰে—

ইতি

শ্ৰীজিতেন কাকতি

সাধাৰণ সম্পাদক

কানৈ বানিজ্য মহাবিদ্যালয়।

# জনকল্যান আৰু সাংস্কৃতিক সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন
## ১৯৮১—৮২ চন

প্ৰতিবেদনৰ আৰম্ভনিতেই ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ৰ ৮১-৮২ চনৰ বাবে মোৰ জনকল্যান আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকৰ দায়িত্বভাৰ লবলৈ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱী সকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। লগতে মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, প্ৰমুখ্য মাননীয় অধ্যাপক মহোদয় সকলক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

সাহিত্য সংস্কৃতি অবিহনে এটা জাতি জীয়াই থাকিব নোৱাৰে। এটা জাতি তথা সমাজৰ উন্নতিৰ পথত শিক্ষা সাংস্কৃতিয়েই হল প্ৰধান অঙ্গ। সেয়েহে এটা জাতি তথা সমাজৰ উন্নতিৰ ক্ষেত্ৰত প্ৰত্যেক ব্যক্তিয়েই শিক্ষা সংস্কৃতিৰ ক্ষেত্ৰত অধিক সচেতন হোৱা প্ৰয়োজন।

মই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিচতেই আমাৰ মহাবিদ্যালয়ৰ উনৈশতম "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হয়। গতিকে মোৰ সীমিত জ্ঞানেৰে নানা অসুবিধাৰ মাজেৰে সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতা সমূহ আয়োজন কৰো।

সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতা সমূহৰ প্ৰতি প্ৰতিযোগী সকলৰ ধাউতি তথা উৎসাহে প্ৰতিযোগিতা সমূহৰ মানদণ্ড উচ্চতৰ কৰি তোলে। সকলো প্ৰতিযোগিতাতে ছাত্ৰ তথা ছাত্ৰী সকলে সমানে প্ৰতিদ্বন্দিতা কৰে।

এই বছৰৰ তৰ্ক প্ৰতিযোগিতাৰ বিষয় আছিল সদনৰ মতে "ভাৰতীয় জনগনই ভাৰতীয় সংবিধান প্ৰদত্ত গণতান্ত্ৰিক অধিকাৰ বোৰৰ পৰা বঞ্চিত" কিন্তু দুখৰ বিষয় যে এইবাৰৰ তৰ্ক প্ৰতিযোগিতাত অতি কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে অংশ গ্ৰহণ কৰে।

ইয়াৰ উপৰিও প্ৰত্যেক বছৰৰ দৰে এইবাৰে "শ্ৰীশ্ৰীসৰস্বতী পূজা" অতি অনুষ্টুপীয়াকৈ পালন কৰা হয়। এই দৰেই মোৰ কাৰ্য্যকাল অতিবাহিত হয়।

এইখিনিতে কিছুমান অসুবিধাৰ কথা উল্লেখ নকৰিলে এই প্ৰতিবেদন আধৰুৱা হৈ ৰব। বৰ্ত্তমান আমাৰ যিটো প্ৰেক্ষাগৃহ আছে তাৰ অৱস্থা অতি দুখলগা। কাৰণ মহাবিদ্যালয়ৰ নিজস্ব পৰ্দা (Screen) নাই। আৰু বিজুলী বাতিৰ কোনো চিনচাবেই নাই।

গতিকে সাংস্কৃতিক বিভাগৰ পুজিৰ পৰাই এই বিলাক লাগতিয়াল বস্তু কিনি বা ভাড়ালৈ আনি প্ৰতিযোগিতা সমূহ চলাব লাগে। গতিকে পুজিৰ অভাৱত প্ৰতিযোগিতা সমূহ চলাবলৈ কষ্ট হয়। ইয়াৰ উপৰি প্ৰেক্ষাগৃহৰ ভিতৰত নানা ধুলি মকৰাজাল আদিৰে ভৰ্ত্তি। বেঞ্চ-বোৰৰ অৱস্থাও চাব নোৱাৰি। এই খিনিতে এটা কথা উল্লেখ নকৰি নোৱাৰিলো। এই-বাৰৰ সাংস্কৃতিক প্ৰতিযোগিতা সমূহ চলি থকা অৱস্থাতহে প্ৰেক্ষাগৃহৰ মকৰাজাল পৰিষ্কাৰ কৰিবলৈ সময় ওলায়। গতিকে তাৰ বাবে আমি ইতিহাসৰ পাত্ৰ হব লগাত পৰে। এখন মহাবিদ্যালয়ৰ বাবে ই অতি লজ্জাকৰ বিষয়। ইয়াৰ বাবে দায়ী কোন ? গতিকে মহাবিদ্যালয়ৰ কৰ্ত্তৃপক্ষক অনুৰোধ জনাও যেনেতে সকলে যাতে এই বিষয়ত চকু দিয়ে। আৰু ভৱিষ্যতে এনেকুৱা লজ্জাজনক কাম হবলৈ নাপায়।

প্ৰতিবেদন শেষ কৰাৰ আগতে মোৰ কাৰ্য্যকালত যি সকলে সহায় সহযোগিতা আগবঢ়ালে তাৰ ভিতৰত মাননীয় অধ্যাপক শ্ৰীযুত দি অধিকাৰী, শ্ৰীযুত দেবব্ৰত বৰুৱাধৰ, শ্ৰীযুক্তা কল্পনা খাউন্দ, শ্ৰীযুত গোপাল শৰ্ম্মা আৰু শ্ৰীযুত আহমদ ছাব দেৱলৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিলো। ইয়াৰ উপৰিও ছাত্ৰ বন্ধু বিশেষকৈ শৰৎ, জীতেন, দীপক, ছাকৰত ( ৰাজু ) গৌতম, তপন প্ৰাৰ্থ আদিলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মানুহ মাত্ৰেই ভুল হয়। মোৰ কাৰ্য্যকালৰ সময়ত অজানিতে হোৱা ভুলৰ বাবে ক্ষমা-প্ৰাৰ্থনা মাগিছো। সদৌ শেষত কাকৈ বাণিজ্য মহাবিদ্যালয়ৰ আলোচনী খনিৰ লগতে মহা-বিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ এই প্ৰতিবেদন সামৰণি মাৰিলো।

ধন্যবাদেৰে

শ্ৰীপ্ৰদীপ শৰ্ম্মা

জনকল্যান আৰু সাংস্কৃতিক

বিভাগৰ সম্পাদক

কাকৈ বাণিজ্য মহাবিদ্যালয়ৰ

ছাত্ৰ একতা সভা

১৯৮১-৮২ চন।




সম্পাদনা সমিতি

( বাওঁফালৰ পৰা বহি ) : সৰ্বশ্ৰী পাৰ্থ প্ৰতীম ভূঞা ( সম্পাদক ), অধ্যাপিকা কল্পনা খাউণ্ড, অধ্যক্ষ প্ৰেমচাঁদ জৈন, অধ্যাপক দেৱৰঞ্জন ধৰ, ফুনু বৰুৱা আৰু শৰৎ বড়া ।


( বাওঁফালৰ পৰা থিয় হৈ ) : বামদেৱ, মিশ্ৰ, গৌতম শৰ্মা, অৰুণ গগৈ, অনন্ত গগৈ, দিপক চাংকাকতী, প্ৰদীপ শৰ্মা, সুশান্ত ফুকন, জিতেন কাকতি, নাগেশ বৰুৱা আৰু আত্মানন্দ ছুৰবা ।

( সমিতিৰ উপদেষ্টা, শ্ৰীযুত ঘনশ্যাম অধিকাৰী আৰু মনমোহন দাস আৰু সদস্য শ্ৰীসমৰজ্যোতি হাজৰীকা আৰু প্ৰশান্ত বৰকাকতী অনুপস্থিত । )




←

Mr. "DIBRUGARH UNIVERSITY"
( Group 50 - 60 kg. )
Mr. D. H. S. K. Commerce College
আৰু Mr. Strongman of D. H. S. K
Commerce College সন্মানেৰে সন্মানিত
—লোকেশ্বৰ চেতিয়া ।



→

Sri Bulu Das ( Pre-degree 2nd year )
Table Tennis ( Single's & Doubles
Champion )





←

শ্ৰীপূৰ্ণানন্দ চুতীয়া
একক অভিনয়ৰ শ্ৰেষ্ঠ অভিনেতা

→

Rakesh Kurmi
Pre - Degree
BEST LONG DISTANCE RUNNER OF
THE COLLEGE FROM 1979 to 82.





←

শ্ৰীহিৰণ্য [illegible]
শ্ৰেষ্ঠ গায়ক

# How to Make Examinations Effective

By P. C. Jain,
Principal,
D. H. S. K. Commerce College,
Dibrugarh.

Steep fall in academic standards, wide use of unfair means by the examinees, and the growing rowdism inside and outside the examination-halls are no longer the concern of the academic-world alone, but these phenomena have recently attracted the attention of the society at large. Undoubtedly, the rot in the system has not taken place in a day. In fact it is the accumulated result of our neglect over the past many years. The problems seem to have reached the saturation-point urging upon all concerned to take suitable remedial measures without any further delay. The question does not relate itself merely to the welfare of the present generation of youngmen and women, but with it is closely knit the intellectual growth and development of the entire nation. It is hoped that concerted action in the matter will help in solving the present riddle and will also pave the way for a brighter future.

The whole process of education can be broadly divided into two stages, the first being the imparting of lessons according to a set syllabus and the second relating to the assessment of the knowledge acquired by the students. Whereas the first stage lasts during the major part of an academic session, the second stage emerges only at its fag end. It can easily

be surmised that if the work in the first stage has been wholesome and satisfactory, the second stage shall automatically be smooth and trouble-free. On the other hand; in absence of any meaningful work being done throughout the period meant for studies, it would be a wishful thinking to expect that the young learners shall give a good account of themselves at the time of their tests. Any programme of educational reform, and of examination-reform for that matter, shall have to envisage a programme of stream-lining the teaching-process on the very foundation of which rests the whole superstructure of the educational edifice. While lamenting for the sorry state of affairs prevailing during the examinations, let us also cast a searching glance at the quality of education our boys and girls receive from day to day, and the amount of their heart and soul which they really put in for absorbing what they learn in the precinct of the educational institutions.

It serves no purpose to go beyond the reality and suggest utopian concepts for implementation. Much time may be required to introduce wider fundamental changes like drastic cut in the number of holidays, increase in the hours of daily work, and the adoption of a continuous system of students' assessment etc. In the meanwhile, taking the existing pattern as it is, we should try to find out the scope for improvement and exert ourselves to make the best use of the available time and resources.

The programme of education requires for its success a congenial atmosphere and a fair amount of regularity free from occasional interruptions and frequent jerks. It is a race to run which confidently one will have to be steady though not slow. Apart from the time devoted, sincerity of purpose is also absolutely essential behind all efforts. If a student attends classes by fits and starts, he can not link up his lesson learnt on the day of his attendance with those which

he has totally missed. Likewise, if a teacher allows a big gap to occur in the continuity of his teaching assignment he cannot prove himself to be sufficiently useful to his students. Moreover, loss of precious time will entail undue haste in covering the hitherto uncovered syllabus. Theoretically speaking, none disputes the fact that tegularity of attendance, both of the teachers and the taught, is the sin-quo-non of educational progress but, regretably enough, co-operation in an adequate measure is not extended by either of the two parties when the occasion arises to translate this theory into practice. With a view to affecting improvement worth its name, it has to be indispensably seen that regularity of academic work is not disturbed on emotional and other grounds. Positive action will, of course, mean sacrifice in terms of case and conveaience on the part of all concerned but this will have to be put up with willingly in order to render the whole system purposeful. Without starting with determination from this end, things can not be given the desired shape, and the problems in the examination season will, therefore, continue to grow in the geometrical progession. Let it be firmly resolved that save except the listed holidays, the educational institutions shall be functioning in full swing with obligatory participation of teachers and students alike. The present rules regarding the minimum percentage of attendance of students can be adhered to only when the classes are held regularly. Members of the teaching-faculty too should be more conscientious and painstakig and must resist the temptation of avoiding the class-work on the slighest pretext. Moreover, non-academic issues should not be allowed to gain an upper hand forcing the pursuit of knowledge to recede to the background. Guardians will do well by keeping a careful watch over the daily activities as well as the academic performance of their wards, and the students in their turn should devote themselves in right earnest to

the preparation of their courses. A student who has failed to prepare his subjects well is quite susceptible to the use of unfair practices in the examination, unless, of course, he happens to be extremely dullard. So, the basic question which poses itself before us is as to what extent we feel ourselves committed to make the n cessary sacrifice for the cause of proper education of our youths who will be called upon to shoulder greater responsibilities in years to come.


Next in importance comes the necessity on the part of the teachers to cover the prescribed syllabus with a fair speed taking into consideration the course contents and the time available for its completion. Teaching-work in the class is required to be done with requisite depth and the exposition made clear for making the subject-matter intelligible to the pupils For this purpose, a teacher will have to weigh carefully the topic to be dealt with by him in the class, a task which calls for study and advance-preparation. A well-chalked out scheme of work to be done by the teacher in different parts of a given session will go a long way to produce good results. Much headway can be made if those engaged in the noble task of dissemination of knowledge rise to the occasion and try to exert a moulding influence for the well-being of their disciples.

It is also pertinent in this context to see that the annual events like inter-college-sports and the college-week etc. are fixed keeping an eye on their likely impact on the academic performance Is would not be desirable to stretch the extra-curricular activities to a much longer duration or to hold them at a time when the periodical tests are nearing. Non-academic activities are justified because these invigorate the young people and enthuse them to prosecute their studies in the remaining term with a greater zeal; but on no account these should be allowed to hamper the normal activities connected with the acquisition of learning.

Let us also discuss here about the importance of proper invigilation in the examination halls. Senior and experienced teachers are generally appointed to invigilate in the examinations of the Board and the University. If the object, of holding the examination, namely the proper assessment of students' knowledge, is to be achieved, examinees should be made to write of their own without drawing any kind of sustenance from extraneous sources. That is why the services of the invigilators are requisitioned for. The first duty of an invigilator, therefore, is to be vigilant, which function does not admit of any indifference, connivance or negligence on his part. Examinees in their turn should also feel themselves duty-bound to observe descipline and to obey the rules of the examination. Control of an examinationg-room can never be done on police-pattern nor can a teacher-cum-invigilator reduce himself to the function of a watch-dog barking ferociously at every little sound. A spirit of co-operation on the part of the examinees in general is absolutely essential; and more co-operative are the examinees less strenuous shall be the task of the invigilators. In case the candidates are bent upon using unfair means resorting to all the conceivable devices, the whole show will turn into a mere fuss rendering the invigilation duty to be a thankless job. Guardians, authorities and candidates, all must whole heartedly accept the ideal of cleaneness of conduct and should see to its observance, whatever may be the outcome of the examination in terms of percentage of marks to be secured by the examinees. Very often officers-in-charge of the examination-centres receive anonimous letters containing threats that dire consequences would follow if the examinees are not permitted to do what would like to do inside the examination rooms. These can not be taken as mere empty words because adverse follow up action as hinted at is sometimes indulged in by the socalled aggrieved elements. To thwart such and similar attempts

strong combined action should be taken and there should be an open denunciation of the unlawful acts which tarnish the fair image of education and try to place 'the might' above 'the right'.

By way of recapitulation of the above, it may be said, that to free the examinations of their present impasse and to make them a fair device to measure the academic competance of candidates, regular and effective teaching-schedule in the schools and colleges is a 'must'. Secondly, subsidiary issues should never be made so much prominent that the main issue of the pursuit of knowledge is lost sight of. Lastly, teachers, students and guardians should discharge their due responsibilities in their respective spheres.



A Woman walked into an office and said : "Doctor, tell me frankly, what is wrong with me ?"

"well" he began, "first, you are too fat. Second, your clothes are too loud Third, your make-up is all wrong. Lastly I am a photographer the doctor's office is on the 2nd floor.

Collected by—
Pradeep kumar Agarwal

# REVENGE

Rajdeep Bhuyan
P. D. C. 2nd Year

It was about 2 A. M. in the morning, Detective Mr. Raj Dutta was sleeping peacefully in his room, which was lighted by a dim blue light. The night was silent ; except for the barking and howling of a stray dog.

Suddenly the phone rang, "Cring Cring ··· ··· Cring Cring ··· ··· Cring," — "Hello," "Oh ! O. C. Ahmed." – "What did you say ?" — "Murder ! Where ?"—"Near Railway over-bridge. Ok. I'm coming tell some of your men to guard the body."

Detective Raj Dutta dressed quickly, went to the wardrobe and took out his revolver. After sometime, a yellow fiat was seen racing towards the railway bridge, from Dutta's residence.

The fiat came to a halt near the spot, a few people were gathering around the dead body. O.C. Ahmed came upto Mr. Dutta and saluted him and then lead him towards the dead body. Detective Raj carefully examined the dead body, a beautiful woman, ( most probably between 22-23 years ), There were some wound marks on the body, as if made by some kind of sharp weapon. He then looked around for any clues. A little distance away from the dead woman, a hankerchief was found and in one corner of the hankerchief two letters were written, namely B. B. A coat button and a half smoked Dunhill Cigerette was found. Detective Raj then asked the small crowd, "Can anyone tell me who first saw the corpse ?"—" Do any of you know the woman ?" Nobody knew the woman but a sturdy policeman came forward and saluted and said," I first saw the corpse. I was on patrolling duty in this area."

He Continued that it was obout 1·30 A. M. when he saw something white lying on the road. And on finding a woman murdered he immediately phoned to the local police-station Dutta was rather worried, no one knew the woman and he wondered with what motive the murder was Committed. He gave some necessary orders to the police officer-in-charge and went away.

Next day, the local newspapers were hit by the headlines, "Woman Murder", - " Murder at midnight", etc. and with the news a photo of the woman was published. In the evening, Mr. Dutta received the post-mortem report. The report says that the woman died between 8·30 P. m.– 9·00 P. m. and death was caused due to severe bleeding from the wounds which were made by somekind of sharp-pointed weapon.

It was a puzzaling case for Detective Raj, he could not suspect or arrest anyone. But it was clear to him that the murder was committed in some other place and the body was dumped near the railway bridge.

A day later, in the morning O. C. Mr. N. Ahmed was in his office checking some reports, when suddenly an elderly woman rushed into the office, took out a newspaper from her bag and pointed to the photograph published in the paper and said that the girl, whose picture was printed was her daughter The O. C. was excited to hear the news and he phoned to Detective Raj Dutta and requested him to come immediately. Sometime later Dutta arrived and made for the office. On enteing the office he saw that an elderly woman, seated in a chair, was being questioned by Mr. Ahmed and another policeman was noting down some information. He was introduced to the lady. From the lady it was learnt that she was the mother of the dead woman whose name was Seema Bordoloi, the lady's name was Laxmi Bordoloi. Her husband died two years ago. She worked as a teacher and Seema was a typist in

"Baruah Enterprise". They both stayed together in a rented house in Graham Bazar. Mr. Dutta then asked the lady if she suspected anybody. But she said that there was nobody to suspect. Then he showed her the hankerchief which he found near the dead woman. The lady recognised it and said that the hankerchief was given by Seema to Bitupan Baruah, her friend. And the two letters B B stood for Bitupan Baruah. Mr. Dutta copied down the address of Bitupan Baruah from the lady. And asking some more questions and assuring that the murderer would be caught soon; let the lady go home.

After sometime he drove his car towards the 'Baruah Enterprise.' On enquiring of some employees in Boruah Enterpise' it was found that the girl Seema had worked in there and Bitupan Borah was the manager of that Enterprise. Everyone admitted that there was some kind of relation between Seema and Bitupan. He then went to the manager's office and knocked at the door. Someone from inside said, "Come In". He gently pushed the door and went in. There was a young gentleman who was looking at some files on a table. Detective Raj Dutta introduced himself as a journalist and told him that he came to take an interview for the magazine "Assam". But Mr. Baruah replied that he had no time for an interview since he was very busy and so he invited him to come to his residence at 5 p. m. Mr. Dutta thanked him and went out, gently closing the door behind him.

In the evening, Mr Raj Dutta went towards Baruah's residence in his car. It was about 4·30 p. m. when he reached Baruah's house. He opened the wooden front gate and went in. The house was of the Assam Type and had a lush flower garden. At that moment the servant of the house came out from inside the house. Detective Dutta asked the servant if Baruah

was at home. But the servant said that Baruah would be back from office at 5 p. m. On questioning it was learnt that Bitupan's parents had gone to their son-in law's house a week ago and were not back yet. They had an Ambassador car in the garage and only the servant and Bitupan Baruah stayed there then. Dutta told the servant to bring the keys of the grage. After sometime the servant brought the key's and Dutta opened the door of the garage. Inside the garage was a light-pink coloured Ambassador. He carefully examined car. On the back seat there were smears of dry blood. He came out and closed the door of the garage behind him. He then asked the servant if there was a phone in the house. On being told that there was a phone in the house. He went in and dialled a particular number.

It was about 5·10 p. m when Mr. Baruah alighted from a rickshaw in front of his house. On entering the house he found the journalist, sitting on a sofa in the guest room. Dutta got up and shook hands with Mr. Baruah. He introduced himself as 'Kailash Saikia.' Baruah ihen asked him, "Well, Mr. Saikia what do you want to know ?" So Mr. Kailash Saikia ( Mr. Raj Dntta ) began asking him questions about enterprise and business. Baruah replied without suspecting anything. Mr. Dutta notice that a coat buttom was missing from Baruah's coat and the other buttons were in similar to the button which he found near the dead woman. He then asked Baruah if he could lend him a cigarette. Mr. Baruah smiled and took out his cigarette packet, Dutta noticed that the brand of the cigarette was the same as the one which he found near the spot of the incident. Detective Raj Dutta then asked him if he knew something about the murder of Seema Bordoloi. At the mention of of the name his expression changed. Dutta noticed the change in Baruah's expression and he seemed to fumble. He then asked him about the

smears of dry blood in the back seat of his car ; Baruah began to suspect Mr. Dutta and so he tried to bluff his answer. Dutta then took out the coat-buttom and the hadkerchief and kept them in front of Mr. Baruah and asked him if he recognised his belongings Mr. Baruah greatly unnerved asked him, "Who are you ?" Mr. Dutta calmly took out his identify card & presented it before Mr. Baruah. Mr. Bitupan Baruah got up and tried to escape but O. C. N. Ahmed and some of the policeman were standing on doorway. Mr. Baruah, realising that he was trapped, came back and sat down

Detective Dutta asked Mr. Baruah the motive for murdering Miss Seema Bordoloi, Finding no choice, he began his story.

He first came to know Miss. Seema Bordoloi a year ago, since they worked in the same enterprise. Friendship developed between them, and, slowly their frindship turned into love. They went out together every evening to movies, resturants, sometimes to the river bank to talk about their marriage. He even raised her salary and promoted her in job. They exchanged gifts, on one occasion she presented him a dozen handkerchiefs, on which the letters B. B. were embroidered. In this way their romance lasted for some months. Then Mr. Boruah began noticing that Mr. Seema was no more interested nor paid any attention towords him like before. She even turned down the gifts he gave her. He was rather puzzled at her strange behaviour. He very soon discovered the reason, he one day saw Seema with another man. Next day he asked her about the stranger, instead, she insulted him and even told him that she did not love him anymore. She even resigned from her job. Blinded by anger he vowed to take revenge,

On the day of the murder, Seema went out to the market. It was about 8 p. m. in the evening when she finished her marketing, and as the market was near their house, she thought of wal-

king back home. Mr. Boruah was following her and noticing everything. And as she was walking back home, he followed her in his car at a safe distance. As she came to a deserted place, his car suddenly picked up speed and overtook her and stopped a little distance ahead in the darkness. He covered his face with mask and in his hand he had a sharp pointed dagger. He waited for her. A little later he saw her coming up the road and he got ready. And as she got nearer he suddenly sprang on her thrust his knife into her body wildly. She died on the spot. He was filled with a sense of triumph. He burned up the clothes he was was wearing since there were blood stains. He now thought of disposing the body, he carried the body in the back seat of his car and at midnight he dumped the body near the railway Over Bridge. He thus finished his story. The officer-in-charge of the police station, Mr. N. Ahmed, put the handcuffs on Mr. Bitupan Boruah's hands, and led him away for justice.

Detective Raj Dutta sat still for a while. He remembered the face of the dead woman, it was sad to think that such a beautiful woman was killed. But for what? Love? Then he got up and slowly went out of the house with a heavy heart. Saddened by the thought that one more promising life had been cut short because of man's blind fury and revenge.

# AN ESSAY ON N. C. C.

Atmananda Duarah
B. Com. Final Yr.
Senior Under Officer

We are all acquainted with the words N. C. C. How many of us do really care to know something about this much publicised organisation ? Controlled by the Ministry of Defence through the N. C. C. Directorate General, New Delhi, the 'chief' of this organisation is a full fledged Military Officer of the rank of a Major General. The full name of N. C. C. is National Cadet Corps. It is formed on 16th April, 1948 under The National Cadet Corps Act.

The Aims of N. C C. are :

1) Development of leadership, character, comradeship, spirit of sportsmanship and the ideal of service.

2) To create a force of disciplined and trained manpower which in a national emergency could be of help to the country.

3) To provide training for students with a view to developing in them officer like qualities, thus also enabling them to obtain commissioned officer's rank in the Defence Forces.

The Motto of N. C C : UNITY AND DISCIPLINE. The N C C organisation has three divisions : Senior Division - for male students in colleges.
Junior Division – for male students in schools
Girls' Division – for female students in schools and colleges.

# "Cigarette Smoking And Youth"

Pradeep Kr. Agarwal
B. Com, 2nd year.

"Cigarette smoking is injurious to health." Despite the warning printed on every pack of cigarettes the irony is that the number of smokers is increasing constantly. As a matter of fact today the percentage of smokers is much high than it ever was. The irony is that smoking prevails us a large scale in students of educational institutions.

It is seen that generally the the youths are inspired to smoke if their collegues are smokers. One who does not smoke in the company of the smokers becomes a laughing stock. He is termed as "a kid" or "Girlish." Irritated by the comments and inspired by his friends the boy gradually starts smoking. Nobody ever likes his first cigarette. It just seems a waste to him. But slowly starting from a puff the boy becomes accustomed of having a packet a day. He does not realise that "it is easy to acquire a habit ; very difficult to cast it off." He gradually develops a taste for it. Then it virtually becomes impossible to leave the habit. Unless one has a lot of will power one cannot give up smoking.

The alarming fact is that the many young smokers gradually start having drugs, LSD, Opium, Hasish, Heroine etc. Once a man becomes an addict to these it is next to impossible for him to leave it. His health is ruined and his life is shortened and he becomes a mental and physical weak.

Diseases such as cancer are supposed to be caused by smoking. Cigarettes not only harm one's health but lead to much waste of money. Youth should be careful not to develop the habit of smoking and those who have become habituated to smoking should make efforts to give up smoking.

## Results Of Cultural Competition

□ Recitation Competition.

Assamese

1st. Sri Purnananda Chutia.
2nd. Asrarul Haque Chowdhury.
3rd. Bidayut Buragohain.

Bengali

1st. Sri Vivekananda Mitra.
2nd. Sri Anjan Mazumder.
3rd. Miss Shibani Ghose.
3rd Sri Pradip Agarwal.

English

1st. Miss Ajanta Borgohain.
2nd ,, Sangeeta Jain.
3rd. ,, Mitali Borua.

Hindi

1st. Suhabudin Khan.
2nd. Miss Sangita Sarma.
3rd { Sri Pradip Agarwal.
Miss Susma Shah.

□ Extempore Speech

1st. Asrarul Haque Chowdhury.
Sri Utpal Rajkonwar.
2nd. ,, Subakar Boruah.
3rd. ,, Purnananda Chutia.

□ Debating Competition

1st. Sri Subakar Boruah.
2nd. Asrarul Haque Chowdhury.
3rd ,, Utpal Rajkonwar.

□ Mono Acting

1st. Asrarul Haque Chowdhury.
2nd. Miss Ajanta Borgohain.
3rd. Sri Utpal Rajkonwar.

□ Extempore Mono Acting

1st. Sri Purnananda Chutia.
2nd. ,, Utpal Rajkonwar.
3rd. Asrarul Haque Chowdhury.

□ Art Competition

Oil painting

Special— "Portrait of a tribal"
By Sri Binoy Kr. Thapa

Water colour

1st. "oldier" by
Sri Sukanta Dutta.
2nd. " Tiger " by
Sri Tapan Kr. Paul.

3rd. "Cartoon" by
Binoy Kr. Thapa.
Consolation "Lord Krishna" by
Sri Ram prasad Ghose.
" The Beggar " by
Sri Tarun Hazarika.

Pen & Ink

1st. "Mother & Child" by
Sri Sukanta Dutta.
2nd. "Ishwar chandra" by
Sri Tapan Kr. Paul.

Pencil work

1st. "Lord Scape" by
Sri Ashok Kr. Das.
2nd, "Jai Prakash" by
Sri Tapan Kr. Paul.
3rd. ' The Temple" by
Sri Ashish Kr. Paul.
"L. B. Shastri" by
Sri Sukanta Dutta.

Handicrafts

1st. "Flower Vase" by
Sri Binoy Kr. Thapa
2nd "Fruit Tray" by
Sri Sahabuddin Khan.

□One Act Play Competition

Best Drama : – Akhan Bismoyakar kabadi kheal
2nd " " Putalar Itihash
3rd " " Somay.
Best Actor : - Asrarul Haque Chowdhury.
2nd " " Sri Ratan Borman.
3rd " " .. Hiranya Dohotia.

Best Director : –
Asrarul Haque Chowdhury.

□Go as you like competition.

1st. " The Begger "
Sri Rajandra Bhogot.
2nd. " Jaruwala "
Sri Ram Prasad Ghose.
3rd. Nil.

□Best Social Worker
Sri Tapan kr, Paul.

